# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

পঞ্চম বছৰ ১৯৮৪-৮৫ পঞ্চম সংখ্যা

NABAJYOTI COLLEGE
KALGACHIA
ESTD 1971
LEARN, LABOUR & SERVE

NABAJYOTI COLLEGE LIBRARY
Estd-1971
Dist:-Kamrup,
(Assam),
P.O. KALGACHIA.

তত্বাৱধায়ক :—
অধ্যাপক. মীৰ্জা আঃ হামিদ
" ঘনশ্যাম ভৰালী

সম্পাদিকা :—
মিচ্ মাহমুদা খানম

# নৰজ্যোতি মহাবিদ্যালয় আলোচনী

নৰজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বছৰেকীয়া প্ৰকাশ

১৯৮৪ / ৮৫ চন।

পঞ্চম বছৰ : ১৯৮৪-৮৫ : পঞ্চম সংখ্যা

**তত্বাৱধায়ক—**

অধ্যাপক মীৰ্জ্জা আঃ হামিদ।

" ঘনশ্যাম ভৰালী।

**সম্পাদিকা—**

মিচ্, মাহমুদা খানম।

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভাৰ বছৰেকীয়া প্ৰকাশ

১৯৮৪ / ৮৫ চন ।

## সম্পাদনা সমিতি

অধ্যক্ষ— আব্দুছ ছাত্তাৰ আহমেদ, (সভাপতি)

উপাধ্যক্ষ — মোজাম্মেল হুচেইন, (উপ-সভাপতি)

অধ্যাপক— মীৰ্জ্জা আঃ হামিদ,

অধ্যাপক— ঘনশ্যাম ভৰালী,

সম্পাদিকা— মিচ্ মাহমুদা খানম।

## সদস্য বৃন্দ

মাহমুদুৰ ৰহমান খান,

আছিয়া খাতুন,

কোৰবান আলী,

ওমৰ আলী আহমেদ,

সোৰাবৰ খান,

আয়নাল হক,

বেটুপাত— (কলেজৰ প্ৰতীক)

পৰিকল্পনা— এ, এছ, আহমেদ (অধ্যক্ষ)

অঙ্কণ— জি, ভৰালী, (তত্বাৱধায়ক)

● মুদ্ৰালিখক— ঘুনুচা প্ৰেছ, (বৰপেটা)

## ॥ শুভেচ্ছা বাণী ॥

জীৱন জীৱন বৰ অনুপম

মৰণ বিজয়ী সাধনা

মৰণে আৱৰা মৰুৰ মাজত

তোলা জীৱনৰ মূৰ্চ্ছনা ॥

সৎ শিক্ষাই জীৱনক মৃত্যুৰ পৰা অমৃতলৈ নিয়ে। অগভীৰ, পাতল শিক্ষাৰ পৰা নিজক বিৰত ৰাখি জীৱনক অৰ্থ দিয়া শিক্ষা জীৱনৰ পৰাই গ্ৰহণ কৰি নিজক, দেশক, ধন্য, মহিমাময় কৰা — এই শুভ ইচ্ছা জনালোঁ।

ড. নিৰ্ম্মলপ্ৰভা বৰদলৈ

মুৰব্বী অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়।

২২ / ৭ / ৮৬ ইং

## ঃ কৃতজ্ঞতা ঃ

শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে সোঁৱৰিছো আমাৰ মাজত নথকা আৰু থকা সেই মহান ব্যক্তি সকলক যি সকলৰ সুদূৰ প্ৰসাৰী চিন্তাধাৰাৰ ফলত প্ৰতিষ্ঠিত হ'ল নৱজ্যোতি কলেজ খন। যি সকলৰ আপ্ৰাণ চেষ্টা আৰু কায়িক পৰিশ্ৰমৰ ফলত এই দুখীয়া অঞ্চলৰ ল'ৰা-ছোৱালীয়ে আজি কলেজখনৰ কলা বিভাগৰ কোঠালিত বহি কলা সাধনা আৰু বিজ্ঞানাগাৰত বহি যুগে দিয়া আহবানক মহিমামন্বিত কৰিবলৈ সুযোগ পালে সেইসকল মহান ব্যক্তি সদায়েই নৱজ্যোতি কলেজখনৰ ইতিহাসৰ পৰিপূৰক।

আমি নাথাকো। নৱজ্যোতি কলেজ চিৰদিন থাকিব। চিৰদিনেই শিক্ষাৰ পোহৰ বিলাব, চিৰদিনেই এই অঞ্চলৰ মুখ উজলাব। সেয়ে আহক, আমি প্ৰত্যেকে এইখন কলেজলৈ অৰিহণা যোগাওঁ আমাৰ ভৱিষ্যত বংশধৰ সকলৰ মঙ্গলৰ বাবে। আহক, নকৈ প্ৰতিষ্ঠিত বিজ্ঞান শাখাটোক উন্নতৰ কৰি তুলিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ হওঁ। আহক ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক— আটায়ে মিলি মাতৃভূমি ভাৰতৰ পিচপৰা এই অঞ্চলবোৰক উচ্চ শিক্ষাৰ অবদানেৰে সমাজ আৰু দেশৰ প্ৰতি থকা দায়িত্ব পালন কৰো।

নৱজ্যোতি কলেজৰ লগত ওতঃপ্ৰোত ভাবে জৰিত থকা যি সকল মহান ব্যক্তি আজি আমাৰ মাজত নাই সেই সকল হ'ল— মৰহুম মুছলেম উদ্দিন আহ্মেদ, মৰহুম আতাউৰ ৰহমান (বৰপেটা), মৰহুম আব্দুল কাদেৰ (বাবু) মৰহুম ইন্তাজ আলী চৌধুৰী (মৌজাদাৰ), মৰহুম মুজাফৰ আলী ভূঞা, মৰহুম ইমান আলী মণ্ডল আৰু মৰহুম আব্দুল হামিদ খাঁন। আল্লাহু তায়ালাই তেখেত সকলক জান্নাতবাসী কৰক। আৰ্থিক সাহায্য আৰু শাৰীৰিক শ্ৰমৰ দ্বাৰা যি সকলে কলেজখন উন্নতি কৰিবলৈ চেষ্টা কৰি আছে, তেখেতসকল দীৰ্ঘজীৱি হওক।

অধ্যক্ষ, আঃ ছাত্তাৰ আহ্মেদ
নৱজ্যোতি কলেজ।

"সামৰ্থ থাকোতে যিয়ে সৎকামত আগভাগ নলয়, তেওঁ মানব জীৱনৰ অৰ্থ বুজিবলৈ অপাৰগ।"

এজন জ্ঞানী লেখক।

## ঃ সূচীপত্ৰ ঃ


| ৰিষয়— | পৃষ্ঠা— | লিখক— |
|---|---|---|
| আলোচনী সম্পাদিকাৰ প্ৰতিবেদন | | মিচ্ মাহমুদা খানম্ |
| **গল্প আৰু প্ৰৱন্ধৰ শৰাই** | | |
| নতুন প্ৰভাত | ১ | অধ্যাপক খণ্ডকাৰ আঃ গফুৰ (ৰাজনীতি বিজ্ঞান বিভাগ) |
| মানৱতা বোধ আৰু ইয়াৰ প্ৰমূল্য | ৫ | মিচ্ কদভানু খাতুন (উঃ মাঃ দ্বিতীয় বাৰ্ষিক কলা) |
| এটি প্ৰেমৰ কথা | ৯ | আব্দুল হামিদ (টি, ডি, চি প্ৰথম বাৰ্ষিক কলা) |
| সেই মুখ সেই হাঁহি | ১২ | ৰুস্তম আলী আহমেদ (টি, ডি, চি প্ৰথম বাৰ্ষিক কলা) |
| যুৱবৰ্ষ আলোচনা | ২১ | তাইজুদ্দিন আহমেদ (স্নাতক সন্মান ২য় বাৰ্ষিক) |
| ছুফী মতবাদ | ২৬ | মোঃ ছোলেমান খান এম, এ (আৰবী মুৰব্বী অধ্যাপক) |
| **কবিতা** | | |
| প্ৰাৰ্থনা | ২৯ | আমজেদ আলী আহমেদ (দ্বাদশ কলি) |
| চৰিত্ৰ | ৩০ | তাহেৰ উদ্দিন আহমেদ (দ্বাদশ শ্ৰেণী কলা বিঃ) |
| ৰাজনীতি নেলাগে আমাক | ৩১ | মিচ্ মাহমুদা খানম, (টি, ডি, চি প্ৰথম বাৰ্ষিক কলা) |
| নগ্ন বাস্তৱ | ৩২ | আব্দুল খালেক (প্ৰাক্ বিশ্ববিদ্যালয় দ্বিতীয় বাৰ্ষিক কলা শাখা) |
| জীৱন ডালত | ৩৩ | আব্দুছ ছবুৰ আহমেদ (এইচ্, এচ, ছি প্ৰথম বাৰ্ষিক কলা) |
| ওলাই আহ | ৩৩ | আব্দুল মান্নান আহ্মেদ (একাদশ শ্ৰেণী কলা) |
| মই | ৩৪ | মোঃ শোৱাবেৰ খান (টি, ডি, চি প্ৰঃ বাঃ কলা) |
| অপেক্ষা | ৩৪ | আবু বক্কৰ ছিদ্দিক (এইচ্, এছ, ছি প্ৰঃ বাঃ কলা) |
| প্ৰাৰ্থনা | ৩৫ | মোঃ হাফিজুৰ ৰহমান (একাদশ শ্ৰেণী বিঃ শাখা) |
| মিনতি | ৩৫ | মোঃ আয়নাল হক্ (টি, ডি, চি প্ৰঃ বাঃ কলা) |
| আমাৰ আহ্বান | ৩৬ | মোঃ ওৱাহাব আলী (একাদশ শ্ৰেঃ প্ৰঃ বাঃ কলা) |


Nabajyoti College, Kalgachia, Estd. 1974 (Assam), P.O. Kalgachia, Dist. Barpeta

মহাবিদ্যালয় সপ্তাহ : ৩৭ : আব্দুল হামিদ ( পি, ইউ, ২য় ধা বিঃ শাখা )
মহাবিদ্যালয় সপ্তাহ : ৩৮ : তাইজউদ্দিন আহমেদ ( বি, এ ২য় বাৰ্ষিক )
কল্পনা : ৩৮ : জহিৰুল ইচ্‌লাম ( একাদশ কলা )
কৌতুক : ৩৯ : আঃ হামিদ (প্ৰথম বাৰ্ষিক স্নাতক কলা শাখা)
অলপ হাহোঁ আহক : ৩৯ : আবু বক্কৰ ছিদ্দিক
( এইচ্‌, এচ, ছি প্ৰথম বাৰ্ষিক কলা )
আওাৰ পেণ্ট : ৪০ : আবু বক্কৰ ছিদ্দিক ( ১ম বাৰ্ষিক কলা )
কৌতুক : ৪১ : আঃ মান্নান আহমেদ ( ১ম বাৰ্ষিক কলা )
কৌতুক : ৪১ : ৰুস্তম আলী
( স্নাতক মহলা ২য় বাৰ্ষিক কলা )
কৌতুক : ৪২ : আঃ মান্নান আহমেদ ( ১ম বাৰ্ষিক কলা )

**English Section**

The New Education Policy : 1 : Mazammel Hussiain
( Vice Principal )
Spring : 4 : Abdul Hamid (T. D. C. 1st yr. Arts)
Socialism in its simplest form : 5 : A. Mannaf Ahmed
( H. S. C. 11 yr. Science )
Independence day : 7 : Rutam Ali Ahmed
( P. U. 2nd yr. Arts. )
Tears and laughter : 9 : A. Mannaf Ahmed
( H. S. C. 2nd yr. Science )
Need for challange Effluvium and non-plus in Education : 10 : A. S. Ahmed ( Principal )

: বিভিন্ন সম্পাদকৰ প্ৰতিবেদন :

ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন : ক/১ : মোঃ মাহমুদুৰ ৰহমান খান
তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন : ক/৬ : খন্দকাৰ নুৰজ্জামান মুক্তাদী
ব্যায়াম সম্পাদকৰ প্ৰতিবেদন : ক/৯ : ওমৰ আলী আহমেদ
লঘু খেল বিভাগ : ক/৯ : আবুল কাছেম
গুৰু খেল বিভাগ : ক/১২ : মোঃ আয়নাল হক
ছাত্ৰী জিৰণী কোঠাৰ বঃ প্ৰঃ : ক/১২ : মিচ্‌ আছিয়া খাতুন
খেল-খেমালিৰ ফলাফল ১৯৮৪-৮৫


# সম্পাদকীয়



মোৰ প্ৰতিবেদনৰ ফেহুজালিতেই আহ ঐ আহ, সোণৰ অসম ৰেডিয়ামৰ অসম গঢ়িম বুলি কৈ মাতৃৰ অস্তিত্ব ৰক্ষাৰ নামত দেশ প্ৰেমিক সকলে চলোৱা আন্দোলনৰ হিংসাৰ কবলত পৰি প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ গভীৰ শ্ৰদ্ধাঞ্জলি আৰু শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছোঁ। লগতে ইং ১৯৮৪-৮৫ চনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে অশেষ দুখ কষ্টৰ মাজেদি মহা বিদ্যালয়ৰ নিৰ্ব্বাচনৰ যোগেদি মোক আলোচনী সম্পাদিকাৰ পদবীত গুৰুভাৰ দি সাহিত্য সেৱাৰ সুযোগ দিছে, সেই বিলাক ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

সাহিত্যৰ যোগেদি সমাজৰ হুবহু চিত্ৰ দাঙি ধৰি তাৰ সৰ্বাঙ্গীন চৰিতাৰ্থ কৰিব পাৰি। উন্নত সমাজৰ সাহিত্য উন্নত মানদণ্ডৰ। আন কথাত সমাজ আৰু সাহিত্যৰ পৰস্পৰ পৰিপূৰক। উন্নত মানৰ সাহিত্যৰ যোগেদি আন্ধাৰৰ অতল গহ্বৰত জাহ-যোৱা সমাজকো পোহৰৰ শাৰীত স্থাপন কৰিব পাৰি। আগৰ কালৰ সাহিত্যই সমাজৰ বিবৰ্ত্তনৰ যোগেদি নতুন সাজ পিন্ধিছিল অৰ্থাৎ সমাজহে সাহিত্যক পৰিচালনা কৰিছিল। কিন্তু প্ৰাশ্চাত্য দেশ বিলাকত নৱজাগৰণ হোৱাৰ ফলত সমাজেহে সাহিত্যৰ ৰূপ ধৰিব লগা হৈছিল। কাৰণ সেই সময়ত ইউৰোপীয় দেশ বিলাকত কেইবাজনো বিচক্ষণ ব্যক্তিৰ আবিৰ্ভাৱ হৈছিল তেওঁলোকে বস্তুবাদৰ ওপৰত বিশ্বাস কৰি সমাজ ব্যৱস্থাত পৰিবৰ্ত্তন সাধনাৰ্থে নানা লিখনিৰে তাৰ সাহিত্যৰ ভঁৰাল ওপৰঞ্চি হিচাবে টনকিয়াল কৰিছিল। লগতে শোষিত জনতাই সেই বিলাক অধ্যয়ণ কৰি মুক্তিৰ সন্ধান পাইছিল। তেতিয়াৰ পৰাই সাহিত্যইহে সমাজক গঢ় দিব ধৰিলে, সাহিত্যৰ চৰ্চ্চাই সমাজৰ পৰা কু সংস্কাৰ দূৰ কৰি আছে। সাহিত্যৰ দ্বাৰা সমাজৰ সংঘটিত হোৱা বিভিন্ন ধৰণৰ কাৰ্য্য কলাপ আৰু তাৰ পৰিণাম দাঙি ধৰা হয়, ফলস্বৰূপে ভাল বেয়া সৰ্ব্ব সাধাৰণ ৰাইজৰ দৃষ্টি গোচৰ হয়। গতিকে সাহিত্যই হৈছে সমাজৰ দাপোন স্বৰূপ। আনহাতে সাহিত্য অৰ্থনীতিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত

দুয়ো দুয়োৰে পৰিপূৰক। কোনো এখন সমাজৰ অৰ্থনীতিৰ মানদণ্ডৰ ওপৰত তাৰ সাহিত্যৰো মানদণ্ড নিৰ্ভৰশীল। আৰ্থিক অৱস্থা টনকিয়াল হোৱাৰ বাবে ইংৰাজ সাহিত্যত অতি উচ্চস্তৰৰ আৰু তাৰ বাবেই বিশ্বত সমাদৰ পাইছিল। ইংৰাজ সাহিত্যৰ স্বৰূপ আজিকালি বিশ্বৰ সকলো অংশতে দেখা যায়। কোনো ব্যক্তিৰ মানস পটত সুপ্ত অৱস্থাত থকা অনুভূতি লিখনিৰ দ্বাৰা প্ৰকাশ পালেই সি সাহিত্য ৰূপে গন্য কৰা হয়। আধুনিক সাহিত্যৰ মূল বস্তু হল চুটি গল্প, নাট, উপন্যাস আৰু কবিতা এই বিলাকৰ মাজেদি সমাজৰ হুবহু চিত্ৰ দাঙি ধৰি মানুহক বুজোৱা হয়। আমাৰ অসমীয়া সাহিত্যত, ভাৰতীয় সাহিত্যৰ এক অভূত পূৰ্ব সম্পদ। অসমীয়া সাহিত্যত সাহিত্যৰ মূল বস্তুবোৰ যেন মাথোন পৰিলক্ষিত হয় এনে নহয় ইয়াৰ মানদণ্ডও দিনে দিনে উচ্চ শিখৰ লৈ আগবাঢ়ি আছে। বিভিন্ন শিক্ষানুষ্ঠানৰ জৰিয়তে উঠি অহা ন-লিখাৰু সকলে নিজৰ ব্যক্তিত্বক প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিবলৈ সক্ষম হৈছে।

নৱগঠিত বৰপেটা জিলাৰ পশ্চিমাংশত থকা কলগাছিয়াত ইয়াৰ স্থানীয় মানুহৰ কঠোৰ পৰিশ্ৰমৰ পৰিপ্ৰেক্ষিতত আমাৰ নৱজ্যোতি মহাবিদ্যালয়খন ১৯৭১ চনত স্থাপিত হয় ইয়েই এই অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ। পৰিতাপৰ বিষয় যে মেধাবী বুদ্ধিৰ ছাত্ৰ-ছাত্ৰী থকা সত্বেও, অৰ্থনীতিৰ জুকলাৱস্থাৰ বাবে মহাবিদ্যালয়খনে ঘাটি মঞ্জুৰি অনুদান পোৱাৰ আগলৈকে এখনো মহাবিদ্যালয় আলোচনী প্ৰকাশ কৰিব পৰা নাছিল। ইংৰাজী ১৯৭৯ চনৰ ঘাটি মঞ্জুৰি পোৱাৰ পিছত হে আমাৰ ছাত্ৰ-ছাত্ৰী বিলাকে নিজৰ ব্যক্তিত্বক প্ৰকাশ কৰিবলৈ প্ৰয়াস পায়। মোৰ দায়িত্বাধীন থকা এই আলোচনীখন আমাৰ মহাবিদ্যালয়ৰ পঞ্চম সংখ্যা। এই সংখ্যাৰ সৰ্বতো প্ৰকাৰ উন্নতি সাধনৰ বাবে সম্পাদনা সমিতিৰ সদস্য সকল আৰু অন্যান্য বিচক্ষণ ব্যক্তিৰ পৰা পৰামৰ্শ লৈছিলো যদিও আশানুৰূপ সহাৰি ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা নগল কাৰণ আলোচনী খনত মানদণ্ড উন্নত থাপৰ হোৱা বুলি মই ভাবো মোৰ বোধেৰে মোৰ চেষ্টাৰ কোনো ত্ৰুটি হোৱা নাছিল বুলি মই জানো।

বৰ্ত্তমান দেশৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদিৰ ওপৰত প্ৰতিষ্ঠিত ঘটনা প্ৰবাহ সমুহ প্ৰকাশ কৰাৰ মাধ্যমেই হল— চুটি গল্প, নাট, উপন্যাস কবিতা ইত্যাদিৰ সম্ভাৰ। এক বুজন পৰিমাণৰ মেধাবী ছাত্ৰ-ছাত্ৰী থকা সত্বেও মাথোন দুই এজনৰ লিখনিৰ ভাব ধাৰা বিলাক বাস্তৱ মুখী চিন্তা ধাৰাৰ ওপৰত প্ৰতিষ্ঠিত হোৱা দেখা যায়। বাকী বিলাকে লিখনিৰ মাধ্যমেৰে সুপ্ত ব্যক্তিৰ প্ৰকাশ কৰিবলৈ যেন টান পায়। ইয়াৰ কাৰণ নিজৰ প্ৰতিভাৰ ওপৰত আস্থা নাই। তদুপৰি লিখনিৰ প্ৰতি ধাউতি নথকাৰ কাৰণে লিখা অভ্যাস খুব কম, ফলত যি দুই এটা লিখনি লিখে সি উচ্চ মানদণ্ডৰ নহয়। এনেকি আমাৰ বেচিভাগ ছাত্ৰ-ছাত্ৰীয়ে আধুনিক বহিৰ্জগতৰ আলোচনীও পঢ়াৰ অভ্যাস নাই, চেষ্টাও নকৰে। সকলোৰে জনা উচিত যে, লিখনিৰ দ্বাৰাই হে জাতিক উন্নতিৰ পথলৈ আগবঢ়াই নিব পাৰি। গতিকে উঠি অহা ন-লিখাৰোৱে জাতিৰ উন্নতিৰ চিন্তা সাৰোগত কৰি ভৱিষ্যত লৈ যাতে উন্নত মানৰ লিখনিৰ দ্বাৰা জাতিক প্ৰতিফলিত কৰিব পাৰে তাৰ বাবে মই উদাত্ত কণ্ঠে আহ্বান জনালো।

মোৰ কাৰ্য্য কালত এই অঞ্চলত শিক্ষাৰ ভেটি নৱজ্যোতি মহাবিদ্যালয়ত এইবাৰৰ "মহাবিদ্যালয় 'সপ্তাহত" বিভিন্ন সাহিত্যমূলক প্ৰতিযোগিতাত শ্ৰেষ্ঠ সাহিত্যিক হিচাবে পৰিগণিত হোৱা প্ৰিয়— তাইজুদ্দিন আহমেদ আৰু তেখেতৰ Runer's up হোৱা সকললৈ মোৰ শলাগৰ শৰাই আগবঢ়ালো।

পৰিতাপৰ বিষয় যে মোৰ কাৰ্য্যকালত প্ৰিয় বন্ধু কাজী আলতাপ হুচেইনে ইহলীলা সম্বৰণ কৰে। মই ব্যক্তিগত ভাৱে তেখেতৰ আত্মাই যাতে বেহেস্তত গৈ শান্তি লাভ কৰে তাৰ বাবে আল্লাহৰ ওচৰত অশ্ৰু-অঞ্জলিৰ প্ৰাৰ্থনা জনাইছো।

মোৰ কাৰ্য্য কালত বিভিন্ন ক্ষেত্ৰত সহায় সহযোগ পোৱাৰ কাৰণে অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ, উপাধ্যক্ষ এম, মোজাম্মেল হুচেইন, অধ্যাপক লম্বিত কোঁৱৰ অধ্যাপক মিৰ্য্যা হামিদ অধ্যাপক ঘনশ্যাম ভৰালী আদি শিক্ষা গুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলো আৰু সম্পাদনা সমিতিৰ প্ৰত্যেকজন সক্ৰীয় সদস্যৰ ওচৰত মই ব্যক্তিগত ভাৱে চিৰ কৃতজ্ঞ হৈ থাকিম।

মোৰ কাৰ্য্যকালত বন্ধুবৰ তাইজুদ্দিন, ৰোস্তম, আবুল কালাম, আইয়ুব, শোৱাৱেব, হামিদ, মাহমুদ, সকিমদ্দিন, কোৰবান, আয়নাল হক, নুৰজ্জামান, আৰু বান্ধৱী আছিয়া খাতুন, আনোৱাৰা, হামিদা, আঞ্জুৱাৰা, মঞ্জুৱাৰা, দেলোৱাৰা, ছাহেৰা, কহিনুৰ, আদি বন্ধু-বান্ধবীলৈ মোৰ আন্তৰিক মৰম, স্নেহ, শুভেচ্ছা জ্ঞাপন কৰিলো। এখেত সকলৰ সাহায্য আৰু উপদেশৰ বাবে মই ব্যক্তিগত ভাৱে চিৰ ঋণী।

সৰ্দো শেষত যি সকল মহান ব্যক্তিয়ে এই অঞ্চলৰ উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ নৱজ্যোতি মহাবিদ্যালয়খন স্থাপন কৰোতে অশেষ দুখ কষ্ট ভুগিছে তেখেত সকললৈ মই মোৰ শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিলো আৰু মহাবিদ্যালয়ত অধ্যয়ন কৰা বন্ধু-বান্ধৱী সকলে যাতে নিজৰ জীৱন আৰু মহাবিদ্যালয়খন উজ্জ্বল কৰি গঢ়ি তে লে তাৰ বাবে প্ৰত্যেকজনকে আহ্বান জনাই মোৰ কাৰ্য্য কালত অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে—


মিচ্ মাহমুদা খানম

আলোচনী সম্পাদিকা—

নৱজ্যোতি মহাবিদ্যালয়।



# প্ৰবন্ধৰ শৰাই




একেৰাহে দুই বছৰ ধৰি সুখ্যাতি অৰ্জন কৰি অহা বছৰৰ শ্ৰেষ্ঠ প্ৰতিযোগী— মোঃ মাহমুদুৰ ৰহমান খান



বছৰৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী তাজউদ্দিন আহমেদ।

## নৱজ্যোতি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সমিতিৰ সদস্য বৃন্দ আৰু কৰ্ম্মচাৰী বৃন্দ। ( ইং ১৯৮৪-৮৫ )



বহি থকা বাওঁফালৰ পৰা সোঁফাললৈ—

১। মাহমুদৰ ৰহমান খান [ সাঃ সম্পাদক ] ২। অধ্যাপক মঃ আঃ গফুৰ [ তত্বাঃ সমাজ সেৱা ] ৩। অধ্যাপক মীৰ্জ্জা আঃ হামিদ [ তত্বাঃ আলোচনী বিভাগ ] ৪। অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ [ তত্বাঃ সভাপতি ছাত্ৰ একতা সভা ] ৫। অধ্যাপক ভগবান গোস্বামী [ তত্বাঃ সমাজ সেৱক ) ৬। অধ্যাপক দেৱান আব্দুল গফুৰ [ তত্বাঃ লঘু খেল বিভাগ ] ৬। অধ্যাপক ঘনশ্যাম ভৰালী [ তত্বাঃ আলোচনী বিভাগ ] ৮। অধ্যাপক সেখ ওমৰ আলী [ তত্বাঃ তৰ্ক বিভাগ ]

থিয় দি থকা বাওঁফালৰ পৰা সোঁফাললৈ—

১। কোৰবান আলী [ সঃ সাঃ সম্পাদক ] ২। মিচ্ আছিয়া খাতুন [ সঃ ছাত্ৰী জিৰণী কোঠা ] ৩। মাহমুদা খানম [ সঃ আলোচনী বিভাগ] ৪। ওমৰ আলী [ সঃ ব্যায়াম বিভাগ ] ৫। আয়নাল হক চৌধুৰী [ সঃ গুৰু খেল বিভাগ ] ৬। আয়নাল হক ৭। আজাহাৰ আলী [ কলেজ পিয়ন ] ৮। ইদ্ৰীছ আলী আহমেদ [ লাইব্ৰেৰী বিভাগ ]

# ঃ নতুন প্ৰভাত ঃ

অধ্যাপক, খন্দকাৰ আঃ গফুৰ
( ৰাজনীতি বিজ্ঞান বিভাগ )

সিদিনা ৰাতিপুৱাৰে পৰা মাক-পুতেকৰ এটাই উৎকণ্ঠা ৰিজাল্ট বা কি হয় ? অৱশেষত আবেলিলৈ মিঠুনৰ হাঁহিভৰা মুখখন মাকে দেখা পালে সমগ্ৰ দিন অপেক্ষা কৰি। "মা, মই ফাৰ্ষ্ট ক্লাচ পালো, তোমাৰ বহু কল্পনাৰ মিঠুন, ডাক্তৰ মিঠুন কাকতি হ'লগৈ নহয় জানো।" —মিঠুনে কলে। অধ্যাপিকা মিণু কাকতি আছিল মিঠুনৰ মাক। মিঠুনৰ মুখৰ হাঁহিখিনি দেখি তাইৰ মনৰ আনন্দত চকুলো ওলালি দুগালে বাগৰি। পুতেকক অজস্ৰ আশীৰ্ব্বাদ দিলে। "মা, এতিয়া কিন্তু তুমি বেমাৰ লৈ ভুগি থাকিব নেলাগিব। মই তোমাৰ সকলো ৰোগ ভাল কৰি দিম চাবা।" —মাকে পুতেকৰ কথাত হাঁহিলে। এই আনন্দৰ মুহূৰ্ত্তত ভাহি আহিছে মিণুৰ দুখম মুখ। এএটি শহুৰ, আনটো হ'ল পুত্ৰ মাধুৰ। আজি শহুৰ জীয়াই থকাহেঁতেন কিমান আনন্দ পালেহেঁতেন বাৰু ? আৰু মাধু... উপযুক্ত চিকিৎসাৰ অভাৱত মৃত্যু মুখত পৰা, এটি দুভৰ্গীয়া টকাৰ অভাৱত চহৰৰ ডাক্তৰ মাতিব নোৱাৰি মিণুৱে কেনেকৈ পুত্ৰক হেৰুৱাব লগা হ'ল, সেই মৰ্ম্মান্তিক দৃশ্য তাইৰ মনত পৰে। মিঠুনক ডাক্তৰ হিচাবে গঢ়ি তুলিবলৈ গৈ জীৱনত কিমান আঘাত, সংঘাত বেদনা পালে সেইবোৰ তাইহে উপলব্ধি কৰিছে। এটি অভিজাত পূৰ্ণ ঘৰৰ বোৱাৰী হৈয়ো তাই লাহ-বিলাহ কি বস্তু নাজানিলে, মাথোন শিকিলে জীৱনৰ আন নাম— জীয়াই থকাৰ সংগ্ৰাম। এই সংগ্ৰামৰ অন্ত হ'ল মৃত্যু। "মা কি ভাবিছা তুমি অকণ হাঁহিবলৈ চেষ্টা কৰা এতিয়া, জীৱনৰ দুখবোৰ পাহৰি যোৱা। তোমাৰ অধম পুত্ৰক এতিয়া তোমাৰ সেৱা কৰিবলৈ সুযোগ দিয়া" —মিঠুনে কয়। এইদৰে কথা কওঁতে বেলি পশ্চিমত ৰঙা পৰিল। লাহে লাহে নামি আহিল পৃথিৱীলৈ ঘোৰ অন্ধকাৰ। নীৰৱ এন্ধাৰৰ মৌনতা বোৰ গ্ৰাস কৰিবলৈ আহিল মিদুৰ আভাষ।

মাকে মিঠুনক আদৰ সাদৰেৰে খুৱাই টোপনি যাবলৈ কলে। "ৰাতি এঘাৰমান বাজিছে চাগে" —মাকে কলে। দিনটো মিঠুনে খুব ঘূৰিলে— মাকে সেয়েহে জিৰাবলৈ

উপদেশ দি নিজেও খাই বৈ বিচনালৈ গ'ল। কিন্তু টোপনি জানো আজি আহিব? জীৱনৰ বৃত্তত ঘটা প্ৰতিটো ঘটনা আজি তাইৰ মনত পৰিল। বিগত অতীতটোৱে তাইৰ বৰ্তমানটো ধ্বংস কৰিবলৈ সাজু হৈছে। সেই ধ্বংসৰ এটা চিহ্ন হ'ল "ডাক্তৰ মিঠুন।" সেই অতীতক পাহৰিবলৈ তাই যত্ন কৰে, নোৱাৰে।

তাই চকু দুটা মুদিলেই দেখা পায় যি ঘৰখন........ সেই ঘৰখন কাৰ........?

গাঁওৰ ভিতৰত সম্পত্তি থকা, প্ৰতিপত্তি থকা ইন্দ্ৰমোহন কাকতিয়ে পুতেক দীপ কাকতিক উচ্চ শিক্ষা দান কৰাইছিল। সময়ত সি দিল্লীৰ কেন্দ্ৰীয় চৰকাৰৰ কিবা এক উচ্চ বিভাগত চাকৰি পাইছিল। সৰুৰে পৰা অত্যন্ত অমিতব্যয়ী হৈ চলি অহা দীপে জীৱনৰ আভিজাত্যতাৰ চৰম সীমা পাইছিলগৈ। তথাপি বাপেকে গাঁওৰে শিক্ষিতা ছোৱালী মিণুক আনিছিল।

মিণু মাক দেউতাকৰ একমাত্ৰ ছোৱালী আছিল— মধ্যবিত্ত পৰিয়ালৰ। স্নেহেৰে পঢ়াত চোকা মিণুক বাপেকে মাটি বিক্ৰী কৰি হলেও এম, এ পাছ কৰাইছিল। কিন্তু দুৰ্ভাগ্যক্ৰমে মিণুৰ বিয়াৰ এমাহ নৌহওঁতেই মটৰ দুৰ্ঘটনাত বাপেক মাক দুয়ো মৰিল। এইটো আছিল তাইৰ প্ৰথম সংঘাত। তাৰ পিছত........!!

বিয়াৰ প্ৰথম নিশা মিণুৱে কি দেখিছিল বাৰু? নকইনা বেশত অলঙ্কাৰে সজ্জিত মিণু বহু নিশা অপেক্ষা কৰিছে। দীপ নাহে কিয়? দীপ আহিল। মুখত বিলাতী মদৰ গোন্ধ। ৰঙা পৰা চকু। তাই শিঁহৰি উঠিল। মুখেৰে কোনো শব্দ নকৰাকৈ দীপে বিচনাত ঢলি পৰিল। মিণুৱে গোটেই নিশা উচুপি উচুপি কান্দিলে।

তাৰ পিছদিনাখন মিণুৱে দীপক ইয়াৰ বাবে কৈফিয়ত খুজিলে, কিন্তু দীপে মাথোন হাঁহিলে। তথাপি তাই বহু চেষ্টা কৰিলে দীপক এটি আদৰ্শত আনিবলৈ, চেষ্টা ফলৱতী নহ'ল। দীপে কি বিচাৰে বাৰু......? একমাত্ৰ দেউতাকৰ কথা পেলাব নোৱাৰিহে দীপে তাইক বিয়া কৰালে। তাই গাঁওৰ দুখীয়া ছোৱালী। হয়তো বা অন্তৰৰ পৰা দীপ কাকতিয়ে মিণুৰ নিচিনা গাঁওলীয়া আদৰ্শৰ ছোৱালীক ঘিণ কৰিছিল যি আদৰ্শত পাশ্চাত্যৰ কোনো পোহৰ নাছিল।

দিন বাগৰিল— দীপৰ ছুটী শেষ হ'ল। দিল্লীৰ চাকৰিত আকৌ জয়েন কৰিলে। মিণু কাকতিয়ে কি কৰিব শহুৰ শাহুৰাৰ লগতে নৰম ব্যৱহাৰতে দিন কটাবলৈ ললে। দীপ যোৱা ছমাহৰ ওপৰ হ'ল, কিন্তু মনিয়ে লিখা এখন চিঠিৰো উত্তৰ নাহিল। শহুৰেকে কথাটো গম পালে। বোৱাৰীয়েকৰ বাবে ইন্দ্ৰমোহন কাকতিয়েই বেছি দুখ পায়। তেওঁ কি ভুল কৰিলে। তাৰ পিছত কাকতিয়ে ভাবিলে, তাক মিছা কথাৰে ঘৰলৈ আনিব লাগিব। লগে লগে টেলিগ্ৰাম পঠোৱা হ'ল, ঘৰত দুৰ্ঘটনা— ছুটী লৈ আহক। দীপে ভাবিলে মাকৰ কিবা হ'ল চাগে, প্ৰেসাৰৰ দোষ আছেই।



দীপ আহিল। শেষত সকলো বুজিলে। কাকতিয়ে পুতেকক বহুত বুজালে। নবোৱাৰীৰ কথা, সংসাৰৰ কথা। ফলত দীপে এটি কৃত্ৰিম অভিনয়ৰ জীৱন বাচি ললে মিণুৰ লগত। দীপৰ দিনবোৰ এন্ধাৰ যেন লাগে। ক্লাবৰ স্ফূৰ্ত্তিবোৰ, নাৰীৰ সান্নিধ্য, মিউজিকৰ উত্তেজনা, ডিস্কো ডেন্সৰ তালে তালে চলি থকা সিহঁতৰ যৌৱন-সম্ভাৰ আৰু জীৱন মদিৰা পানীয়, সেই পৃথিৱীখন এৰি দীপে ইয়াত এক গাঁওলীয়া নীৰস আদৰ্শক সাৰটি বহি থকাটো কাহানিও সম্ভৱ নহয়। মিণুৰ কথাবোৰত হাঁহি বোৰত কোনো মাদকতা দীপে বিচাৰি নাপায়। দীপে মিণুহঁতে কথা কতবা কওঁতে একো উত্তেজনা বিচাৰি নাপায়। এদিন নিশা মিণুৱে কলে দীপ, তোমাক এটা কথা কম আজি শুনিবা, মই মা হবলৈ ওলাইছো, এতিয়া তোমাৰ আদৰ্শ তুমি ত্যাগ কৰা, সেইবোৰ ক্ষন্তেকীয়া আনন্দই জীৱনক সুখ দিব পাৰে কিন্তু শান্তি দিব নোৱাৰে। উশৃঙ্খল ক্লাবৰ জীৱন লৈ কোনো মানুহে আদৰ্শবান হব নোৱাৰে। সেয়া সভ্যতা নহয়, নগ্নতা। আমাৰ স্বাভাৱিক ভাৰতীয় আদৰ্শত শান্তি আছে। গতিকে আমাৰ ভৱিষ্যত বংশধৰৰ বাবে চিন্তা কৰা। তুমি মদ নাখাবা। মিণু মনে মনে থকা, গাঁওৰ ভেকুলীটো হৈ মোক আদৰ্শ শিকাব নেলাগে। শুই থাকা মনে মনে, তোমাক বিয়া কৰাই মোৰ যথেষ্ঠ ভুল হৈ গ'ল। তুমি দিল্লীলৈ গৈ কাহানিও থাপ খাব নোৱাৰা, মই কাইলৈয়ে তোমাক ডাইভোৰ্স কৰি গুছি যামগৈ। মা-দেউতাৰ কথামতে মই এক আন কালচাৰ্ড ছোৱালী বিয়া কৰাই জীৱনত পৰাজিত হলো। মদৰ নিচাত আৰু বহু কথা দীপে কৈছিল কিন্তু মিণুৱে কাণেৰে শুনিছিল নে নাই। তাইৰ হিয়া ভগা কান্দোনে ৰাতিৰ এন্ধাৰত প্ৰতিধ্বনি তুলিছিল।

দীপ টোপনিত লাল-কাল। পলকহীন ভাৱে মিণুৱে চাই ৰ'ল দীপৰ মুখলৈ। চকু পানীৰ তৰঙ্গই দীপৰ চুলিখিনিত ঢৌ খেলিবলৈ ধৰিছে। মিণুৱে আলফুলকৈ সেইখিনি মচি পেলালে। চৰণ যুগলত শেষ বাৰৰ বাবে চুমা জনালে। দীপ, মোৰ ভাল পোৱাৰ আদৰ্শক তুমি আকোৱালি নললা....... - হুক হুককৈ মনিয়ে কান্দিলে। নাৰীৰ অন্তৰৰ ব্যাকুলতাক জুখিবলৈ দীপহঁতৰ সভ্যতাত কোনো প্ৰকৃত অন্তৰ নাই। সিহঁতে জলাব জানে নুমাব নাজানে।

পিছদিনাখন দীপে যাবলৈ বুলি সাজু হ'ল। "মোৰ বাবে তুমি ঘৰ কিয় এৰিবা মইয়েই যাওঁগৈ" —মিণুৱে ক'লে। মোক ডাইভোৰ্স কৰিব নেলাগে। মিলন এটি অন্তৰৰ বস্তু। যিয়ে অন্তৰত আশ্ৰয় নাপায় বাহ্যিক আভৰণ দিলেও সি বাহ্যিকেই— অন্তৰৰ নহয়। কুৰি শতিকাৰ উশৃঙ্খল, নগ্ন জীৱনত তুমিয়েই বুৰগৈ থাকা, মই কাহানিও নোৱাৰো। বহু কেইজনী নাৰীৰ সান্নিধ্য নহলে তোমালোকৰ আনন্দ ঠিক নহয়। নিত্য নতুন নাৰী লাগে, নতুন জীৱন লাগে।

সেই দিনাই মিণুৱে পিতৃ-মাতৃ হীন ঘৰলৈ গুছি আহিল। লাহে লাহে ৫ বছৰ পাৰ হ'ল। ইতিমধ্যে মিণুৱে গাওঁৰে বেচৰকাৰী কলেজ এখনত জয়েন কৰিছে। দেউতাকৰ সংসাৰ খনতে কোনোমতে মানুহৰ দ্বাৰাই কাম কৰাই, নিজেও বহু টিউচন কৰি, চিলাই কৰি জীৱিকাৰ উপায় কৰিলে। মিণুৰ দুটা যজা সন্তান হৈছিল। অকলশৰীয়া মিণুৰ দুটা সঙ্গী হ'ল। "মিঠুন-মাধু" সিহঁতক পোহ-পাল দিবলৈ মিণুৱে বৰ যন্ত্ৰণা পালে। বৃদ্ধ মোমাইদেউ এজনে ভালেখিনি সহায় কৰিলে। গাওঁত মনিয়ে কিমান বদনাম শুনিব লগা হ'ল। কটুক্তি শুনিব লগা হ'ল। লাহে লাহে মিঠুন. মাধু নৱম শ্ৰেণী পালেগৈ। হঠাতে মাধুৰ টাইফয়েডে দেখা দিলে। বহুত চিকিৎসা কৰিও একো লাভ নহ'ল। চহৰলৈ নিবলৈ মিণুৰ হাতত যথেষ্ট টকা নাছিল। মোমাইদেউৱেকে বিচাৰি বিচাৰি ক'তো অকণো টকা ধাৰলৈ নাপালে। গোটেই নিশা ৰোগীৰ অৱস্থা বেয়া হৈ পৰিল। ৰাতিটো পুৱালেই মিণুৱে কিবা এটা কৰিব ....। নাই ৰাতিয়েই সকলো শেষ। মৃত্যু যন্ত্ৰণাত ছটফটাই "মাধু" মৰিল। মিণুৰ বুকুৰ বিষাদবোৰ অশ্ৰুৰ আকাৰত নিগৰিবলৈ ললে। জয়াল পৃথিবীত দুখৰ নিশা নুপুৱায়। এজনী অসহায় নাৰীৰ কৰুণ আৰ্ত্তনাদে গগীন বিদাৰিলে। মোমায়েকে সান্ত্বনা দিলে।

বছৰ বাগৰিল। মিণুৰ শহুৰ শাহুৰী মৰিল। দীপে হেনো মাজে মাজে দিল্লীৰ মেম এজনীক লৈ আহে আৰু যায়। মিণুৱে মানুহৰ মুখে শুনে। মিণুৰ কলেজখন অৰ্ধ চৰকাৰী হ'ল। মিণুৱে দু পইচা পোৱা হ'ল। প্ৰবেশিকা আৰু এ.এছ. ছিত প্ৰথম স্থান অধিকাৰ কৰা মিঠুনে জীৱনত বহু কষ্ট কৰি লঘোনে ভোকে থাকিও মেডিকেল পঢ়িলে। মাধুৰ মৃত্যু যন্ত্ৰণা দেখি সিদিনাই মিণুৱে প্ৰতিজ্ঞা লৈছিল মিঠুনক ডাক্তৰী পঢ়াব তাই। গাওঁৰ মানুহে যাতে চিকিৎসাৰ বাবে মৃত্যু মুখত নপৰে। মিঠুনক ডাক্তৰী পঢ়াবলৈ গৈ মিণুৰ শৰীৰৰ প্ৰতিটো ৰক্তবিন্দু পানী হ'ল। কাৰণ কলেজখন পূৰ্ণ পৰ্য্যায়লৈ যোৱাই নাই গতিকে টকাৰ অভাৱ আছিল। মিঠুনৰ মেডিকেলৰ চতুৰ্থ বছৰত মিণুৱে বহু টকা পালে। মিঠুনে স্কলাৰছিপ কৰি আহিল।

'মিঠুন মোৰ টকাখিনিৰে তই গাওঁতে এটা ডিস-পেনসাৰী খুলি ঔষধ আদি আনি লবি, গাওঁৰ মানুহৰ চিকিৎসাৰ অভাৱ তই দূৰ কৰিবি চহৰলৈ সকলো ডাক্তৰ গুছি গলে কোনে গাওঁত চিকিৎসা কৰিব বোপাই।" —কথাষাৰ মিঠুনে সমৰ্থন কৰিছিল। মিঠুনৰ আদৰ্শত মনিয়ে সন্তোষ পাইছিল। তাই সপোন দেখে মিঠুনে নতুন ঘৰ সাজিব, তাত কণ কণ পোণা আহিব, কিমান ভাল লাগিব তাইৰ। জীৱনৰ অকুণ্ঠ পৰিশ্ৰমে জুকলা কৰি পেলাইছে তাইক। তাইৰ মূৰৰ চুলিখিনি প্ৰায়েই বগা হৈ পৰিছে। বহুতো ৰোগে আক্ৰমণ কৰিছে। ডাক্তৰৰমতে তাইৰ অৱস্থা সন্নিবাট পূৰ্ণ। বেচি দিন নেবাচে।

ঘড়ীয়ে নিশা ৫ বজাৰ সংকেত দিলে। মণিৰ চিন্তাত ব্যঘাত ঘটিল। এটি উজাগৰে নিশাই মণিৰ বিগত বহু বছৰৰ ছবিবোৰক মনৰ গোপন কথাৰ পৰা বাছি উলিয়ালে তাই বাস্তৱলৈ আহিল। বাহিৰলৈ ওলাই আহি দেখিলে নিশাৰ এন্ধাৰবোৰ আঁতৰি গৈছে সুন্দৰ ৰঙা সূৰ্য্যৰ প্ৰভাতে হাঁহিছে।

—x—

# ঃ মানৱতাবোধ আৰু ইয়াৰ প্ৰমূল্য ঃ

মিচ্ কদভানু খাতুন
উচ্চতৰ মাধ্যমিক শ্ৰেণী ২য় বাৰ্ষিক (ক'লা)

পঞ্চদশ শতিকাৰ শেষভাগত ইউৰোপত আৰম্ভ হোৱা 'নৱজাগৰণ'ৰ পটভূমিত যি এক নতুন আদৰ্শবাদে জন্ম লাভ কৰিছিল, তাকে মানৱতাবাদ বোলা হৈছিল। আদিম মানৱে যেতিয়াই জীৱন জীৱিকাৰ তাড়নাত শ্ৰমৰ সম্পৰ্কত আহিল, তেতিয়াই মানৱীয় সম্পৰ্কটো যুক্ত হ'ল আৰু মানৱতাবোধে এক নতুন ৰূপ পালে। মানৱতাবাদে মানৱ জীৱনৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিছিল। সেই সময়ৰ প্ৰসিদ্ধ লিখক সকলে (যেনে— ডান্টে, পেট্ৰাৰ্ক, বকাচিয়া) আদি প্ৰাকৃতিক ৰূপ সজ্জাৰ সপোনৰ পৰা ফালৰি কাটি তেওঁলোকৰ শিল্পকৰ্মত মানৱ জীৱনৰ সুখ-দুখ, হাঁহি কান্দোনক প্ৰতিভাত কৰিবলৈ বিচাৰিছিল। ইউৰোপৰ এই নৱ আদৰ্শবাদ পৃথিবীৰ সকলো ঠাইতে বিয়পি পৰে। ইয়াৰ অনুপ্ৰেৰণাতে আমাৰ 'প্ৰতিমাৰ'ৰ খনিকৰেও (চন্দ্ৰকুমাৰ আগৰৱালা) লিখিছিল -

"মানুহেই দেৱ মানুহেই সেৱ
মানুহ বিনে নাই কেৱ
কৰা কৰা পূজা পাদ্য অৰ্ঘলৈ
জয় জয় মানৱ দেৱ।"

মানৱতাবোধ বা মানৱ প্ৰেম এনেকুৱা শব্দই প্ৰথমেই আমাক এনে এক সমাজৰ ইঙ্গিত দিয়ে য'ত শ্ৰেণী নাই, মানুহৰ দ্বাৰা মানুহৰ শোষণ নাই। আকৌ শ্ৰেণীহীন সমাজৰ কথা ভাবিলেই মনলৈ আহে স্বাধীনতাৰ কথা। কাৰণ, স্বাধীনতা সংগ্ৰাম হ'ল ৰাজনৈতিক সংগ্ৰাম আৰু এই ৰাজনৈতিক সংগ্ৰাম একে সময়তে শ্ৰেণী সংগ্ৰাম আৰু শ্ৰেণী সংগ্ৰামৰ অৱসানৰ সংগ্ৰাম। কিন্তু স্বাধীনতাৰ কথা ভবাৰ লগে লগেই ৰাষ্ট্ৰৰ কথাও ভাবিব লাগিব। কাৰণ ৰাষ্ট্ৰ হ'ল স্বাধীনতাৰ বিপৰীত শক্তি। ৰাষ্ট্ৰৰ বিলুপ্তি

হ'লেহে প্ৰকৃত স্বাধীনতা জীৱন্ত হৈ উঠিব। লেনিনে কৈছিল "So long as the state exists there is no freedom, when there is a freedom there will be no state."

মানৱতাবাদৰ কথা কবলৈ গৈ স্বাধীনতাৰ কথা এই কাৰণেই কোৱা হ'ল যে প্ৰকৃত স্বাধীনতা নহ'লে শ্ৰেণীহীন সমাজ গঠন হব নোৱাৰে আৰু শ্ৰেণীহীন সমাজ অবিহনে মানৱতাবাদৰ বাস্তৱ ভেটিও হব নোৱাৰে। ইয়াতে এটা কথা কৈ থোৱা যাওঁক, বৰ্ত্তমান পৃথিবীত বুদ্ধিজীৱি সকলে মানৱতাবাদৰ দুটা ৰূপৰ কথা উল্লেখ কৰিছে। সেই দুটা হ'ল বুৰ্জোৱা মানৱতাবাদ আৰু সৰ্ব্বহাৰাৰ মানৱতাবাদ। বুৰ্জোৱা মানৱতাবাদে অৰাজনৈতিক মানৱতাৰ কল্পনা কৰে। এওঁলোকৰ মতে শ্ৰেণীহীন সমাজত ব্যক্তিৰ স্বাধীনতা, সততা আদিৰ ওপৰতে মানৱতাবাদৰ লক্ষণ দেখা যায়। সৰ্ব্বহাৰাৰ মানৱতাবাদে ইয়াৰ ওলোটাকৈ যুক্তি দিয়ে।

কবি যুকান্তৰ 'বোধন' নামৰ কৱিতাটোত শ্ৰেণী শত্ৰুৰ প্ৰতি তীব্ৰ ঘৃণা, ক্ৰোধ, ক্ষোভ আৰু প্ৰতিশোধস্পৃহা পৰিস্ফুট হৈ উঠিছে। ধনীক শ্ৰেণীৰ অত্যাচাৰত অতিষ্ঠ হৈ যেতিয়া শোষিত শ্ৰেণীয়ে দুঃসহ যন্ত্ৰণাত চিঞৰি উঠিছে, যেতিয়া নিঃসহায় জনগণৰ চকুত চকুলোৰ বন্যা নামিছে তেতিয়াই তেওঁৰ শিৰা উপশিৰা শ্ৰেণী শত্ৰুৰ প্ৰতি তীব্ৰ ঘৃণা, ক্ৰোধ আৰু ক্ষোভত ক্ষমাহীন হৈ জ্বলি উঠিছে।

"শোনৰে মালিক, শোনৰে মজুতদাৰ !
তোদেৰ প্ৰাসাদে জমা হ'ল কত তা মানুষেৰ হাড়
হিসাব কি দিবি তাৰ ?
পিয়াকে আমাৰ কেড়েছিস তোৰা
ভেঙেছিস ঘৰবাড়ী
সে কথা কি আমি জীৱনে মৰণে
কখনো ভুলতে পাৰি ?
আমি হিংস্ৰ মানবিকতাৰ যদি আমি কেউ হই
স্বজন হাৰানো শ্মশানে তোদেৰ
চিতা আমি তুলবই।
শোনৰে মজুতদাৰ
ফসল ফলানো মাটিতে ৰোপন
কৰব তোকে এবাৰ।" (বোধন যু, স, পৃঃ ৭৪)

যুকান্তৰ ওচৰত শ্ৰেণী শত্ৰুৰ ক্ষমা নাই। সেয়ে তেওঁ বিস্মিত হৈছে—যেতিয়া মুখৰ শেষ গৰাহ কাঢ়ি নিয়া শোষক শ্ৰেণীক শ্ৰমজীৱি জনগণে ক্ষমা কৰিছে। শত্ৰুক ক্ষমা কৰা মানেই হ'ল নিজৰ বিপদ নিজে চপাই লোৱা। অন্যায় অত্যাচাৰ দেখি শুনিও যদি কোনো প্ৰতিবাদ কৰা নহয় তেনেহলে সেই অন্যায় অত্যাচাৰকে সমৰ্থন কৰাটোকেই বুজা যায়। কিন্তু শ্ৰমজীৱি জনগণে অন্যায় অত্যাচাৰক সমৰ্থন নকৰে নিশ্চয়। তেওঁ কৈছে যে শ্ৰমজীৱি জনগণে অন্যায় অত্যাচাৰ সহ্য কৰি শোষক শ্ৰেণীক ক্ষমা কৰি অন্যায় কৰিছে। কিয়নো সিহঁতৰ অন্যায় অত্যাচাৰক ক্ষমা কৰি থকাৰ বাবেই সিহঁতৰ অন্যায় অত্যাচাৰ প্ৰবল হৈ উঠিছে।



বৰ্ত্তমান যুগ ক্ষয়িষ্ণু পুঁজিবাদৰ পতনৰ যুগ সমাজতন্ত্ৰ প্ৰতিষ্ঠাৰ যুগ। জিবাদৰ সূৰ্য্যাস্তৰ সময় নিচেই সন্নিকট, সমাজতন্ত্ৰৰ ৰক্তিম সূৰ্য্যোদয় হবলৈ আৰু বেছি সময় নাই। এই সময়তে কবিয়ে দুৰ্ভিক্ষৰ অন্তিম কবৰো দেখা পাইছে, সেয়ে তেওঁ প্ৰতিজ্ঞা কৰিছে—

"এ মাটিতে জন্ম দেব আমি
অগণিত পল্টন ফসল।" (কৃষকেৰ গান, স. পৃ ৮২) বিশ্বৰ মেহনতি জনগণৰ ওপৰত যুগ-যুগ ধৰি চলি অহা দমন নিপীড়ন, শোষণ নিৰ্য্যাতনৰ বিৰুদ্ধে প্ৰতিবাদ স্বেচ্ছায় হৈ উঠিছে আৰু এই অন্যায়ৰ প্ৰথম প্ৰতিবাদকৰ্ত্তা লেনিন। কবিৰ ভাষাত, অন্যায়েৰ মুখোমুখি "লেনিন প্ৰথম প্ৰতিবাদকৰ্ত্তা।" শোষিত শ্ৰেণীৰ অন্যতম আৰু একনম্বৰ শত্ৰু পুঁজিবাদ ক্ৰমাগতভাৱে শ্মশানযাত্ৰী কৰ্কটৰোগীৰ দৰে শেষ হৈ আহিছে। মুখাগ্নাৰী শোষক শ্ৰেণীৰ তৰ্জ্জন গৰ্জ্জন আজি স্তব্ধ চকুত দীপ্তমান মৃত্যুচিহ্ন।

অত্যাচাৰ, অবিচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহী কবি নজৰুল ইচলামে বিদ্ৰোহ ঘোষণা কৰিছিল। য'তেই অত্যাচাৰ ত'তেই কবিৰ বীণা ধ্বনি ৰূপান্তৰিত হৈছিল অগ্নি-বীণাৰ বজ্ৰ ঝংকাৰত; য'তেই অবিচাৰ তাতেই কবিৰ বজ্ৰ লিখনিয়ে গৰ্জ্জন কৰি উঠিছে।

সামাজিক অসাম্যতাৰ বিৰুদ্ধেও কবি আছিল বিদ্ৰোহী। তেওঁ মনে প্ৰাণে আশা কৰিছিল যে দেশত এনে এক শ্ৰেণীহীন সমাজ ব্যৱস্থা প্ৰচলিত হব, যি সমাজ ব্যৱস্থাত দেশৰ দৰিদ্ৰ জনসাধাৰণে শোষক শ্ৰেণীৰ শোষণৰ পৰা মুক্ত হৈ প্ৰকৃত মানুহৰ দৰে জীৱন যাপন কৰিব পাৰিব। ৰুছ বিপ্লৱৰ প্ৰভাৱৰ ফলতেই কবিৰ মনত এই সাম্যবাদী চিন্তা ধাৰাই বিকাশ লাভ কৰিছিল। শোষক শ্ৰেণীৰ বিৰুদ্ধে তেখেতে লিখিছে—

"প্ৰাৰ্থনা কৰো যাৰা কেৰে খায় তৈত্ৰিশ
কোটি মুখেৰ গ্ৰাস,
যেন লেখা হয় আমাৰ ৰক্ত লেখায়
তাদেৰ সৰ্ব্বনাশ।"

কবিৰ মানস চকুত ভাহি উঠিছিল শ্ৰেণীহীন, শোষণহীন এক নতুন সমাজ। সেয়েহে তেওঁ আবেগময় ভাষাৰে ৰচনা কৰিছিল—

"আমৰা সৃজিত নতুন জগৎ, আমৰা
গাহিব নতুন গান।"

শোষক শ্ৰেণীৰ প্ৰতি আছিল কবিৰ অপৰি—সীম ঘৃণা, আৰু সেই ঘৃণাৰেই স্ফুলিঙ্গ দেখা যায় তেওঁৰ সাম্যবাদী কবিতা বিলাকত। তেওঁৰ সাম্যবাদী কবিতা বিলাক আছিল এনে ধৰণৰ—

"গাহি সাম্যেৰ গান—
এখানে আসিয়া এক হয়ে গেছে সব ব্যৱধান।
যেখানে মিসেছে হিন্দু, বৌদ্ধ, মুসলীম, কিশান।
গাহি সাম্যেৰ গান।"

শ্ৰেণীহীন সমাজত মানবীয় সম্পৰ্কৰ ৰূপ কেনেকুৱা হয় ? এই প্ৰশ্নৰ উত্তৰ দিয়াৰ আগতে আমি এটা কথা কব লাগিব যে শ্ৰেণীহীন সমাজ ব্যৱস্থাৰ প্ৰথম স্তৰৰ এটা ৰূপ আমি ইতিমধ্যে পৃথিবীত দেখিবলৈ

পাইছোঁ। ৰুচিয়া, চীন, ভীয়েৎনাম, কোৰিয়া আদি দেশবোৰত যি সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰা হৈছে, সেইবোৰ দেশৰ সমাজ ব্যৱস্থাই আমাক ভৱিষ্যতৰ এক নতুন ৰাজ্যৰ ইঙ্গিত দেখুৱাইছে।

অৱশ্যে শ্ৰেণীহীন সমাজে এনে কোনো আশ্চৰ্য্যজনক অৱস্থা নুবুজায় য'ত কোনোৱে কাৰো লগত কাজিয়া নকৰিব বা সিহঁতৰ মাজত মতভেদ নহব বা এজনে আনজনক নঠগাব বা আঘাত নকৰিব নাইবা সকলোৱে সমান বুদ্ধিমান হব আৰু উদাৰ হব আৰু মানুহৰ মুৰ্খামিয়ে কোনো দিনেই মানুহৰ কৰ্ম প্ৰচেষ্টাক নষ্ট নকৰিব। শ্ৰেণীহীন সমাজৰ লক্ষ্য হ'ল ইয়াত বঞ্চনা আৰু বস্তুগত অভাৱৰ উচ্ছেদৰ লগে লগে সামাজিক অন্যায়, শোষণ আৰু বিৰোধ কৰ্মকৰ্ত্তা বিলাকৰ ধৃষ্টতা পুৰ্ণ একঘেয়েমী আৰু সম্পদৰ গৌৰব শেষ হৈ যাব।

মানুহে মানুহক শোষণ কৰা, বঞ্চনা কৰা, নিজৰ সুবিধা লাভৰ বাবে আনক ব্যৱহাৰ কৰা আদি এই যে অমানৱীয় কাৰ্য্যকলাপবোৰ আমাৰ সমাজত চলি আহিছে, এইবোৰৰ মুল কাৰণ বিচাৰি বহুতেই মানুহৰ নৈতিক অধঃপতনৰ দোহাই দিয়ো আচলতে নৈতিকতাও সমাজৰ সৃষ্টি আৰু য'ত শ্ৰেণীভেদ বৰ্ত্তমান আৰু সমাজত এক শ্ৰেণীৰ স্বাৰ্থই কৰ্ত্তৃত্ব কৰে। উপদেশত কোৱা হয় - তুমি অইনৰ পৰা যেনে ব্যৱহাৰ আশা কৰা, তুমি অইনৰ সৈতে তেনেকুৱা ব্যৱহাৰ কৰিবা, তুমি যদি বিচৰা অইনে তোমাৰ প্ৰতি দয়ালু, সহানুভূতিশীল আৰু সুবিবেচক হওঁক, তেতিয়া তুমিও সেইমতে অৱশ্যে কৰিব লাগিব। সেয়ে ধৰ্মগুৰু সকলে এই বিলাক উপদেশ দিয়াৰ লগে লগে এখন স্বৰ্গৰাজ্য অৰ্থাৎ শ্ৰেণীহীন সমাজৰো কল্পনা কৰিছিল।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় সাম্যবাদী মানৱতাবাদৰ লক্ষ্য হ'ল সেইবিলাক ব্যক্তিগত সম্পৰ্ক প্ৰতিষ্ঠা কৰা যাৰ মাজত মানুহে নিজৰ মানৱীয় প্ৰয়োজন পুৰাবৰ বাবে বৈজ্ঞানিক ক'লা কৌশলৰ সমস্ত প্ৰকাৰৰ সুযোগ সুবিধাৰ বিকাশ কৰিব পাৰে আৰু তাৰ ওপৰতে ভিত্তি কৰি যি মানৱীয় ক্ষমতাৰ বিকাশ নিজেই নিজৰ লক্ষ্য স্বতন্ত্ৰ ব্যক্তি হিচাপে স্বাধীনভাৱে তাক উপভোগ কৰিব পাৰে। সেয়ে দেখা গৈছে সমস্ত মানৱতাবাদী দৰ্শনে যি কৰিবলৈ বিচাৰিছে অৰ্থাৎ মানুহ হিচাপে মানুহৰ জীয়াই থকা চৰ্ত্তৰ পৰিপেক্ষিততে মুল্য বিচাৰকে সাৰ্থক কৰা সাম্যবাদ তাকেই কাৰ্য্যকৰী কৰে।

---

তলত উল্লেখ কৰা পুথি সমুহৰ সহায়ত যুগুত কৰা হৈছে।

১। মাক্স বাদ আৰু মানৱীয় মুল্যবোধ।
২। 'কবি' যুকান্তৰ 'বোধন' কবিতা।
৩। কবি 'নজৰুল ইচলাম'ৰ কবিতা।
৪। লেনিনৰ পুথি।



# ঃ এটি প্ৰেমৰ কথা ঃ

আব্দুল হামিদ
টি, ডি, ছি, প্ৰথম বাৰ্ষিক
( কলা শাখা )

বিশ্ব সাহিত্যত হেজাৰ বিজাৰ প্ৰেমৰ কাহিনী আছে। সেইবোৰৰ ভিতৰত দুটা কাহিনী সকলোৰে পৰিচিত। "লয়লা মজনুৰ" প্ৰেমৰ কাহিনী "ৰোমিও জুলিয়েটৰ" প্ৰেমৰ কাহিনী। বিশেষকৈ ৰোমিও আৰু জুলিয়েটৰ প্ৰেমৰ কাহিনী সকলোৰে মুখে মুখে। কিন্তু এই কাহিনী মহান নাট্যকাৰ ছেক্সপিয়েৰৰ কল্পনাৰ সৃষ্টি নেকি? মহাকবি কালিদাসে তেওঁৰ অমৰ গ্ৰন্থ "অভিজ্ঞান শকুন্তলাৰ" মূল কাহিনী ভাগ গ্ৰহণ কৰিছে মহাভাৰতৰ পৰা। মহাভাৰতত উল্লেখ থকা শকুন্তলা আৰু দুষমন্তৰ প্ৰেম কাহিনীৰ জকা এটিত তেজ্ঞ মঙহৰ সৌষ্টৱতাৰে নতুন গঢ় দি প্ৰাণ প্ৰতিষ্ঠা কৰিলে মহাকবি কালিদাসে। সেইদৰে মহাকবি নাট্যকাৰ ছেক্সপিয়েৰেও তেওঁৰ যুগান্তকাৰী নাটক 'ৰোমিও আৰু জুলিয়েট' ৰচনা কৰিছে পুৰণি কাহিনী এটাৰ ভিত্তিকালৈ।

বহু শতাব্দী আগৰ কথা সভ্যতাৰ প্ৰথম ৰাগেৰে ৰঞ্জিত বেবিলন চহৰৰ এটি সকৰুণ ইতিহাস। তাহানিৰ বেবিলনীয় স্থাপত্য ভাস্কৰ্য্যৰে গঢ়ি তোলা দুটা সুবৃহৎ অট্টালিকা। এই অট্টালিকা দুটাতে বাস কৰে দুটা উচ্চ বংশৰ পৰিয়াল। দুয়ো বংশৰ মাজত বংশ পৰম্পৰা বিবাদ ঘোৰ শত্ৰুতা। সেই দেখি দুয়ো পৰিয়ালক এখন সু-উচ্চ দেৱালে পৃথক কৰি ৰাখিছে। দুয়ো পৰিয়ালৰ কেতিয়াবা দেখা দেখি হলেই কটা মৰা ৰক্তপাতৰ সৃষ্টি হয়। কিন্তু ভগৱানৰ ইচ্ছা বৈচিত্ৰময়। তেওঁৰ ৰাজ্যত পাপীৰ নিস্তাৰ নাই। ঈশ্বৰে এই দুই পৰিয়াল অহংকাৰ চূৰ্ণ কৰিলে, কঠোৰ শাস্তি বিহিলে। এঘৰৰ একমাত্ৰ ৰূপহী গাভৰু থীছবী আৰু আন ঘৰৰ একমাত্ৰ সন্তান ৰূপহ ডেকা পাইৰামাছ। শৈশৱৰ কোনোবা ক্ষণত ধাত্ৰীৰ কোলাৰ পৰাই দুয়ো ঘৰৰ গৱাক্ষৰ মাজেৰে দুটি স্বৰ্গীয় শিশুৰ চাৰি চকুৰ মিলন হ'ল। সময়ত এই অহেতুক পবিত্ৰ মৰম চেনেহেই যৌৱনৰ আশা-আকাংক্ষাৰে ভৰা স্বপ্নময় প্ৰেমৰ ৰঙীন দিগন্ত লৈ পামি মেলিলে পৰস্পৰে পৰস্পৰক। জীৱনৰ সঙ্গীৰূপে পাবলৈ উৎকণ্ঠিত হৈ পৰিল। কিন্তু সেইটো জানো সম্ভৱ। ধাত্ৰীৰ মুখেৰে সিহঁতৰ অন্তৰৰ ইচ্ছা প্ৰকাশ কৰা হ'ল অভিভাৱকৰ ওচৰত। অসম্ভৱ! কেতিয়াও

হব নোৱাৰে অভিভাৱক গৰ্জ্জি উঠিল ।

তুখনি পৱিত্ৰ হিয়াৰ আশা আকাঙ্খা ব্ৰজ্রঘাত হল । ভবিষ্যতৰ সকলো সোণালী কল্পনা জহি যোৱা দেখি পাইৰামাছ আৰু থীছবীৰ অন্তৰ শোক আৰু বিবাহৰ তীব্ৰ জ্বালাত দগ্ধভুত হব ধৰিলে ।

পাইৰামাছ আৰু থীছবীৰ প্ৰেমত কলংক নাই, পাপ নাই । সিহঁতৰ পৱিত্ৰ প্ৰেম স্বৰ্গীয় । সেইদেখি সিহঁতৰ প্ৰেমত ভেটা বান্ধিব নোৱাৰিলে সিহঁতৰ অভিভাৱকে । প্ৰেমৰ দুৰ্ব্বাৰ সোঁতত সিহঁতৰ অভিভাৱকৰ তৰ্জন গৰ্জন উটুৱাই দিলে । তুয়ো ঘৰৰ মাজত থকা উচ্চ দেৱালখনৰ এটা আছিল ডাঙৰ ফাঁট । সেই ফাঁটটোৰেই সিহঁতে সকলোৰে চকুত ধূলি দি উভয়ে উভয়ক লাভ কৰাৰ আলোচনা কৰিব ধৰিলে । দিনৰ পিছত দিন পাৰ হৈ যায় পাইৰামাছ আৰু থীছবীয়ে কিন্তু মিলনৰ কোনো উপায় বিচাৰি নাপায় । অথচ দিন যোৱাৰ লগে লগে প্ৰেমৰ দুৰন্ত জোৱাৰত তুয়ো হাবু-ডুবু খাই অস্থিৰ হৈ পৰে । বিশেষত: ঘৰত যেতিয়া থীছবীৰৰ বিয়াৰ কথা আলোচনা হয় থীছবী তেতিয়া ভয়ত প্ৰায় সংজ্ঞা হেৰুৱাই পেলায় । শেষত আন উপায় থিৰাং কৰিব নোৱাৰি উভয়ে এদিন জোনাক নিশা ঘৰৰ পৰা পলাই যোৱাটো থিৰাং কৰিলে । সিহঁতৰ গাওঁখনৰ কিছুদূৰত এখন হাবি আছে । সেই হাবিৰ মাজত এজোপা জামু গছত পৰস্পৰক লগ ধৰিবলৈ থিৰাং কৰিলে - কিন্তু সেইটো জানো সম্ভৱ ? চৌপাশে সু-উচ্চ দেৱাল আৰু তুৱৰী প্ৰহৰী আদিৰে বেষ্টিত অট্টালিকাৰ পৰা নিশ পলাই যোৱাটো থীছবীৰৰ কাৰণে কেনেকৈ সম্ভৱ হব পাৰে ? কিন্তু পাৰিলে প্ৰেমৰ তুৰ্দ্দমনীয় শক্তিয়ে সকলোকে পৰাভূত কৰিলে ।

পিছদিনা সন্ধিয়া সকলো ঘৰ চাপিছে । আকাশৰ পৰা স্নিগ্ধ পোহৰে পৃথিবীখন আৱেগময় কৰি তুলিছে । সেই সময়তে সকলোৰে চকুত ধুলি দি ঘৰৰ পৰা ওলাই গল থীছবী । বুকুত ভয়, প্ৰাণত অস্থিৰতা হিয়াৰ আবেগ, ভৰিৰ খোজত চঞ্চলতা তাৰ মাজেদি থীছবীয়ে গৈ বনৰ মাজত জামু গছৰ তলত উপস্থিত হলগৈ । কিন্তু ই-কি সেয়া যে কালন্তক সিংহ ? গছৰ তলেৰে বৈ যোৱা নিজৰাটোত নামি পানী খাব ধৰিছে । এতিয়া কি কৰা যায় ? কলৈ যাব কলৈ পলাব ? ভয়ত বিব্ৰত হৈ থীছবীয়ে দৌৰি গৈ ওচৰৰ গুহা এটাত লুকাল । থীছবীৰ গাৰ চাদৰখন তাতেই পৰি ৰল । অলপ পাছত পানী খাই উঠি সিংহটোৱে তাত পৰি থকা চাদৰখন তেজেৰে লুতুৰি পুতুৰি হৈ থকা মুখ আৰু ভৰিৰে ফালি চিৰি গুছি গল ।

কিছু সময়ৰ পাছত পাইৰামাছ স্থ-প্ৰভাৱে আহি সেই ঠাইত উপস্থিত হল । আহিয়ে থীছবীক নেদেখি তেওঁ হতাশ হৈ পৰিল । তেনেহলে থীছবী নাহিব নেকি ? থীছবীয়ে তেওঁক ছলনা কৰিলে নেকি ? জ্ঞানী লোকে কয় — তিৰোতাক বিশ্বাস কৰা ভুল । কিন্তু ই-কি ! কাষত এয়া কি ? তেজত লুতুৰি পুতুৰি হৈ থকা এই চাদৰখন যে থীছবীৰ তেনেহলে থীছবীয়ে মোতকৈ বহুত আগত ইয়ালৈ আহিছিল । আৰু এয়া কি ? জীপাল মাটিত এয়া যে বনৰীয়া সিংহৰ খোজ । তেনেহলে পাইৰামাছৰ প্ৰাণৰ থীছবী সিংহৰ গৰাহত পৰিছে । পাইৰামাছে থীছবীৰ চাদৰৰ টুকুৰাবোৰ হাতত লৈ অজ্ঞান হৈ পৰিল । তেওঁ ভাবিলে তেওঁৰ কাৰণে বহুত আগতে আহি ৰখি থকাৰ কাৰণেহে থীছবীক সিংহই খাবলৈ পালে । থীছবীৰ কোমল মঙহত সিংহৰ কৰাল দাঁতৰ আঘাতৰ কথা ভাবি পাইৰামাছ অস্থিৰহৈ পৰিল । তেওঁ প্ৰাণৰ মমতা হেৰুৱাই পেলালে আৰু কঁকালৰ পৰা তৰোৱালখন উলিয়াই নিজৰ বুকুত বহুৱাই ললে ।

ঠিক সেই সময়ত থীছবীয়ে ভয় ভয় কৈ পুনৰ আহি সেই ঠাইত উপস্থিত হল । কিন্তু তেওঁ আহি কি দেখিলে ! কোন সেইজন ৰূপহ ডেকা ৰক্তাক্ত হৈ গছৰ তলত পৰি আছে ? তেওঁৰ প্ৰাণৰ পাইৰামাছ নহয়তো ? হয়, তেওঁৰ জীৱনৰ সৰ্ব্বস্ব পাইৰামাছেই । থীছবী তেনেই মুছ ছ গল । তাৰ পাছত সংজ্ঞা পাই পাইৰামাছৰ মূৰটো কোলাত লৈ হিয়াধুনি কান্দিলে, মূৰৰ চুলি আঙুৰি শেষ কৰিলে, বুকুৰ মঙহ নিজে নিজে কামুৰি চিঙি পেলালে আৰু পাইৰামাছৰ শেঁতা উঠত আকুল ভাৱে চুমা খাব ধৰিলে । হঠাৎ থীছবীৰ চকুত পৰিল যে তেওঁৰ চাদৰখন তেজেৰে ৰাঙলি হৈ পাইৰামাছৰ হাতত আছে । থীছবীৰ আৰু বুজিবলৈ বাকী নাথাকিল যে, তেওঁক সিংহই খোৱা বুলিয়েই পাইৰামাছে আত্মহত্যা কৰিলে । থীছবীয়ে আৰু থিৰে থাকিব নোৱাৰিলে । তেওঁৰ কাৰণেই তেওঁৰ প্ৰাণৰ প্ৰিয়তম, হৃদয় দেৱতা পাইৰামাছ হেৰাই গল । তেওঁ জীয়াই থাকিব কাৰ কাৰণে ? কাষত পৰি থকা পাইৰামাছৰ তৰোৱালখন নিজৰ বুকুত বহুৱাই প্ৰাণ ত্যাগ কৰিলে । এইদৰে পৃথিবীৰ বুকুৰ পৰা তুটি তুৰ্ভগীয়া 'প্ৰেমিক-প্ৰেমিকা' চিৰদিনৰ কাৰণে হেৰাই গ'ল ।

—x—

# ঃ সেই মুখ সেই হাঁহি ঃ

Rustam Ali Ahmed
T. D. C. 1st year Class.
Roll No— 34

: মোক এতিয়াও সরু ছোৱালী যেন ভাবিছেনেকি ? সেই বাবেই কৈছোঁ, তুমি এতিয়াও সৰুই থকা নাই। তিনিটা সন্তানৰ মাতৃ হৈছা। গতিকে ভাবি-চিন্তি চলিব লাগে

: ভাবিবলৈ মোৰ একেবাৰেই নাই। আপুনিহে কিছুমান কথা ভাবি লৈছে। মোক কিবা তেনেকুৱা পাইছেনেকি ?

: তথাপি অলপ সাৱধান হ'ব লাগে। (বাহিৰৰ মানুহে) সমাজে দেখিলে কি ভাবিব ?

: (মানুহক সমাজক ভাবিবলৈ দিয়ক। মই সেইবোৰ কথালৈ কেৰেপ নকৰোঁ।।

: তুমি কেৰেপ নকৰিলেই মোৰ হলে বৰ ভয় লাগে। সেইহে কৈছোঁ। অৰূপৰ লগত তেনেকৈ হলি-গলি নকৰিবা।)

: আপুনি যিমানেই নকওক। নকওক। দহজনে যিমানেই নকওক কিয়— মই তাৰ লগত হলি-গলি কৰিমেই।

: পুনৰ তুমি তাকেই কৈছা তুলু।

: কমেই এশবাৰ কম— হাজাৰবাৰ কম। মই তেনেকুৱা নহওঁ। মোক সেইবোৰ কৈ বিৰক্ত নকৰিব। মই এতিয়াও নজনা নহওঁ। অৰূপ মোৰ বাল্য বন্ধু— সি মোৰ লগত একে লগে পঢ়িছিল। আমাৰ ঘৰৰ ওচৰতে তাৰ ঘৰ। গতিকে তাক মাতিমেই। তাৰ লগত হাঁহি-ধেমালি কৰিমেই।

তুলিকাৰ কথাত বিপুলৰ মনটো সেমেকি যায়। এজনী নাৰীয়ে স্বামীৰ ওচৰত কৰা প্ৰতিজ্ঞা— ই তেনেই সাধাৰণ নহয়। বিপুলে জানে যে অৰূপক আশ্ৰয় দিয়া বাবে তেওঁৰ সন্মানত আঘাত লাগিছে। খোলা-খুলি ভাবে কোনেও তেওঁক কবলৈ সাহস নকৰিলেও পৰোক্ষ ভাৱে তেওঁ বহু কথাই শুনিবলৈ পাইছে। বিবাহিতা তিৰোতা এজনী হৈ তুলিকা সেইবোৰ কাম কৰিব নালাগিছিল। আজি তেওঁ তিনিটা সন্তানৰ মাতৃ। তেনেস্থলত অৰূপৰ লগত হাঁহি-ধেমালি কৰাটো কোনো স্বামীয়েই সহ্য কৰিব নোৱাৰে।

হব পাৰে অৰূপ তুলিকাৰ বাল্যবন্ধু। পঢ়িব পাৰে দুয়োজনে একেখন স্কুলৰ একেটা শ্ৰেণীত ; কিন্তু বিয়া হোৱাৰ পিচতো যদি সেই তুলিকাৰ চৰিত্ৰৰ অলপো তাৰতম্য নঘটে, তেনেহলে তেওঁৰ স্বামী বিপুলে সেই দৃশ্যবোৰ চাই সহ্য কৰিব ?

চঞ্চলমতীৰ তুলিকাই আনৰ লগত কথা-বাৰ্ত্তা হোৱাৰ দৰেই অৰূপৰ লগতো হৈছিল। অৰূপে মাজে সময়ে খবৰ লৈছিল তুলিকাহঁতৰ। দুই-এদিন থাকি গুচি গৈছিল। সেইবোৰলৈ বিশেষ গুৰুত্ব দিয়া নাছিল বিপুলহঁতে। তুলিকাৰ মনত অৰূপ যেন এখনি পষেকীয়া বাতৰি কাকত হে।

প্ৰকৃততে তুলিকাৰ আপোন বুলিবলৈ কোনো নাছিল। ডাঙৰ হোৱাত হে তেওঁ সেই কথা বুজি পাইছিল। আকাৰ-ইঙ্গিততে তেওঁ বহু কথাই বুজিছিল-- স্কুলত পঢ়া অৱস্থাত। ধৰ্মদত্ত মহন্ত যে তেওঁৰ নিজা বাপেক নহয় সেই কথাৰ উমান পাইছিল তুলিকাই। কিন্তু প্ৰকাশ কৰিবলৈ টান পাইছিল। একেটি ঘৰতে থকা ল'ৰা-ছোৱালীৰ প্ৰতি বাপেকে যি ব্যৱহাৰ কৰিব লাগে ধৰ্মদত্ত মহন্তও তাকেই কৰিছিল। কিন্তু মাকহঁতৰ ফালৰ পৰাহে আপত্তি উঠিছিল। ভাল বস্তু অকণ পালেই তুলিকাক নিদি বাকী কেইটিক দিয়াটো লক্ষ্য কৰিছিল তেওঁ। তাৰ বাবে তুলিকাই কোনোদিন আপত্তি কৰা নাছিল। তেতিয়াৰ পৰাই অতিকৈ আপোন ভাৱিছিল অৰূপক। সৰু কালৰ স্নেহ, প্ৰীতিৰ বান্ধন সবাতোকৈ কঠিন।

অৰূপ ধৰ্মদত্তহঁতৰ ঘৰৰ ওচৰৰ ল'ৰা। সৰুতে একেখন স্কুলতে পঢ়িছিল। তুলিকাই অৰূপক বৰ মৰম কৰিছিল। অৰূপেও তুলিকাক বাইদেউ সম্বোধনেৰে মাতিছিল। কাৰণ তুলিকা অৰূপতকৈ বয়সত অকণমান ডাঙৰ আছিল। অৰূপ তল শ্ৰেণীত পঢ়িছিল যদিও তুলিকাই তেওঁক সঙ্গী হিচাবে লৈছিল। গতিকে স্নেহৰ অৰূপক তুলিকাই কেতিয়াও পাহৰিব নোৱাৰে। অৰূপ তুলিকাৰ বাল্যবন্ধু।

তুলিকা এজনী সদবংশৰ ছোৱালী। ঠিক ধৰ্মদত্ত মহন্তৰ দৰে উচ্চ বংশজাত তুলিকাৰ বাপেকৰ নাম আছিল ৰঘুনাথ অধিকাৰী। ঘৰ মাজুলীৰ কমলাবাৰীত। আজি ৰঘুনাথ অধিকাৰীৰ ঘৰৰ চিন-চাব নাই। বহু বছৰ আগতেই সেই চনবাৰীত নতুনকৈ পকীঘৰ সজাইছে কোনোবা ঠিকাদাৰ এজনে।

কালৰ কৰাল গ্ৰাসত পৰিয়ালৰ গোটেই-কেইজনে এদিন একেটা সময়তে ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰাণ বিসৰ্জন দিছিল। বাকী থাকিল তুলিকা।

ধৰ্মদত্ত মহন্তই তুলিকাক পোহ পাল দি ডাঙৰ দীঘল কৰিছিল। ধৰ্মদত্তৰ নিজা ছোৱালী সন্তান নাছিল। তিনিটি ল'ৰা। ভায়েকহঁতৰ অৱশ্যে ল'ৰা-ছোৱালী আছিল। তথাপি দান আৰু পুণ্য দুয়োটাই আৱশ্যক ভাবি তেওঁ তুলিকাক নিজৰ সন্তানৰ নিচিনাকৈ ঘৈণীয়েকৰ হাতত অৰ্পন কৰিলে। সেইদিন ধৰি তুলিকাৰ মাক-দেউতাক তেওঁলোক হ'ল। পিচদিনা বাতৰি কাকতত ডাঙৰ ডাঙৰ হৰফেৰে ৰঘুনাথ পণ্ডিত আৰু তেওঁৰ পৰিয়ালৰ করুণ মৃত্যু সংবাদ প্ৰকাশিত হৈছিল।

ধৰ্মদত্ত মহন্তৰ ঘৰত তুলিকা ডাঙৰ হবলৈ ধৰিলে। আন ল'ৰা ছোৱালীৰ দৰেই তুলিকাক সকলোৱে মৰম কৰে। ধৰ্মদত্ত মহন্তই তুলিকাক স্কুলত নাম ভৰ্ত্তি কৰি দিলে। তুলিকাই মনোযোগেৰে পঢ়িবলৈ ধৰে।

প্ৰাইমাৰী স্কুলৰ শেষ পৰীক্ষা পাছ কৰিছিল তুলিকাই। তাৰ পিছত ছোৱালী হাইস্কুলত নাম লগাই দিছিল।

হাইস্কুলতো পঢ়িবৰ কেইবাবছৰ হ'ল. তেওঁ তেতিয়া নৱম মান শ্ৰেণীৰ ছাত্ৰী। সকলো ছাত্ৰীয়ে মিলি-জুলি সেইবেলি তুলিকাক স্কুল আলোচনীৰ সম্পাদিকা কৰি দিলে। তুলিকা পঢ়াত তিমান ভাল নাছিল। মধ্যম ধৰণৰ ছাত্ৰী আছিল। কিন্তু প্ৰতিটো শ্ৰেণীতে অসমীয়া বিষয়ত সবাতোকৈ বেছি নম্বৰ পাই আহিছিল। অসমীয়াত হাত থকা বাবে তুলিকাক সম্পাদিকা পাতিলে।

স্কুল আলোচনী এখনৰ সম্পাদিকা হৈ তুলিকাৰ জুলুম হে হ'ল। সেই কেই মাহ পঢ়াত মন দিব নোৱাৰা হ'ল। সকলো ছাত্ৰীৰ পিছে পিছে ঘূৰি ফুৰোতেই গ'ল। আলোচনী এখনৰ গল্প, প্ৰবন্ধ, কবিতা আদি গোটোৱা কামটো তিমান সহজ নহয়। বাইদেউহঁতেও তুলিকাৰ ওপৰত সমস্ত ভাৰ জাপি দি সান্ত্বনা লভিছিল। তুলিকাৰ দৰে ছোৱালী এজনীয়ে যথা-যথভাৱে পৰিচালনা কৰিব পাৰিব। কেৱল দুটা এটা উপদেশ দিলেই হ'ল।

তুলিকাই গল্প, প্ৰবন্ধবোৰত নিজে



একোবাৰ চকু ফুৰাইহে বাইদেউহঁতক সেইবোৰ চাবলৈ দিছিল। প্ৰকাশৰ অযোগ্যবোৰ তুলিকাই নিজেই নাকচ কৰিছিল। কিন্তু তাৰ বাবে তুলিকাই বহুতৰ বহু কথাই শুনিব লগাত পৰিছিল। আলোচনীখন ছপাই উলিওৱাৰ ভাৰ তুলিকাৰ আছিল। এদিন শইকীয়ানী বাইদেউ আৰু তুলিকা দুজনী সহকাৰী শিক্ষয়িত্ৰীৰে সৈতে যোৰহাটৰ এটি ডাঙৰ প্ৰেছলৈ গৈছিল। তুলিকাক প্ৰেছৰ কাৰ্য্যাধ্যক্ষৰ লগত চা-চিনাকি কৰি দিছিল আৰু কিছু টকা আগধন হিচাপে দি আহিছিল। বাইদেউহঁতৰ কৰ্ত্তব্য সেইখিনিতে সমাপ্ত। অৱশিষ্ট কামখিনি তুলিকাই কৰিব লাগিব। সেই দিনাৰ পৰা তুলিকাই দিনত এবাৰ প্ৰেছলৈ যাবই। প্ৰেছ-কৰ্মচাৰী সকলেও মনোযোগেৰে কামত হাত দিছিল। কাৰণ এওঁলোকে জানিছিল যে আলোচনীখন বহুদিন আগতেই ছপা হৈ ওলাব লাগিছিল।

অপ্ৰত্যাশিত ভাবেই এদিন তুলিকাই বিপুল বৰুৱাৰ লগত কথা বতৰা হব লগাত পৰিছিল। সেইদিনাই প্ৰেছৰ কাৰ্য্যাধ্যক্ষই বিপুলক বাহিৰত দেখা মাত্ৰকেই মাতিলে—

আহক বৰুৱা, আৰু এটি লগ পাইছো। বিপুলে ভিতৰ সোমাই চকীখনত বহি লৈ কলে— আপোনাৰ কথাটো ঠিক বুজা নাই।

: এওঁক যে দেখিছে— স্কুল আলোচনীৰ সম্পাদিকা এওঁ। আপোনাৰ দৰেই আহিছে।

: ও নমস্কাৰ।

: নমস্কাৰ।

: আপুনি ছোৱালী হাইস্কুলত পঢ়ে নেকি ?

: হয়।

: ইয়াত ছপাবলৈ দিলে নেকি ?

: হয়।

কিন্তু এটি কথা আপোনাক গুপুতে কৈ থওঁ। প্ৰেছবোৰ বৰ সাংঘাতিক। আপুনি যদি সদায় আহি এখেত সকলক বিৰক্ত কৰিব পাৰে তেনেহলে কাম আদায় হব। অন্যথা নহব। মই তিনিমাহ আগতে দি এতিয়ালৈ জুলুম ভোগ কৰি আছোঁ - বুজিছে ? : এখেত সকলে সোনকালে কৰি দিম বুলি কৈছে দেখোন— কিবা কৰে। : কি কৰিব আৰু। ঘৰত বহি থাকি যদি এখেত সকলৰ ওপৰত নিৰ্ভৰ কৰে, তেনেহলে আপোনাৰ আলোচনী যে অহা বছৰতো নোলাব ই ঠিক।

: নহয়; মই, মই সদায়েই আহিম। স্কুল ছুটীৰ পিছতে মই ইয়ালৈ আহিম।

: তেনেহলে সোনকালে হব পাৰে। প্ৰুফ আপুনিয়েই নাচাব জানো ? : চাবলৈ নাজানো— কিন্তু চাব লাগিব। মইয়েই দেখুৱাই দিলে পাৰিম। : দেখুৱাবলৈ বা শিকাবলৈ একো নাই। কেইটামান সঙ্কেত চিহ্ন জানি ললেই হব। কেৱল বৰ্ণাশুদ্ধিৰ কথাটো নিজৰ !

কথা প্ৰসঙ্গত এদিন তুলিকাক কৈ পেলালে – :আপুনি মোক "আপুনি" সম্বোধনেৰে নামাতিব। বৰ লাজ লাগে।

: কিয় ?

: আপুনি কলেজত পঢ়া ল'ৰা। মই হাইস্কুল পাছ কৰাই নাই। এইবাৰহে নৱম মান শ্ৰেণীত পঢ়িছো। গতিকে তুমি বুলিলেহে মই ভাল পাম। : হব বাৰু।

তুলিকা অহাৰ পৰা বিপুলে ঘৰলৈ কেতিয়াও প্ৰুফ নিয়া নাই। তেওঁ তুলিকাৰ লগত একেলগে কথা-বাৰ্ত্তা কৰি প্ৰুফ চাইছিল। তুলিকাৰো ভাল লাগিছিল। অকলে চোৱাতকৈ দুজনে একেলগে চালে ভুল হৈ যোৱাৰ সম্ভাৱনা খুব কম থাকে। তুলিকাৰ আলোচনীৰ প্ৰুফ দুয়োজনে চাইছিল। কিন্তু বিপুলৰ আলোচনীৰ কিছুমান ইংৰাজী প্ৰুফ তুলিকা পঢ়িব নোৱাৰাত বিপুলে অকলে চাব লগাত পৰিছিল।

দিনক দিনে তুলিকা আৰু বিপুলৰ ঘনিষ্ঠতা বাঢ়ি আহিছিল। প্ৰেছত সদায় প্ৰুফ নাথাকিলেও দুয়োটি আহে। এনেয়ে একোবাৰ আহে। দুয়োজনে প্ৰাণ খুলি কথা হাঁহি ধেমালি কৰে।

যৌৱন-জীৱনৰ প্ৰথম চিনাকিৰ এটি দুষ্প্ৰাপ্য সোৱাদ আছে। মানুহ পুৰণি হৈ যায়, কিন্তু সেই সোৱাদৰ স্মৃতিকণ অন্তৰত নিহিত হৈ থাকে। সেই চিনাকীয়েই বিপুল আৰু তুলিকাৰ মাজত এটি আলোড়ণৰ সৃষ্টি কৰিলে। এজনে সিজনক নেদেখিলে ক্ষন্তেক পৰ থাকিব নোৱাৰা যেন হ'ল। দিনবোৰ পাৰ হৈ যায় কোনেও গম নোপোৱাকৈ— সেইদৰে মাহবোৰ পাৰ হয়— তাৰ পাছত বছৰবোৰ।

তুলিকা সেইবেলি প্ৰাক্ বিশ্ববিদ্যালয়ৰ

ছাত্ৰী। বি, এ, পাছ কৰি নপঢ়িলে। স্থানীয় কোনো এখন স্কুলত সহকাৰী শিক্ষক এজনৰ আৱশ্যক হোৱাত, তেওঁ প্ৰাৰ্থীৰূপে আবেদন কৰিছিল। থলুৱা লোক কাৰণে কোনো ইতস্ততঃ নকৰি স্কুলৰ প্ৰধান শিক্ষক আৰু সভাপতিয়ে বিপুলক নিযুক্ত কৰিলে।

অতিবাহিত হৈ যোৱা বছৰ কেইটাৰ ভিতৰত বিপুল আৰু তুলিকাৰ ভাৱৰ আদান প্ৰদান হৈছিল। ইজনে-সিজনৰ প্ৰতি আকৰ্ষিত হৈছিল গাঢ়ভাবে।

তুলিকাই ভাবে যে বিপুলক তেওঁ বহু কথাই কবলৈ বাকী আছে। কিছুমান কথা এদিনতে কৈ শেষ কৰিব নোৱাৰি। হঠাৎ এদিন যথেষ্ট সময় আৰু সুবিধা পাইছিল। কাজিৰঙালৈ তেওঁলোক বনভোজ খাবলৈ যায়। অৱশ্যে কলেজৰ তৰফৰ পৰা নহয়। সম্পূৰ্ণ নিজাকৈ আয়োজিত এটি বনভোজত বিপুলক নিমন্ত্ৰণ কৰা হৈছিল। সেইদিনাই তুলিকা আৰু বিপুলৰ মাজত বহু কথাই হৈছিল। বিপুলে কৈছিল—

: এইবেলি মোৰ বিয়া হোৱাৰ কথা আছে। এজনী চপাই নললে বৰ অসুবিধা হৈছে। দেউতাই কইনা চাবলৈ আয়োজন কৰিছেই।

তুলিকাই বিপুলৰ কথাৰ সঁহাৰি জনোৱা নাছিল। কেৱল "ভাল হৈছে" বুলিছিল আৰু উদাস দৃষ্টিৰে দূৰ দিগন্তলৈ চাইছিল।
: ইমান ডাঙৰ কথা এটি তোমাৰ আগত প্ৰকাশ কৰিলোঁ। —অথচ তুমি ভাল এক হৈ বুলিলা? তোমাৰ আগত একোৱেই নাই নেকি? : মই ছোৱালী হৈ কিহৰ মতামত দিম? মোৰ কবলৈ একো নাই। বিয়া কৰাবলৈ ইচ্ছা হৈছে যিহেতু কৰাওক।
: কিন্তু কাক?
: কেলেই? যোৰহাট নগৰত ছোৱালী নাপাব নেকি? : ছোৱালী বহুতেই আছে— ইচ্ছা কৰিলে যি কোনো এজনীক চপাই লব পাৰো। কিন্তু মনৰ মিল এটাৰো আৱশ্যক।

: আপুনি আমাৰ দেউতাক সুধি চাইছে।
: চোৱা নাই। কিন্তু তুমি "অনুমতি" দিলেহে আগবাঢ়িব পাৰোঁ। নহলে সেইটো সম্ভৱ নহব।

: মোৰ সমস্ত কথা জানিলে আপুনি মোৰ প্ৰতি বিতৃষ্ণাৰ ভাৱ নেদেখুৱাতো?

: তুমি এইবোৰ কি কৈছা তুলু?
: মই ঠিকেই কৈছো। আৰু শুনক— মানুহে মানুহক ভাল পায়। আপুনি মোক ভাল পাইছে— মই মানি লৈছো। সেইদৰে মইয়ো আপোনাক ভাল পাইছো সেই কথাটো আপুনি মানি লৈছে। গতিকে আমাৰ কাৰণে এই প্ৰেম প্ৰীতিটোৱেই চিৰ স্মৰণীয় হৈ থাকক। আপুনিও চিৰকাল মোকেই ভাল পাই থাকিব— আৰু মইয়ো। বিবাহ পাশত আবদ্ধ হোৱাৰ কিবা অৰ্থ আছে নেকি?

: তেনেহলে প্ৰেম-প্ৰীতিৰ চিন হিচাবে কি থাকিব তুলু? ভাল পোৱাৰ শেষ অধ্যায় বিবাহ নহয় জানো?

: বিয়া নকৰোৱাকৈয়ো ভাল পাই থাকিব নোৱাৰি জানো? : তোমাৰ আজি কি হৈছে তুলু। তোমাৰ কথাবোৰ মই বুজি পোৱা নাই যে।

: আপুনি মোক ইমান মৰম কৰিছে যিহেতু মই তাৰ প্ৰতিদান দিবই লাগিব। শুনক তেন্তে - মই মনে চিতে আপোনাকেই বিচাৰিছিলোঁ। প্ৰথম দৰ্শনতেই আপুনি মোৰ অন্তৰ জয় কৰিছিল। কিন্তু মোৰ নিচিনা "ঘাট মাউৰা" ছোৱালী এজনীক আপুনি গ্ৰহণ কৰিব নে নকৰিব সেই কথাটোকে লৈ মই বহুদিন চিন্তা কৰিছিলোঁ। অজানিতে কেতিয়াবা মই কান্দিছিলোঁ। কেতিয়াবা মনটো অস্থিৰ হৈ পৰিছিল, আপোনাক চিৰদিনৰ বাবে হেৰুৱাম ভাবি। মই আপোনাক মোৰ বিষয়ে একোকেই জনাব পৰা নাছিলোঁ। বিচ্ছেদৰ ভয় ভাব এটাই মোৰ অন্তৰত তোলপাৰ লগাইছিল। এতিয়া আৰু মোৰ সেই ভয় ভাৱ নাই। আপোনাক অযথা মই বহুতো কষ্ট দিলোঁ। আপোনাক পালে মোৰ জীৱন ধন্য হব।

তুলিকাই সুপাত্ৰত প্ৰেম নিবেদন কৰিছিল আৰু সেই প্ৰেমক যথাযোগ্য সন্মান পূৰ্ব্বক বিপুলে গ্ৰহণ কৰিছিল। বিপুল এজন দেখনিয়াৰ ল'ৰা। বাপেক বংশমৰ্য্যাদা সম্পন্ন এজন ধনী লোক। দুয়ো পক্ষৰ মতামত অনুসৰি সমাজক সাক্ষী কৰি এদিন বিপুলৰ লগত তুলিকাৰ বিবাহ সম্পন্ন হৈছিল।

বিপুলক পাই তুলিকাৰ জীৱন ধন্য হৈছিল। ফুলশয্যাৰ নিশাটো তেওঁৰ চিৰকাল মনত থাকিব। বিপুল সংযমী প্ৰেমিক আছিল সঁচা, কিন্তু সেইদিনা বিপুল ইমান লাজবিহীন পুৰুষ হৈ পৰিছিল যে তুলিকাই কল্পনাই কৰিব পৰা নাছিল।

বিপুল আৰু তুলিকাৰ দ্বৈতজীৱন সুন্দৰ ভাবে অতিবাহিত হবলৈ ধৰিলে। বিপুল টকা থকা ঘৰৰ ল'ৰা। গতিকে বিয়া কৰাই উঠিয়েই তুলিকাক অসমৰ ইমূৰৰ পৰা সিমূৰলৈ এপাক ঘূৰালে।

তুলিকা এতিয়া সৰু ছোৱালী হৈ থকা নাই। তেওঁ সন্তানৰ মাতৃ হৈছে এতিয়া। সন্তানৰ মাতৃ হৈ তুলিকাই স্বামীক পাহৰি আন পুৰুষৰ লগত তেনে আচৰণ কৰাটো বিপুলে সহ্য কৰিব নোৱাৰে। কিন্তু তেওঁ কাৰো ওচৰত প্ৰকাশও কৰিব নোৱাৰে।

সেয়েহে বিপুলে খাটি-খুটি বদলি হোৱাৰ চেষ্টা কৰে। বদলি হলে তেওঁ তুলিকাকো লগত লৈ যাব পাৰে। স্কুল বদলি কৰি দূৰৈত ৰাখিব পাৰিলে অৰূপৰ লগত সাক্ষাতৰ সুযোগ নাপাব। এদিন স্কুল ইন্স্‌পেক্টৰ আহোঁতে তেওঁকো কথাটো কলে। ইন্স্‌পেক্টৰে "চাম বাৰু" বুলি বিপুলক আশ্বাস দিলে।

হঠাৎ এদিন বিপুললৈ জাননী আহিছিল। তেওঁক সুদূৰ ধুবুৰীলৈ বদলি কৰা হৈছে। বিপুলে ভাল পালে। সেই স্কুলৰ বাবে এজন প্ৰধান শিক্ষক লাগে। তেওঁ ততালিকে ইচ্ছা প্ৰকাশ কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰিবলৈ লিখিলে। এসপ্তাহ পাছতেই বিপুল যাবলৈ ওলাল।

বিপুলে নতুনকৈ গঢ়ি উঠা স্কুলখনত বৰকৈ কষ্ট কৰিব লগা হৈছিল। তেওঁ স্কুল ছুটীৰ পাছতো অফিচত ৰহি কেৰাণীৰ লগত কাম কৰিছিল আৰু দিহা পৰামৰ্শ দিছিল। তথাপি তেওঁ যেন হিচাব পত্ৰবোৰ যথা-যথ ৰাখিব পৰা নাই।

হঠাৎ এদিন ইন্সপেক্টৰ আহোতে তেওঁ থৰকাচুটি নোহোৱা যেন হ'ল। ইন্সপেক্টৰ বাবুই বহুপৰ বহী পত্ৰবোৰৰ পাত লুটিয়াই নিজৰ টোকা বহীত কিতাপবোৰ লিখি ললে। স্কুল এখন চলাব লাগিলে প্ৰধান শিক্ষক হিচাবে বিপুলৰ বহুখিনি দায়িত্ববোধ থকা উচিত। ভৱিষ্যতে তেনেধৰণৰ ভুল-ভ্ৰান্তিবোৰ যাতে হব নোৱাৰে সেইবোৰৰ বিষয়ে এটি দীঘলীয়া বক্তৃতা দি তেওঁ গুচি গ'ল। ইন্সপেক্টৰজন যোৱাৰ পাছত বিপুলে ভাবিলে — দুই-চাৰিদিন পাছত ইন্সপেক্টৰজন অহাহেঁতেন বিপুলক ইমানবোৰ কথা শুনাব নোৱাৰিলেহেঁতেন।

সেয়েহে ইন্সপেক্টৰ থকা ঠাইলৈ গৈ বিপুলে কৈছিল— : আপুনি যদি তিনিদিন ইয়াতে থাকে তেনেহলে আমাৰ ভাগৰ কামখিনি শেষ কৰি আপোনাক দেখুৱাব পাৰিম। : মোৰ কামবোৰ প্ৰায় হলেই। তিনিদিন থকাটো সম্ভৱ নহব কিজানি। : নহয় ছাৰ, তিনিদিনৰ ভিতৰতে মই কামবোৰ সম্পূৰ্ণ কৰিম। ইতিমধ্যে আপুনি দুই চাৰি ঠাই ঘুৰি-ফুৰি আহক। নহলে মোৰ বৰ দুৰ্নাম হব। এইখিনি নকৰিলে.........

: শুনক বৰুৱা বাবু, আপুনি যেনেকৈ চাকৰি কৰিছে মইয়ো ঠিক তেনেকৈ চাকৰি কৰিছোঁ। আপুনিও টকা-পইচা থকা মানুহ হোৱাহেঁতেন চাকৰি কৰিবলৈ নাহিলহেঁতেন। আৰু শুনক—

মই মানুহৰ বেয়া কৰিবলৈ বা চাকৰি খেদাবলৈ অহা নাই, আৰু সেইটো মোৰ উদ্দেশ্যত নহয়। মইয়ো এজন সাধাৰণ শ্ৰেণীৰ লোক।

ইন্সপেক্টৰ জনলৈ বিপুলৰ বৰ মৰম উপজিল। নিজৰ বুলিবলৈ কোনো নোহোৱা কাৰণে বিপুলে নিজৰ ৰহা ঘৰলৈ নিমন্ত্ৰণ কৰিলে। বিপুলে কৈছিল—

: আপুনি যদিও আমাৰ ঘৰলৈ যোৱাটো এই সময়ত উচিত নহয়, তথাপি ইন্সপেক্টৰ হিচাপে নহয়— এনেয়ে বন্ধু হিচাপে আপোনাক নিমন্ত্ৰণ জনালোঁ। আশা কৰোঁ আপুনি আমাৰ তালৈ এবাৰ যাব। মই চকীদাৰক পঠাই দিম।

: যোৱাত মোৰ কোনো আপত্তি নাই, কিন্তু বহুতেই বহু ধৰণে ভাবি লয়। সেয়েহে মই কাৰো ঘৰলৈ যাব নোৱাৰোঁ। বিশেষকৈ বাহিৰত ফুৰিলে শিক্ষকৰ ঘৰলৈ যোৱাটো আমাৰ সম্পূৰ্ণ নিষেধ। তাকতো আপুনি নিজেই বুজিব পাৰিছে।

: সেইটো ঠিক। কিন্তু মানুহক মানুহৰ ঘৰলৈ নিমন্ত্ৰণ দিয়াটো নাইবা মানুহৰ ঘৰলৈ মানুহ যোৱাটো একো অযুক্তিকৰ হব নোৱাৰে। ইন্সপেক্টৰ হিচাপে আপোনাক নিমন্ত্ৰণ দিয়া



খোজা নাই। : হব বাৰু! ইতিমধ্যে আপোনাৰ কামবোৰ ঠিক্-ঠাক্ কৰি লওক। মই কাৰো বেয়া কৰিবলৈ ইচ্ছা নকৰোঁ।

বিপুলে সেইদিনা আহিয়েই তুলিকাৰ লগত বহুতো কথা হ'ল। ইন্সপেক্টৰে স্কুলৰ বিষয়ে কি মন্তব্য দিলে, কি কলে আৰু তেওঁৰ জীৱন কাহিনী ইত্যাদি সকলো কথাকেই তুলিকাৰ আগত কলে।

তেতিয়া তুলিকাই কৈছিল— : তেনেধৰণৰ মানুহ এজনক লগ পালে অথচ নিমন্ত্ৰণ কৰিব নোৱাৰিলে?

: কিয় নকৰিম? তেখেতক মাতি আহিছোঁ। কেতিয়া আহিব বাৰু? : আবেলি লৈকে আহিব বাৰু। চকীদাৰজনক পঠাব লাগিব।

আবেলি চকীদাৰজনৰ লগত ইন্সপেক্টৰজন আহিছিল। বিপুলে তেতিয়া ঘৰৰ পিচফালে কামত ব্যস্ত আছিল। তুলিকাই কোলাত ছোৱালীজনী লৈ বাহিৰত থিয় হৈ আছিল। তেনেতে চকীদাৰজনৰ লগত ইন্সপেক্টৰজন অহা দেখা পাই তুলিকাই ভিতৰলৈ মাতি নি বহিবলৈ দিলে।

ইন্সপেক্টৰে অবাক দৃষ্টিৰে কেৱল তুলিকাৰ মুখৰ পিনে চাই ৰ'ল। তেওঁ বহিবলৈ পাহৰিলে।

হঠাৎ যেন ইন্সপেক্টৰৰ মনত নানা ভাবে খেলা কৰিবলৈ ধৰিলে। তেওঁ বহু সময় তুলিকালৈ ৰ' লাগি চাই থকাত তুলিকাই লাজতে নিজৰ গাৰ ফালে চাইছিল — হয়তো শৰীৰৰ কিবা বিসদৃশ যেন দেখা পাই মানুহজনে তেওঁলৈ চাব পাৰে। সেয়েহে এবাৰ নিজৰ গাৰ-ফালে চাই এনেয়ে কাপোৰ কানি পৰীক্ষা কৰি বহিবলৈ দিলে। তথাপি তুলিকাৰ কথালৈ কাণষাৰ কৰা নাছিল সেই নবাগত অতিথিজনে। তুলিকাই কোৱা কোনো কথা তেওঁ যেন কাণেৰে শুনা নাই?

: আপুনি কি চাইছে?

হঠাৎ তুলিকাৰ কণ্ঠস্বৰত তেওঁৰ তন্দ্ৰা ভাগিল। তেওঁ ততালিকে নিজক সংযত কৰি কলে — : নাই, একো চোৱা নাই... মানে... এইটো বিপুল বৰুৱাৰ ঘৰ নহয় জানো? : হয়; তেখেত ভিতৰত আছে। আপুনি বহক; মই তেখেতক মাতিছোঁ।

বিপুলে লৰা লৰিকৈ আহি ইন্সপেক্টৰক নমস্কাৰ জনাই ওচৰৰ চকীখনত বহি ললে। তুলিকাই পুনৰ এবাৰ দেখা দি ভিতৰলৈ গ'ল আৰু চাহৰ যোগাৰ কৰিলে। বিপুল আৰু ইন্সপেক্টৰৰ মাজত বহুতো কথা-বাৰ্ত্তা চলিছিল। তাৰ মাজতে তুলিকাই এখন থালত পিঠা-পনা আদি বহুতো খাদ্য সম্ভাৰেৰে দুকাপ চাহ আৰু দুগিলাচ পানী তেওঁলোকৰ আগত ৰাখিলে। চাহ পিঠা খাই থকা অৱস্থাতো তুলিকাৰ মুখলৈ মাজে সময়ে চাইছিল। তেনেকৈ চাই থকা বাবে তুলিকাই বৰ লাজ পাইছিল।

ইন্সপেক্টৰ যোৱাৰ পাছত তুলিকাই কৈছিল— : মানুহজনে মোৰপিনে ইমানকৈ চাইছিল যে মই বহিবলৈ কোৱা কথাষাৰো কিজানি তেওঁ

শুনা নাছিল। মই মাত লগাতহে তওঁ খপ কৰে বহি পৰিছিল।

ঃ সঁচাকৈ মানুহজন খুব ভাল তুলু। অহঙ্কাৰ বোলা কথাষাৰ তেওঁৰ অন্তৰত নাই।

: আপুনি এটা কাম কৰিব— যদি তেওঁ কাইলৈ ইয়াত থাকে তেনেহলে দুপৰীয়ালৈ আমাৰ ইয়াতে ভাত খাবলৈ নিমন্ত্ৰণ দিব। ঃ হব বাৰু! মোৰ খাতিৰটো তুমি ৰাখিলেও হব। ঃ ইস্ খাতিৰ কৰিব আপুনি - আপোনাৰ কামত। মই কিহত খাতিৰ কৰিম ?

তুলিকাৰ নিচিনা এজনী দেৱী প্ৰতিমা সদৃশ তিৰোতাৰ দৰ্শনত যেন ইন্স্পেক্টৰ চাহাবৰ জীৱন ধন্য হৈছিল। সেইদিনা নিশা তেওঁৰ ভালদৰে টোপনি নহ'ল। টোপনিত নানা ধৰণৰ সপোনবোৰে তেওঁক অতিষ্ঠ কৰি তুলিছিল।

পিচদিনা পুৱা বিপুল আহিছিল ইন্সপেক্টৰ জনৰ ওচৰলৈ। ই পেক্টৰে চকীখনত বহি বিপুলক কলে— ঃ বুজিছে বৰুৱা, আপোনাৰ ঘৰত পিঠা-পনাবোৰ খাই আহি কালি নিশা খাবকে নোৱাৰিলোঁ। ·: হৈছে, আৰু লাজ নিদিবচোন। : নহয় ঠিকেই কৈছোঁ; ইমান সোৱাদ হৈছিল যে যিখিনি দিছিল সম্পূৰ্ণ নিঃশেষকৈ খাই পেলালো। ফলত ভাত খাবৰ নহলেই। ভাতৰ পাতত বহিছিলোঁ মাত্ৰ। ঃ সেয়া কালি চাহ পৰ্বহে শেষ হ'ল। এতিয়া আমাৰ ঘৰৰ জনীয়ে আজি আপোনাক নিমন্ত্ৰণ দিছে দুপৰীয়াৰ আহাৰ আমাৰ ঘৰত কৰিবলৈ। ঃ আজি মাফ কৰক বৰুৱা। মোৰ আন এঠাইত প্ৰ'গ্ৰাম আছে। বেয়া নাপাব। : মোৰ ফালৰ পৰা অৱশ্যে বেয়া পাবলৈ একো নাই। কামৰ মানুহ যিহেতু কামক উপেক্ষা কৰি ঘূৰি ফুৰিলে নচলিব। কিন্তু ...... : কিন্তু আৰু কি ? ঃ মানে আমাৰ তুলুৰ ফালৰ পৰাহে কৈছোঁ— তাই বৰকৈ কৈছিল। : তুলু মানে— আপোনাৰ স্ত্ৰীৰ কথা নকৈছে জানো ? ঃহয়॥ ঃ তুলু মানে আচল নামটো ? ঃ তুলিকা।

তুলিকা বোলাৰ লগে লগে ইন্স্পেক্টৰ চাহাব উচাপ খাই উঠিল। তেওঁ বহাৰ পৰা উঠি খিৰিকীৰে বহুদূৰলৈ চাই পঠিয়ালে। ওচৰত বিপুল থকা কথাটোও যেন তেওঁ পাহৰিলে। কেৱল অবাক দৃষ্টিৰে বাহিৰলৈ চাই থাকিল।

বিপুল আচৰিত হ'ল। প্ৰশ্ন সূচক দৃষ্টিৰে তেৱো ইন্স্পেক্টৰৰ মুখলৈ চাব ধৰিলে। তেওঁৰ পৰা কোনো প্ৰশ্নৰ সমিধান বিপুলে বিচাৰি উলিয়াব নোৱাৰিলে। বহু সময় তেনেদৰে অতিবাহিত হৈ যোৱাৰ পাছত তেওঁ ইন্স্পেক্টৰৰ মনোভাব বুজিব নোৱাৰি তাৰ পৰা ওলাই আহিল।

বিপুলে তুলিকাক কথাটো জনাইছিল। চাহাবৰ মনোভাৱ তেওঁ বুজিব নোৱাৰিলে। তুলিকাইও সেই কথাৰ সম্ভেদ বিচাৰি নাপালে। প্ৰথম দৰ্শনতেই তেওঁ তুলিকাৰ মুখলৈ বৰকৈ চাইছিল। আনকি তেওঁ বহিবলৈ পাহৰিছিল।

যি নহওঁক, দেখি থকা মানুহবোৰৰ সকলোকে আপোন কৰি লব পৰা গুণ এটি তুলিকাৰ গাত আছিল। সেয়েহে তেওঁ ইন্স্পেক্টৰক নিমন্ত্ৰণ কৰিছিল— অন্ততঃ তেওঁৰ হাতেৰে এসাজ ভাত খুৱাবলৈ। এই ক্ষেত্ৰত বিপুলৰো স্বাৰ্থ আছিল অধিক। তুলিকাই বিপুলক পুনৰ কয়। ঃ আপুনি আকৌ এবাৰ নাযায় কিয় ? ঃ যোৱাত আপত্তি নাই; কিন্তু তেখেত আহিব বোধহয়। : মানুহজনক তেনেকৈ থকা কাৰণে আপুনি এবাৰো সুধি নাচালেনে ? ঃ তেওঁৰ অৱস্থা দেখি মোৰ সুধিবলৈ সাহস নহ'ল। ঃ আন এটা কথা হবও পাৰে। তেওঁৰো হয়তো মোৰ দৰেই এজনী ভনীয়েক নাইবা আন কোনো সম্বন্ধীয়া আছিল। এতিয়া আৰু নাই। সেয়েহে সেই কথা বৰকৈ চিন্তা কৰি থাকে। কাৰণ, মোক দেখাৰ লগে লগে তেওঁ আচৰিত হৈ গৈছিল। ঃ হবও পাৰে, কিন্তু তেনেকৈ সুধিবলৈ বেয়া লাগে মোৰ।

ইন্সপেক্টৰে বহু কথা চিন্তা কৰিছিল। তেওঁ সৰুতেই ঘাট মাউৰা হ'ল। মাক-বাপেকৰ মৰম নোপোৱাকৈ তেওঁ ডাঙৰ দীঘল হ'ল। বহু বছৰ আগতে তেওঁ তুলিকাৰ দৰেই এজনী মাকক হেৰুৱাইছিল। তেওঁৰ মাকৰ ছবিখন এতিয়াওঁ মনত আছে। দেখাত ঠিক তুলিকাৰ দৰেই আছিল। সেই মুখ সেই হাঁহি !! তুলিকা আৰু মাকৰ মাজত যেন অকণো প্ৰভেদ বিচাৰি পাবলৈ নাই। সেয়েহে তুলিকাক দেখাৰ লগে লগে হঠাৎ তেওঁৰ মাকলৈ মনত পৰি যায়। মাকলৈ মনত পৰাত তেওঁ আনকি বহিবলৈ পাহৰি গ'ল। তুলিকাৰ মুখলৈ চাইছিল যদিও প্ৰকৃততে তেওঁ মাকৰ ছবিটিহে স্পষ্ট ভাবে দেখা পাইছিল।

● ●

## ঃঃ যুৱবৰ্ষ আলোচনা

"উন্নয়নশীল দেশ"
যুৱ সমাজৰ গতি কোন
পথত ? ঃঃ

এই গতিশীল ধৰা পৃষ্টৰ ওপৰত বাস কৰা মানৱ সমাজখনো গতিশীল। সময়. চিন্তা, ধাৰণা আৰ্থ সামাজিক, ৰাজনৈতিক পৰিবৰ্ত্তনৰ লগে লগে সমাজৰ সভ্যতাৰ চকৰিও ঘূৰি ঘূৰি আছে। কিন্তু এই চকৰিটোৰ গতি আগলৈ নে পিছলৈ এইটোহে তৰকিব পৰা নাই। কিছুমানে হয়তো কৈ পেলাব "কিয়, সমাজৰ গতি প্ৰগতিৰ পথত। আমি কুৰি শতিকাৰ সমাজে ধাপে ধাপে সভ্যতাৰ জখলাৰে উদ্ধত উঠি গৈছোঁ। প্ৰশ্ন জাগে প্ৰকৃততে আজিৰ সমাজ আগবাঢ়ি গৈছেনে আকৌ আদিম যুগ অথবা তাৰো কিছু আগলৈ গৈছে ? কিয়নো কল-কাৰখানাৰ পৰা আৰম্ভ কৰি ৰকেটৰ দ্বাৰা আজিৰ মানুহে বিশ্ব বিজয় কৰিবলৈ সক্ষম হৈছে। এনেহেন মানৱ সমাজতো জানো উলটি অধোগতিৰ ফালে দৌৰি যোৱাৰ প্ৰশ্ন থাকিব পাৰে ? সমাজ

বুলিলে, সমাজত বাসকৰা আবাল বৃদ্ধি বণিতা, ৰাজনৈতিক নেতা শাসক, কৰ্মচাৰী, ছাত্ৰ, যুৱক কৃষক শ্ৰমিক সকলোকে সামৰি লোৱা হয়। আজিৰ যুৱক অহাকালিৰ নাগৰিক বা দেশৰ মেৰুদণ্ড। এই যুৱ সমাজটোৱেই হল মানৱ সমাজৰ মুখ্য আৰু গুৰুত্ব পূৰ্ণ অংশ। এই উটি অহা সমাজটোৰ ওপৰতে নিৰ্ভৰ কৰিছে বিশ্বৰ আৰ্থ সামাজিক ৰাজনৈতিক ভৱিষ্যত, সভ্যতা সংস্কৃতি ৰক্ষাৰ একমাত্ৰ দায়িত্ব এই যুৱ সমাজৰ আহি পৰিছে। তলি ভঙা খালৈত মাছ থলে জানো ভাত খোৱাৰ সময়ত মাছ পোৱা যায়। ঠিক তেনেকুৱা হৈছে আজিৰ বিশ্বৰ এক বৃহৎ অংশ যুৱ সমাজৰ – ৰেস্তোৰা, ষ্টেচন, বাছষ্টাণ্ড আদি ঠাইত একশ্ৰেণীৰ যুৱকে আড্ডা দিয়া আৰু বিভিন্ন ধৰণৰ অপৰাধ মূলক কাৰ্য্যত জড়িত হোৱাৰ দ্বাৰা যুৱ সমাজৰ মানসিক অস্থিৰতাৰ কথাই নুসূচায় জানো? বিশ্বৰ বিভিন্ন দেশৰ যুৱক যুৱতী সকললৈ দৃষ্টি নিক্ষেপ কৰিলে দেখা যায় এই কুৰি শতিকাৰ শেষ অংশৰ যুৱ সমাজ যেন এক অস্থিৰ অৱস্থাত আছে, মানসিক সংকটে যেন এক বিপৰ্য্যায় নমাই আনিব। তাৰেই ইংগিত বহন কৰি আনিছে, আজিৰ যুৱ সমাজত দেখা দিয়া বিভিন্ন প্ৰকাৰৰ জটিলতা আৰু অচিনাকি ব্যাধিবোৰে। এইবোৰৰ বাবে প্ৰকৃততে দায়ী কোন? সমাজ ব্যৱস্থা নে তেওঁলোক নিজেই নে অইন কোনোৱা? এই প্ৰশ্নৰ উত্তৰত বিভিন্নজনে নিজক ৰক্ষা কৰি অইনৰ গাত দোষ জাপি দি এইধৰণৰ গুৰুত্ব পূৰ্ণ সমস্যাক অৱহেলা কৰি থাকে। কিন্তু যিমানেই এই সমস্যাবোৰক আওকান কৰা যায় সিমানেই এই যুৱ সমস্যাবোৰে মহামাৰী কলেৰাৰ দৰে সমাজখনক ধ্বংসৰ পথত ঠেলি নিব বুলি আশঙ্কা কৰাৰ ফল নুই কৰিব নোৱাৰি।

আদিম কালৰে পৰা আৰম্ভ কৰি বৰ্ত্তমান লৈকে সমাজৰ গাঁথনি আৰু জীৱন ব্যৱস্থাই সমাজৰ যুৱক-যুৱতী সকলৰ চাৰিত্ৰিক আৰু মানসিক ক্ষেত্ৰত প্ৰভাৱ পেলায়। আজিৰ যুৱ সমাজত কিছুমান কাম কৰি আনন্দ উপভোগ কৰা দেখা যায়, যেনে বাটে-পথে, ছোৱালী জোকোৱা, তাছখেলা, জুৱাখেলা, মাদকদ্ৰব্য পানকৰা, বাটে-বাটে অশ্লীল বাক্য, উচ্চাৰণ কৰা, দুৰ্ব্বলৰ ওপৰত অত্যাচাৰ চলোৱা আদি কাৰ্য্যই যুৱক সমাজক পশুৰ শ্ৰেণীলৈ নমাই আনিছে বুলি কলে, বঢ়াই কোৱা নহব। আনহাতে যুৱতী সকলে ডেকা ল'ৰাৰ লগত চুপতি কৰা, হাঁত কটা, ল'ৰাৰ চকুত পৰাকৈ পোচাক পৰিধান কৰি গাড়ী মটৰত ঘূৰা গাড়ী মটৰত খেক-খেক কৈ হাঁহা অইন যাত্ৰীৰ আমনি যদিও লাগে তাৰ প্ৰতি মনোযোগেই নাই, অশ্লীল চিনেমা চোৱা আদি কাৰ্য্যই মানসিক অস্থিৰতাক সূচায়। আকৌ কিছুমান যুৱক যুৱতীয়ে বিশ্বৰ 'Arms and the Man' নাটকৰ Raina আৰু Surgious ৰ দৰে ৰোমাণ্টিক প্ৰেমত পৰাটোও দেখা যায়। পৰস্পৰে পৰস্পৰক ভালপোৱাৰ নামত অবৈধ যৌন সম্ভোগ কৰে, কেতিয়াবা দুয়োৰে মাজত



মানসিক বিজুতি ঘটি আত্ম হত্যাও কৰা নতুন কথা নহয়। আন এক শ্ৰেণীৰ যুৱক-যুৱতীৰ দেখা যায় শিল্প কলা, চিনেমা আদিৰ নামত অবাঞ্ছিত জীৱনলৈ নামি যায়। কিছুমানে আকৌ বেশ্যালয়ত সোমাই নিজৰ দেহ বিক্ৰী কৰি খাই থকাটো আজিৰ সমাজৰ বাবে অতিকৈ পুৰণি। এই দেহ বিক্ৰী কেন্দ্ৰবোৰত শ-শ নাৰী পুৰুষৰ অবৈধ যৌন উত্তেজনাৰ উপশম ঘটায় বুলি সকলোৱে বিবেচনা কৰে; কিন্তু প্ৰকৃততে জানো সেই সকলো লোকৰ আত্ম তৃপ্তি লাভ হয়, যৌন উত্তেজনাৰ উপশম হয়? পুৰণি কালৰে পৰা চলি অহা এই বেশ্যালয়বোৰৰ সৃষ্টিৰ মূলতে আছিল শাসক গোষ্ঠীৰ আনন্দ উল্লাস। ইয়াৰোপৰি ঘৰুৱা কাৰণতো এক শ্ৰেণীৰ যুৱতীয়ে ওলাই গৈ বেশ্যালয়ত নিজৰ দেহ বিক্ৰী কৰাটো পৰিলক্ষিত হয়। এইবোৰৰ মূলত অৰ্থনৈতিক দুৰৱস্থাইও কম অবিহণা নোযোগায়। ধৰ্মীয় গোড়ামীও ইয়াৰ বাবে দায়ী বহুত ক্ষেত্ৰত প্ৰমাণিত হৈ আহিছে। ইয়াৰোপৰি এই বেশ্যালয় সৃষ্টিৰ মূলতে মদৰ ব্যৱসায় আৰু জুৱাখেল। জুৱা আৰু মদৰ আড্ডাৰ ওচৰে পাজৰে অধিকাংশ বেশ্যালয় গঢ়ি উঠা দেখা যায়। অসৎ ব্যৱসায়ৰ বাবে তৈয়াৰ কৰা চিনেমা চোৱাৰ বাবে কিছুমান যুৱক-যুৱতী' অতিষ্ঠ হৈ পৰে; প্ৰয়োজন বোধে আঢ়ৈ টকীয়া প্ৰৱেশ পত্ৰ বিশ-পচিশ টকাৰে কিনি অশ্লীল চিনেমা চোৱা লোকৰ অভাৱ দেখা নাযায়। ইয়াৰোপৰি চিনেমাবোৰত কিছুমান অপৰাধ মূলক কাৰ্য্যত ব্ৰতী হোৱাত পৰোক্ষ উদগতি দিয়াৰ ফলত শত-শত যুৱক যুৱতীয়ে চিনেমাত দেখা পোৱা পোচাক পিন্ধি, আচাৰ আচৰণ, কথা বতৰাকৈ ভাল পায়, সকলোৱেই যেন অভিনেতা অভিনেত্ৰী হোৱাৰ সপোন দেখে।

প্ৰাচীন কালৰে পৰা আৰম্ভ কৰি চলি অহা সমাজত শ্ৰেণী বিভাগ, ধৰ্ম ভাষা, বৰ্ণ, ভৌতিক অৱস্থান, অৰ্থনৈতিক অৱস্থা, কাম-কাজৰ ওপৰত ভিত্তি ;কৰি বিভাজন মুখী সমাজ ব্যৱস্থাও যুৱক-যুৱতী সকলক মানসিক ভাৱে সংকটাপন্ন কৰি তুলিছে। ধনী ঘৰৰ ল'ৰা ছোৱালীয়ে যেনেদৰে দুখীয়া ঘৰৰ ল'ৰা ছোৱালীৰ প্ৰতি এটি হীন দৃষ্টিৰে লক্ষ্য কৰে তেনেদৰে দুখীয়া ল'ৰা-ছোৱালীয়ে In ferior quality ত ভোগে। বৰ্ত্তমান অসমীয়া আৰু বঙালী, শিখ আৰু হিন্দুৰ মাজত উদ্ভৱ হোৱা হিংসা, দ্বেষ খিয়লা খিয়লিয়ে যুৱক যুৱতী কিশোৰ কিশোৰী সকলৰ জীৱনৰ জীৱনত সুদুৰ প্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিব।

আন্তৰ্জাতিক ৰাজনৈতিক অৱস্থা আৰু বিভিন্ন মহলত 'যুদ্ধৰ দেহি' মনোভাৱে বিশ্বৰ একাংশ যুৱক-যুৱতীক ভাত আৰু ত্ৰাসমান কৰি তুলিছে। ইৰান ইৰাক সমস্যা লেবানন ইজৰাইল ৰাচিয়াৰ আফগানিস্থানৰ ওপৰত চলোৱা হামলা আদিয়েও যুৱক-যুৱতীক মানসিক সংকটত পেলাইছে। এইবোৰে মানসিক ভাৰসাম্যতাৰ ওপৰত আঘাত কৰাৰ বাবে যুৱক সমাজত সংকটে দেখা দিছে।

কিছুদিন ধৰি বিভিন্ন দেশত নাৰী ধৰ্ষণ এচিদ দলিওৱা আদি কাৰ্য্যই যুৱ সমাজৰ চাৰিত্ৰিক স্খলনৰ কথাকে সুস্পষ্টাইছে জানো ?

আন কিছুমান যুৱক-যুৱতীয়ে মাৰ্ক্সবাদ, লেলিন বাদ, মাওবাদ, হেতোলবাদ আদিৰ অৰ্থ নুবুজাকৈয়ে সেইবোৰৰ কথা-বতৰা সৱৰ মুখৰ পৰা অনৰ্গল শুনিব পৰা যায়। সেই বোৰৰ প্ৰয়োগ কৰিবলৈ উঠি পৰি লাগি যোৱাত নিজৰ ব্যক্তিজীৱন যেতিয়া পঙ্গু হৈ যায় ; তেতিয়া দেশৰ দহৰ বাবে তেনেকুৱা হোৱা বুলি প্ৰচাৰ চলাই ডাঙৰ ডাঙৰ নেতা হোৱাৰ কল্পনা কৰে, অৱশেষত যেতিয়া অন্ধকাৰ দেখে তেতিয়াই হিষ্টিৰিয়াৰ দৰে এক প্ৰকাৰৰ অচিন ব্যাধিয়ে সেই সকল যুৱক যুৱতীক আক্ৰমণ অৱশ্যে এইবোৰৰ মাজত উপযুক্ত ; গুণী জ্ঞানী যুৱক-যুৱতী নাই বুলি কলে সত্যৰ অপলাপ কৰা হব।

কিছু সংখ্যক যুৱক-যুৱতীয়ে জীৱন সম্পৰ্কে সঠিক ধাৰণা কৰি লব নোৱাৰে। কোন প্ৰকাৰৰ জীৱন ধাৰাই মানৱ সমাজত শান্তি আনিব পাৰে সেই সম্পৰ্কে ধাৰণা নথকাৰ বাবেও বৰ্ত্তমান যুৱ সমাজে যি ইচ্ছা তাকে কৰি 'Disco' ডেন্সাৰ হৈ পৰিছে। এই ছেগতে তথা কথিত ৰাজনৈতিক নেতা সকলে ক্ষমতা লাভৰ বাবে সহজ সৰল যুৱক-যুৱতীক অনুপযুক্ত বয়স আৰু সম্যকজ্ঞান হীন অৱস্থাৰ পৰাই ৰাজনীতিৰ মেৰ পাকত পেলাই নানা প্ৰলোভনেৰে নিজৰ হাতিয়াৰ আৰু লাউড স্পীকাৰ বনাই লোৱাটো নেতা সকলৰ ধৰ্ম হৈ পৰিছে। যুৱক যুৱতী সকলক প্ৰলুব্ধ কৰি অন্ধপথত ঠেলি নিয়াটোৱেই যেন আজি কালি নেতা সকলৰ একাংশ গৌৰৱ। এইবোৰৰ ফলত যুৱক সকলৰ মাজত ৰাজনৈতিক মতাদৰ্শৰ ভিত্তিত আন এক প্ৰকাৰৰ "আধুনিক সাম্প্ৰদায়িকতাবাদ" গা কৰি উঠি যুৱ সমাজক সংকট পন্ন কৰি তুলিছে।

ধৰ্মীয় গোড়ামী, মুছলমান সমাজৰ কিছুমান ধৰ্মীয় নেতাৰ 'পৰ্দা' শব্দৰ ভুল ব্যাখ্যাৰ দ্বাৰা যুৱতী সকলক মুক্ত হোৱাৰ পথ ৰুদ্ধ হৈ পৰিছে : তেনেকৈ হিন্দু সমাজত অস্পৃশ্যতা, বিধবা বিবাহ, বন্ধ ইত্যাদি কাৰণতো যুৱ সমাজক বিক্ষুব্ধ কৰি তুলিছে। যাৰ ফলত সামাজিক বিধি নিষেধ নমনা হৈছে এইবোৰে। যুৱ সমাজৰ সংকটৰ আধাৰ। বৰ্ত্তমান উন্নয়ণ শীল দেশবোৰৰ শিক্ষা ব্যৱস্থাইও যুৱ সমাজত সংকট সৃষ্টি কৰিবলৈ বাট মুকলি কৰিছে। শিশু শিক্ষাৰ নামত কিছুমান অশালীন কাহিনী উপকথা, কেন্টিন, কাৰ্টুন আদি পৰিবেশনৰ ফলত সেইবোৰৰ প্ৰভাৱ শিশু সকলৰ জীৱনত সুদূৰ-প্ৰসাৰী হয় আৰু ডেকা কালত ইয়াৰ প্ৰতিক্ৰিয়া স্বৰূপ সংকটে দেখা দিয়ে। ইয়াৰোপৰি উপযুক্ত বিজ্ঞান ভিত্তিক প্ৰণালীবদ্ধ আৰু পৰিকল্পিত শিক্ষা ব্যৱস্থাৰ পৰিবৰ্ত্তে যুৱক সকল পৰীক্ষাৰ (Experiment) সজুলি হিচাবে ব্যৱহৃত হোৱাৰ ফলত যুৱ সমাজ ভ্ৰান্ত পথত ধাবিত হৈছে। মুঠতে কবলৈ গলে, পুথিগত শিক্ষা ব্যৱস্থাৰ ফলত আন এটা জলন্ত সমস্যাই উন্নয়নশীল দেশ ভাৰত, বাংলাদেশ পাকিস্থান আদি দেশত এক বিৰাট সংকটৰ সৃষ্টি কৰিছে। উদাহৰণ স্বৰূপে— ১৯৮৩ চনত ভাৰতৰ নিবন্নুৱা আছিল এনে ধৰণৰ ( পঞ্জীভুক্ত )।

স্নাতক— ১৮৭৮৪০ জন
প্ৰাক স্নাতক— ৪৭০৫৮৯ "
মেট্ৰিক— ৪৯১৩৩২ "
স্নাতকোত্তৰ— ১১১৮৩৭ "

সৰ্বশেষত, উন্নুকিয়াই দিয়া ভাল যে, বৰ্ত্তমান ১৯৮৫ চনটোক ৰাষ্ট্ৰসংঘই 'যুৱ বৰ্ষ' হিচাবে পালন কৰিছে আৰু যুৱ সমাজক আহ্বান জনাইছে। কিন্তু অতি পৰিতাপৰ কথা যে প্ৰায়বোৰ যুৱবৰ্ষ উপলক্ষে পতা অনুষ্ঠান, সভা-সমিতিৰ নেপথ্যত যুৱ সমাজৰ মানসিক সংকট মোচনৰ পথ উলিওৱাৰ পৰিবৰ্ত্তে প্ৰবন্ধত উল্লেখ কৰা সংকটৰ কাৰণ সমূহেই যেন দ্বিগুণ উৎসাহ পালে। ইয়াৰোপৰি উক্ত অনুষ্ঠানাদি বিভিন্ন ৰাজনৈতিক দলৰ মতবাদ প্ৰচাৰৰ বাবেহে যেন আয়োজন কৰা হৈছিল। সভা সমিতিবোৰত প্ৰকৃততে যুৱ সমাজক প্ৰগতিৰ পথ দেখুৱাটো প্ৰসঙ্গত পৰিণত হল। তথাপি কিঞ্চিত পৰিমাণে হলেও যুৱ সমাজ এইবোৰ অনুষ্ঠানাদিৰ দ্বাৰা উপকৃত হব বুলি আশা কৰিব পাৰি। সদৌ শেষত সামৰণিত এই খিনিকেই কওঁ যে, আজিৰ যুৱ সমাজক ভ্ৰান্ত পথৰ পৰা ওভতাই অনাৰ বাবে শিক্ষক, অধ্যাপক, অভিভাৱক, শাসক, পুঁজিপতি কৃষক, কৰ্মচাৰী শ্ৰমিক সকলৰ ঐকান্তিক প্ৰচেষ্টা অৱশ্যেই থাকিব লাগিব। তেহে আজিৰ উন্নয়নশীল দেশ সমূহৰ যুৱ সমাজে আগত দিনৰ অনুজ বংশধৰৰ বাবে বৰ্ত্তমান পৃথিৱীতকৈ অধিকতৰ সুন্দৰ পৃথিৱী গঢ়ি যাব পাৰিব।

তাইজুদ্দিন আহামেদ
স্নাতক ( সন্মান ) দ্বিঃ বাঃ।

[ বিঃ দ্ৰঃ প্ৰবন্ধটি যুগুত কৰোতে বিভিন্ন বাতৰি কাকত আৰু আলোচনীৰ সহায় লোৱা হৈছে। ]

# ঃঃ ছুফী মতবাদ ঃঃ

মোঃ ছোলেমান খান এম, এ
আৰবী মুৰব্বী অধ্যাপক
নৱজ্যোতি মহাবিদ্যালয়
কলগাছিয়া ।

উমাইয়া সকলৰ শাসন কালৰ আৰম্ভণীৰ পৰাই আৰবী সাহিত্যত অতীন্দ্ৰিয়বাদ বা ৰহস্যবাদৰ সূচনা হয় যদিও এই মতবাদৰ সম্পূৰ্ণ উন্নতি সাধিত হয় উমাইয়া সকলৰ পৰবৰ্ত্তী কালত। আব্বাচীয়া সকলৰ শাসন কালত আৰবী সাহিত্যৰ উপৰিও আন আন ইছলামীয়া সাহিত্যৰ মাজত ইয়াৰ প্ৰভাৱ অধিক পৰিমাণে পৰিছে।

এই মতবাদৰ ধ্বংসকাৰী কঠোৰতাক কাৰ্য্যত পৰিণত কাৰী সকলক ইছলাম ধৰ্মই কঠোৰ ভাৱে বাধা আৰোপ কৰিছে যদিও এই মতবাদৰ নীতি সমূহ ইহুদী, খৃষ্টান আৰু হিন্দু যোগী সকলে পালন কৰি আহিছে। কাৰণ এই মতাৱলম্বী সকলে চিৰকুমাৰ হৈ মহান আল্লাহৰ ইবাদত উপাসনা কৰিব লাগে। চিৰকুমাৰ ব্ৰত হৈছে এটা অতি কঠিত ব্ৰত আৰু চিৰকুমাৰ প্ৰথাৰ বিপৰীতে হজৰত মোহাম্মদে কৈছে— ইছলামত সন্নাস ধৰ্ম্ম নাই।

এই মতবাদৰ পৰিপ্ৰেক্ষিতত কোনো প্ৰকাৰৰ ধৰ্ম্মীয় প্ৰেৰণা নেথাকিলেও মুছলীম সমাজত এই মতবাদৰ যথেষ্ট উন্নতি সাধন হয়। এই মতবাদ বিশ্বাস কৰা কিছুমান নৈষ্ঠিক উপাসকে ভাৱে যে মানুহে সমাজৰ পৰা আঁতৰি থাকি নিৰ্জ্জন ভাৱে আল্লাহৰ উপসনা কৰিব পাৰিলেহে মুক্তি পাব পাৰি। উমাইয়া শাসনকৰ্ত্তা সকলৰ বিলাস পৰায়ণতা আৰু ৰাজতন্ত্ৰপ্ৰিয় বহুতো ধৰ্ম্ম পৰায়ণ মনিষীয়ে এই পাৰ্থিৱ সম্পৰ্কৰ পৰা আঁতৰি গৈ আল্লাহৰ প্ৰকৃত উপাসক হিচাপে আত্মাৰ পৰম উন্নতি, সাধক কৰি প্ৰেমাস্পদৰ লগত বিলীন হবলৈ অশেষ চেষ্টা কৰিবলৈ ধৰে।

বচোৰাৰ হাচান নামেৰে এজন মনিষীয়ে এই মতবাদৰ গুৰি ধৰোতা বুলি কব পাৰি। হাচানে আধ্যাত্মিক শক্তিক ঐশ্বৰিক প্ৰেমৰ মূল উৎস বুলি বিশ্বাস কৰিছিল। তেওঁ এই সম্পৰ্কে কৈছে— A grain of genuine pity is better than a thous and weight of furting and prayer.

খৃষ্টীয় সপ্তম আৰু অষ্টম শতিকাৰ মাজভাগত বচোৰা আৰু কুফাৰ এই মতাৱলম্বী সকলৰ আৰ্বিভাৱ হয় আৰু এই মতাৱলম্বী সকলক খৃষ্টীয় নৱম শতিকাৰ পিছৰ পৰাই 'ছফী'' বুলি কোৱা হয়। এই দুই নগৰীৰ পৰা ইলমে তাছৰ্ত্তফ বা ৰহস্য বিজ্ঞান ব্যাপক ভাৱে প্ৰচাৰিত হয়। ইয়াৰ পিছৰ পৰাই এই মতবাদ খুৰাছান, ইৰাকৰ কোনো কোনো অঞ্চল আৰু মুছলিম বিশ্বৰ বহুতে দেশত প্ৰচাৰিত হয়।

"ছুফী'' শব্দটো আৰবী ''ছুফ' শব্দৰ পৰা নিষ্পন্ন হৈছে। ইয়াৰ অৰ্থ পশম ( Wool )। আদি ছুফী সকলে এনেকি পৰবৰ্ত্তী ছুফীসকলেও মুগা বৰণৰ পশমী চাদৰ পৰিধান কৰিছিল। ছুফী মতবাদে ধৰ্ম্মীয় মনোভাৱাপন্ন হবলৈ শিকায়, নিজস্ব অহংকাৰ ঐশৰ্য্য বিভুতি আৰু পাৰ্থিব আশা-আকাঙ্খাৰ পৰা সম্পূৰ্ন বিমুখ হোৱাৰ কায়দা সমূহ শিকোৱাৰ উপৰিও প্ৰেমাস্পদৰ প্ৰিয় ভাজন হৈ সৃষ্টিকৰ্ত্তা তথা সৃষ্টিক ভালপোৱাৰ জৰিয়তে কেনেকৈ তেওঁৰ নৈকট্য লাভ কৰিব পাৰি তাৰ বিষয়ে এই মতবাদে এটি সু স্পষ্ট আৰু বলিষ্ঠ জ্ঞান দান কৰে।

খুৰাছানৰ ঐতিহাসিক চহৰ বলখৰ ৰাজকুমাৰ ইব্ৰাহিম বিন আদহাম আছিল প্ৰবীণ ছুফী সকলৰ মাজত অন্যতম। তেওঁ বিপুল ঐশৰ্য্যমণ্ডিত ৰাজ সভাত বাস কৰিছিল। এদিনাখন তেওঁ চিকাৰ কৰিবলৈ গৈছিল। চিকাৰত ভ্ৰমি ফুৰাৰ সময়ত তেওঁ "আঁতৰি যোৱা", তোমাক এই কাৰণে সৃজন কৰা হৈছেনে" বুলি শুনিবলৈ পাইছিল। এই কথাটো তেওঁকেই কোৱা হৈছিল বুলি ভাৱি নিজৰ গৱৰ্ণমেণ্ট ( চৰকাৰ ) পৰিবৰ্ত্তন কৰাৰ উপৰিও ৰাজসিংহাসন পৰিত্যাগ কৰি তেওঁ নিজেই এজন "ছুফী হৈ গল। ইয়াৰ পিছত তেওঁ গোটেই আৰবদেশত ঘুৰি ফুৰে। অৱশেষত তেওঁ চিৰিয়লৈ গৈ তাত নিগাজীকৈ বস-বাস কৰিবলৈ ধৰে তেওঁ সদায় - O God, deliver me from the shame of the relation to the glory of sub mission to you. বুলি" জনাজাত কৰিছিল।

শ্বাক্কীক নামৰ আন এজন মনিষীয়েও একে শতিকাৰ একে মতবাদ বিশ্বাস কৰাৰ উপৰিও পৰম প্ৰেমাস্পদৰ প্ৰতি আত্ম সমাৰ্প'ন তথা আত্মা শান্তিৰ ওপৰিও বিশ্বাস কৰিছিল। এই জনা ছুফীৰ সমসাময়িক উদাইল বিন ইয়াদ নামৰ এজন ছুফীয়ে বিশ্বাস কৰিছিল — To abstain from doing things for the sake of man is hypocracy and to do things for them is idolatry. হাচানৰ এজন সম-সাময়িক এজনী বান্ধৱী ৰাবিয়া বছৰীয়ে যৌৱন কালত সঙ্গীত বিশাৰদ আৰু গায়িকা আছিল। আধ্যাত্মিক পৰিবৰ্ত্তনৰ বাতাবৰণৰ কাৰণে তেৰোঁ ছুফী সন্নামিতী আৰু বিখ্যাত কবি হিচাবে খ্যাতি অৰ্জন কৰিছিল। ছুফী মতবাদ সম্পৰ্কে তেওঁ বহুতো কবিতা ৰচনা কৰিছিল। এসময়ত কোনোবাই তেওঁক "আপুনি আল্লাহক বিশ্বাস কৰেনে ?" বুলি সোধাত তেওঁ উত্তৰ দিছিল "হয়"। শ্বয়তানক তেওঁ ঘিণ কৰেনে বুলি সোধাত তেওঁ কৈছিল—

—"My love of God leaves me no time to hate the devil." ৮০১ খৃঃত জেৰু জালেমত তেওঁৰ মৃত্যু হয়।


পৱিত্ৰ কোৰাণ শ্বৰীফৰ কিছুমান ৰহস্য-পূৰ্ণ "আয়াত" (শ্লোক আৰু হজৰত মোহাম্মদৰ (দঃ) পৱিত্ৰ মুখনিসৃত বাণী কিছুমানৰ কাৰণেই ছুফী মতবাদৰ উৎপত্তি হয়। খৃষ্টীয় নৱম শতিকাত বাগদাদ আছিল ইলাম তাছাউফৰ ঘাই শিক্ষা কেন্দ্ৰ। এই যুগত এইখন নগৰত এই মতবাদৰ দাৰ্শনিক তথ্যপাতিবোৰ বিভিন্ন ভাষালৈ অনুবাদ কৰা হয়। তাৰ পিছৰ পৰাই এই মতবাদত পৃথিৱীৰ বহুতো নৈষ্ঠিক ধৰ্ম্মাৱলম্বীয়ে অনুপ্ৰাণিত হয়। বুদ্ধধৰ্ম, বেদান্তজ্যোতিষ ধৰ্ম্ম আৰু খৃষ্টিয়ান ধৰ্ম্মাৱলম্বী সকলৰ প্ৰভাৱত প্ৰভাবান্বিত হৈ খুৰাছান আৰু পাৰস্য দেশৰ মুছলমান সকলে ছুফী মতবাদৰ সৰ্বাঙ্গীন উন্নতিৰ কাৰণে যথা শক্তি প্ৰয়োগ কৰিবলৈ প্ৰয়াস পায়। এই কাৰণে দেখা যায় যে পাৰসী ভাষাৰ কাব্য সাহিত্যত এই মতবাদৰ প্ৰভাৱ যিমান আছে আৰবী সাহিত্যত সিমান নাই।

ছুফীবাদৰ বিশেষত্ব এয়ে যে এই মতবাদে মানুহক বাহ্যিক কৰ্ম্মানুষ্ঠানৰ প্ৰতি বিশেষ ভাৱে অনুপ্ৰাণিত নকৰে বৰং আল্লাহ তত্ব সম্পৰ্কীয় গোপন ৰহস্য উদঘাটন কৰি প্ৰত্যেক জীৱাত্মাই পৰমাত্মাৰ লগত বিলীন হোৱাৰ কলা কৌশলৰ এটি সুস্পষ্ট জ্ঞান দান কৰিবলৈ অনুপ্ৰাণিত কৰে।

খৃষ্টীয় নৱম শতিকাত ছুফী মতাৱলম্বী কিছুমান মানুহক ইছলামী আইনবিদ আৰু বিশেষ ক্ষমতা সম্পন্ন ব্যক্তি কিছুমানে এই মতবাদৰ অতিৰঞ্জনৰ অভিযোগত নানা ধৰণৰ শাস্তি প্ৰদান কৰে যদিও এই মতবাদত বিশ্বাস কৰা সম্প্ৰদায় আজি-কালিও মুছলিম বিশ্বৰ বহু দেশত দেখিবলৈ পোৱা যায়।

●●





ৰাইজ আৰু অধ্যক্ষ দেৱৰ মাজত—

'অসমৰ মাননীয় শিক্ষাধিকাৰ ডঃ শৈলজানন্দ ভৰালী দেৱক আমাৰ মহাবিদ্যালয়ত নতুনকৈ নিৰ্ম্মিত বিজ্ঞান ভৱনৰ দ্বাৰ মুকলি কৰা দেখা গৈছে।

# নৱজ্যোতি মহাবিদ্যালয় আলোচনী সম্পাদনা সমিতি

( ১৯৮৪-৮৫ চন )



**বহি থকা বাওঁফালৰ পৰা সোঁফাললৈ—**

১। মাহমুদুৰ ৰহমান খান [ সদস্য ] ২। অধ্যাপক মীৰ্জ্জা আঃ হামিদ [ তত্বাঃ আলোচনী বিভাগ ] ৩। অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদ [ সভাপতি, সম্পাদনা সমিতি ] ৪। প্ৰবক্তা ঘনশ্যাম ভৰালী [ তত্বাঃ আলোচনী বিভাগ ] ৫। উপাধ্যক্ষ মোজাম্মেল হোচাইন [ উপ সভাপতি ] অনুপস্থিত।

**থিয় দি থকা বাওঁফালৰ পৰা সোঁফাললৈ—**

১। আছিয়া খাতুন [ সদস্য ] ২। কোৰবান আলী [ সদস্য ] ৩। মাহমুদা খানম [ সম্পাদিকা আলোচনী বিভাগ ] ৪। ওমৰ আলী আহমেদ [ সদস্য ] ৫। সোবাহেৰ খান [ সদস্য ] আয়নাল হক [ সদস্য ]

# ঃ প্ৰাৰ্থনা ঃ

আমজেদ আলী আহমেদ
দ্বাদশ কলি, নৰজ্যোতি মহাবিদ্যালয়।

কিয়বা ধৰিলো জনম এই মৰতত
কাৰ সেৱা উদগনি,
কোনেবা জানি শুনি—
বুদ্ধি দিলে ডুবিবলৈ সংসাৰ সাগৰত।
কোন বাটে বুলিম বাট বুজিব নোৱাৰো,
কোন পথ প্ৰান্তত
কি যে আছে ক'ত,
নেজানো নুবুজো কেনি আগ বাঢ়োঁ।
কিমান যে দীঘল এই মানৱ জীৱন
বাট কুঢ়ি বাই বাই
লাহে লাহে আছোঁ গৈ
নেজানোঁ ক'তগৈ ৰব মোৰ চৰণ।
সংসাৰ সাগৰত মেলি দিছোঁ নাওঁ—
কিন্তু সাগৰৰ নাপালোঁ অন্ত,
ইফালে সিফালে কেৱল দিগন্ত,
কৰ্ত্তব্য বিমুৰ মই কোন ফালে যাওঁ ?
কৃপা কৰাহে প্ৰভু তুমি কৃপাময়,
তোৰ কৃপা অবিহনে
ভাবি আছো মই অনুক্ষণে
কৰিব নোৱাৰোঁ মই একোকেই জয়।
প্ৰভু হে! মই তয় ক্ষুদ্ৰ অতি দাস অনুদাস,
তোমাৰ অবিহনে মোৰ
নাই এই জীৱনৰ—
আৰু নাই পৰকালৰ একোকেই আশা।
তুমিয়েই প্ৰভু দয়াময়
দিয়া বাট দেখুৱাই,
আগবাঢ়ি যাওঁ তোমাৰ নিৰ্দ্দেশিত বাটে,
লাহে ধীৰে গৈ গৈ
ওলাব যেন পাৰোঁ মই
জীৱনৰ শেষৰ বেতৰণী ঘাটে।
বেতৰণী পাৰ কৰি
নিবা প্ৰভু মোক ধৰি,
মহাপাপী আত্মা মোৰ অতিকে দুৰ্ব্বল,
সকলো দায় দোষ
বিচাৰত ক্ষমি মোক
আশ্ৰয় তব চৰণ তলে দিবাহে কৃপাল!

# চৰিত্ৰ

তাহেৰ উদ্দিন আহম্মেদ
দ্বাদশ শ্ৰেণী (কলা বিভাগ)।

অমূল্য ৰতন চৰিত্ৰ ধন,
গঢ়োতে নালাগে বেছি পৰিশ্ৰম।
ভাল গুণবোৰ কৰিলে গ্ৰহণ,
দেখিবা চৰিত্ৰই লইছে গঠন।
প্ৰকৃতিৰ দান এই বস্তুটো
কৰা সঞ্চয় অন্তৰত তোমাৰ;
এৰি দিয়া কুটনীতি, ভেদা-ভেদ ভাৱ,
আৰু যত বেয়া আচৰণ,
লোভ নকৰিবা পৰৰ বস্তুলৈ,
সদায় ৰাখিবা মনত স্মৰণ।
গঠন কৰোঁতে মানৱ চৰিত্ৰ,
নেলাগে টকা পইচা, ধন সম্পদ
সত্যত ৰাখিবা মতি তোমাৰ
সেৱা কৰিবা গুৰুজন।
নিছলা, অভগা দীন হীন জনক
কেতিয়াও নকৰিবা উপলুণ্ডা,
এনেকুৱা আচৰণ নহয় বাহিৰ
চৰিত্ৰবান জনৰ পৰা।
নহয় নষ্ট গুণ গৰিমা,
দৰিদ্ৰৰ সেৱাত;
এইদৰেই কৰি যাবা
ধৰ্ম্মত ৰাখি বিশ্বাস
কৰ্ম্ম মন্দিৰত। ●●



# ঃঃ ৰাজনীতি নেলাগে আমাক ঃঃ

মিচ্ মাহমুদা খানম
টি, ডি, ছি, প্ৰথম বাঃ (কলা)

হয় যদি ৰাজনীতি
কাৰোবাৰ কুটনীতি
অন্যায়, অত্যাচাৰ
নিৰ্য্যাতন, ব্যভিচাৰ
চতুৰতা আৰু কপটতা
হিংসা খিয়ালৰ
গুৰি ধৰোঁতা,
তেন্তে তাক—
নেলাগে আমাক।
বিশ্বৰ শান্তি ভঙ্গৰ
ৰাজনীতিয়েই মূল কাৰণ।
গোটেই বিশ্ব জুৰি
আছে ই ভৰি-পৰি
মানুহক কৰিলেহি গ্ৰাস
মানুহ পশু আজি
ইয়াৰ ছলতে মজি
মনুষ্যত্ব সকলো নাশ
ধন, জন, ধৰ্ম জাতি
কত যে হায়।
নাশ হয় কেবল বৃথায়।
ভায়ে ভায়ে বন্ধুয়ে বন্ধুয়ে
কন্দলে নিৰবধি.
নৰদলে শত্ৰু সাজি
নৰ দল বধি
বোৱাইছে তেজৰ নদী।
বগা পানী
কলা মাটি
বিশাল ধৰণীৰ আজি
কোটি কোটি নৰ নাৰীৰ
ৰঙা কেচা তেজ ধাৰিৰে
হৈছে হায় ৰঙালী।
আজিৰ পৃথিবীৰ,
হিংসাৰ নতুন উৎসাহ, উদ্দীপনাই
ভাৰতকো কৰিছে ভ্ৰান্ত।
শান্ত ভাৰত আজি অশান্ত।
হিংসা ক্ৰূৰতাৰ বাবেই
ৰাজনীতিৰ বাবেই
পঞ্জাব মহাৰাষ্ট্ৰ ৰক্তাক্ত।

আজি ধৰ্ম নিৰপেক্ষ অসমৰ,
হিন্দু মুছলিম আদি যত জাতিৰ
কঠিন বান্ধোন কোটি কোলীয়া
প্ৰেম মিলাপ্ৰীতিৰ,
চুৰ্ণ, বিচুৰ্ণ মাথো
ৰাজনীতিৰ বাবেই
তৃতীয় বিশ্বযুদ্ধই অপেক্ষা
কৰি আছে—
ৰাজনীতি'ল ।
সেয়েহে,
শান্তিকামী নৰ-নাৰীৰ
তীব্ৰ প্ৰতিবাদ
ৰাজনীতি নেলাগে আমাক ॥

*❋*

## ঃ নগ্ন বাস্তৱ ঃ

আব্দুল খালেক
নৱজ্যোতি মহাবিদ্যালয়,
প্ৰাক্ বিশ্ববিদ্যালয় দ্বিতীয় বাৰ্ষিক
( কলা শাখা )

বজাৰ এইখন,
সঘনে বহে য'ত,
দুৰ্নীতিৰ হাট ;
মানুহৰ ওপৰত –
দিনে নিশাই চলে মানুহৰ
অমানুসিক অত্যাচাৰ ।
সোঁৱা যে দেখিছা—
সভ্যতাৰ মুখা পিন্ধা নগতা ফুকন ;
জনমিছে কুমাৰীৰ
নগ্ন দেহ ফালি,
সমাজৰ জাৰজ সন্তান ।
সেয়া— ?
এই কুৰি শতিকাৰ নগ্ন বাস্তৱ ।

## ঃ জীৱন ডালত ঃ

আহিলা ধৰালৈ কোনোবা দেশৰ পৰা,
গঢ়িবলৈ পাৰিবা জানো মনৰ আশা ?
যাবই লাগিব আকৌ সেই দেশলৈ
ৰবলৈ সময় যে আৰু অলপো নাই ।
সময় বৰ কম বাট বহু দুৰ,
পিছলৈ ঘুৰি চাবৰ আৰু সময় নাই
জীৱন দুপৰত যদি হোৱা চঞ্চল,
কণ্ঠ যদি শুকাই যায় তৃষ্ণাৰ বাবে ।
ভাগৰত লাল কাল দেহ যদি হয়
অভিশপ্ত হব তোমাৰ এই জীৱন ।
ভেটফুল হাঁহি থকা কোনো পুখুৰীত
খাবলৈ পানী সিটোৰ নকৰিবা মন,
লক্ষ্যস্থান বহুদূৰ নৰবা থমকি,
জিৰণি লবৰ যে সময় আৰু নাই ।

আব্দুছ ছবুৰ আহমেদ
এইচ, এচ, ছি, প্ৰথম বাঃ (ক'লা)

●❋●

## ঃ ওলাই আহ ঃ

ওলাই আহ ওলাই আহ
লুইতৰ পাৰৰ অসমীয়া ।
ওলাই আহ ওলাই আহ
সাত ভনী সাতো ৰহনীয়া ॥
সাতোৰে ৰঙৰে ৰামধেনু সাজি –
জননীৰ চৰণ ধুৱাও আহ ।
ঘৰৰ চালত পৰিছে শগুন
চোতালত পাতিছে সবাহ ॥
শগুনেই যদি ৰজা হৈ যায়
গুছিব ঘৰৰ পৱিত্ৰতা ।
তেনে সেই শগুনক বধিবলৈ তই
হেংদাং লৈ ওলাই আহ ॥

আব্দুল মান্নান আহমেদ
এন, জে মহাবিদ্যালয় (কলগাছিয়া)
একাদশ শ্ৰেণী (ক'লা)

*❋*

## ঃ মই ঃ

মোৰ জীৱনৰ
প্ৰতিটো খোজৰ
ছন্দে ছন্দে গঢ়ি উঠা,
দুখ বেদনাবোৰ
থুপাই থৈছো মই
গোলাপৰ পাহিৰ দৰে।
যেন সেইবিলাক মোৰ,—
ভৱিষ্যতৰ উজ্জ্বল কহিনুৰ!
মই যেন আজি
মনৰ মাজত, তুহঁ জুইৰ দৰে
উমি উমি জ্বলি থকা—
প্ৰতি হিংসাবোৰ!
চূৰ্ণ বিচূৰ্ণ কৰি—
উৰি গুচি যাম দূৰ দিগন্তলৈ।

মোঃ শোৱাৱেব খান
এন, জে মহাবিদ্যালয় (কলগাছিয়া)
টি, ডি, ছি, প্ৰথম বাঃ (ক'লা)

*❊*

## ঃ অপেক্ষা ঃ

অতীতৰ স্মৃতিবোৰ
জাপ নভঙা গামোচাৰ দৰে
সাঁচি থৈছিলো ব্যক্ত কৰিবলৈ
এজন মনৰ আপোন মানুহক।
গছৰ পাতবোৰ সৰি সৰি
সময়ত নঙঠা হ'ল
সেউজীয়া পাত আহিবলৈ
এতিয়াও যে বহুত পৰ।
মনৰ দৃঢ়তা সূৰ্য্য মুখী
ফুলটোৰ দৰে
সুকযলৈ চাই চাই
তাই এদিন ভাবিছিল
এদিন নিঃস্বাৰ্থ হৃদয়ৰ কথা॥

আবু বক্কৰ ছিদ্দিক
এইচ, এচ ছি, প্ৰথম বাঃ (ক'লা)

*❊*

## ঃ প্ৰাৰ্থনা ঃ

নয়নত মোৰ দৃষ্টি দিয়া
অপাৰ সৌন্দৰ্য্য চাওঁ,
শৰীৰত মোৰ শক্তি দিয়া
পৰ্বত বগাবলৈ যাওঁ।

হৃদয়ত মোৰ প্ৰেম দিয়া
মানৱতা কি শিকোঁ,
বিবেকত মোৰ বুদ্ধি দিয়া
নিৰ্ভয়ে যেন থাকোঁ।

মনত মোৰ স্থিৰতা দিয়া
নেহেৰুৱাও যেন ধৈৰ্য্য,
অজ্ঞানতা দূৰ কৰি দিয়া
চিনি পাওঁ যেন ন্যায্য॥

মোঃ হাফিজুৰ ৰহমান
এন, জে, মহাবিদ্যালয় (কলগাছিয়া)
একাদশ শ্ৰেণী (বিজ্ঞান শাখা)

❊*❊

## ॥ মিনতি ॥

হে দয়ামময় প্ৰভু—
আদি পিতা ভগৱান,
তোমাৰ ৰূপত জ্বলে
সো নীল আসমান।

তোমাৰ ৰূপত ৰূপিত
ৰূপালী জোনাকী চন্দ্ৰ,
এন্ধাৰত তাই হ'ল
পোহৰৰ ঘাই কেন্দ্ৰ।

তোমাৰ পোহৰত
পুলকিত বিশ্ব-চৰাচৰ,
ঠিক তেনে আমাৰ
দূৰ কৰা কালিমা মনৰ।

মোঃ আয়নাল হক
এন, জে, মহাবিদ্যালয় (কলগাছিয়া)
টি, ডি, ছি, প্ৰথম বাঃ (ক'লা)

❊❊❊

# ॥ আমাৰ আহ্বান ॥

মোঃ ওৱাহাব আলী
একাদশ শ্ৰেণী ১ম বাৰ্ষিক (কলা)
নৱজ্যোতি কলেজ (কলগাছিয়া)

আমি অসমীয়া জাতি শকতীয়া
কেতিয়াও দুৰ্বল নহওঁ ;
জাতি ৰক্ষাৰ গোপনীয় কথা
অইনৰ ওচৰত নকওঁ ।

ইয়াৰে দৃষ্টান্ত উদাহৰণ দেখালে
জয়মতী, লুকুডেকা, ফুকন ;
নিজৰ গৰাকী ৰক্ষাৰ আশাৰে
আহুতি দিলে প্ৰাণ ।

কুঁশল কোঁৱৰেও ফাঁচি কাঠত উলমিল
অসম ৰক্ষাৰ বাবে ;
সেইবোৰ কথা মনত পৰিলে
এনেই চকুলোঁ টুকে ।

অসম বুৰঞ্জীৰ পাত লুটিয়ালে
বীৰৰ অভাৱ নাই ;
সেই সকল বীৰ নাচিছে এতিয়া
স্বৰ্গৰ জখলাতে গ'ই ।

অসমৰ বীৰ অসমত নাই
ফুৰিছে স্বৰ্গত গ'ই ;
সেয়েহে আজি অসমৰ মাজত
জাতিৰ উন্নতি নাই ।

স্বৰ্গৰ পৰা নামি আহি
আমাক কৰা ত্ৰাণ ;
অসমীয়াৰ মাজত জন্ম নলভিলে
নাথাকে জাতিৰ মান ।

***



# ঃ মহাবিদ্যালয় সপ্তাহ ঃ

আব্দুল হামিদ
পি, ইউ ২য় বাৰ্ষিক
(বিজ্ঞান)

বহুদিন ধৰি শিক্ষা জগতত
চলি অহা তুমি
"মহাবিদ্যালয়ৰ সপ্তাহ"
হলা শিক্ষা জগতৰ
এক বিশেষ অংগৰ
তোমাতে লুকাই আছে
ব্যক্তি এজনৰ মহান ভৱিষ্যত ।
নৱৰূপে জয় দিয়া তুমিয়েই
মানৱ জাতিৰ মূলাধাৰ,
কতজনৰ জীৱন
সাৰ্থক কৰি আহিছা তুমি
আৰু বা কিমান আছে বাকী
এই বিশ্বৰ বুকুত । **

( আকস্মিক কবিতা ৰচনা প্ৰতিযোগিতাত ২য় পুৰস্কাৰ প্ৰাপ্ত )

## ঃ মহাবিদ্যালয় সপ্তাহ ঃ

অ, মহাবিদ্যালয় সপ্তাহ
কিনো তোমাৰ মহিমা
বুজিব নোৱাৰো হায় ! ·· ···
তোমাৰ মাজত
বিচাৰি ফুৰিলে
সহস্ৰ জ্ঞানৰ
প্ৰতিভা পোৱা যায় ;
ছয়দিনীয়া কাৰ্য্য সুচীত
এদিনীয়া চেষ্টাৰে
জ্ঞান কেনেকৈনো পায় ?
সঁচা-মিছা, সৎ-অসৎ
আদিৰ পাৰ্থক্য
তুমি দেখুৱাই দিয়া
তেহে সাৰ্থক হ'ব
পোহৰৰ তৃষীয়া
এই অধমৰ হিয়া ।

তাইজউদ্দিন আহমেদ
বি, এ, ২য় বাৰ্ষিক

## ঃ কল্পনা ঃ

আকাশত জিলিকি থকা তাৰকা ৰাজ্যত মই
হম নেকি তৰা ?
ৰিণি ৰিণি পোহৰেৰে ক্ষীণ ভাৱে আহি পাই
আলোকিম ধৰা,
নতুবা কি আকাশৰ নীৰৱ নিস্তব্ধ মাজে
লুকাই পৰিম,
শান্তিৰ দোলাত উঠি তোমাকে বিচাৰি মই
ভৰথি ফুৰিম ।
হম নেকি ফুলনিৰ ফুলি থকা কলিটিৰ
কুমলীয়া পাহি ?
ৰঙত কিৰিলি পাৰি বতাহত হালি জালি
মাৰিম নে হাঁহি ?
কল্পনা কুৱঁলী মাজে লুকা-ভাকু খেলি মই
ধ্যান মগ্ন হম ;
কোনেওঁ নেদেখে মোক কোনেওঁ নকৰে শোক
মই যত ৰম ।

জহিৰুল ইচলাম
একাদশ (ক'লা)

## ঃ কৌতুক ঃ

আঃ হাম্মিদ
স্নাতক মহলা (প্ৰথম বাঃ কলা)

সাহিত্যিক এজনে তেওঁৰ সৰু ল'ৰাক কলে "বোপা নেহৰু যেতিয়া তোৰ বয়সৰ সমান আছিল তেতিয়া তেখেত শ্ৰেণীত সদায় প্ৰথম হৈছিল আৰু পুৰস্কাৰো পাইছিল" ।

ল'ৰাজনে তেতিয়া মানুহজনৰ মুখৰ ফালে চাই কলে "দেউতা, তেওঁ যেতিয়া আপোনাৰ বয়সৰ সমান আছিল, তেওঁ তেতিয়া প্ৰধান মন্ত্ৰীও হৈছিল" ।

## ঃ অলপ হাহোঁ আহক ঃ

Abu Bakkar Siddiquc.
H. S. C. Ist yr (Arts)

স্কুলত বাইদেৱে প্ৰদীপক কলে— তুমি কালি তিনিটা ইংৰাজি বাক্য মুখস্থ কৰি আহিবা। স্কুল ছুটীত প্ৰদীপে ভাবি ঘৰলৈ গৈ থাকোতে বাটত দুজন লৰাক যুঁজ কৰি থকা দেখা পালে। যুঁজি থকা ল'ৰা দুজনে ইজনে সিজনক "ইউ ছেট আপ' 'ইউ ছেট আপ' বুলি চিঞৰি আছিল। তেওঁলোকৰ পৰা প্ৰদীপে প্ৰথম ইংৰাজী বাক্যটো মুখস্থ কৰি ললে। আৰু কিছুদূৰ গৈ প্ৰদীপে দেখিলে, ডেকা এজনে তেওঁৰ পিনে আহি থকা পৰিচিত ছোৱালী এজনীৰ ওচৰ পোৱাত সুধিলে "হেলো মাই ডাৰ্লিং' কেনে আছা, কলৈ যোৱা ? এইখিনি শুনি প্ৰদীপে দ্বিতীয় শব্দটো মুখস্থ কৰি ললে। প্ৰদীপে গধুলি পাৰ্কলৈ গৈ বেঞ্চ এখনত বহিল। অলপ পিছত ফুৰিবলৈ অহা ছোৱালী এজনীয়ে তেওঁৰ লগত অহা ডেকাজনক বেঞ্চত বহিবলৈ কলে, ডেকাজনে কলে নহয় তুমি আগতে বহা— 'লেডিছ ফাষ্ট'। প্ৰদীপে তৃতীয় শব্দটোও মুখস্থ কৰি ললে।

দ্বিতীয় দিনা বাইদেৱে শ্ৰেণীত সুধিলে, প্ৰদীপ ইংৰাজী শব্দ কেইটা মুখস্থ কৰি আহিছানে ?

হয়, বাইদেউ মুখস্থ কৰিছোঁ।

বাৰু কোৱাচোন।

প্ৰদীপ— 'ইউ ছেট আপ'।

বাইদেউ— কি কৈছা ? লাজ লগা নাই ?

প্ৰদীপ— 'হেলো মাই ডাৰ্লিং'।

বাইদেউৱে খঙত জলি উঠি কলে, বেঞ্চৰ ওপৰত আঠুকাঢ়া।

প্ৰদীপ— লেডিছ ফাষ্ট।

## : আণ্ডাৰ পেণ্ট ঃ

আবু বক্কৰ ছিদ্দিক
নৱজ্যোতি মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক
প্ৰথম বাৰ্ষিক (কলা)

এজন মানুহে দৰ্জীক এটা পায়জামা চিলাব দিছিল। কেইদিনমান পিছত সেই পায়জামাটো আনিলে, পিছদিনা ৰাতিপুৱা যেতিয়া পিন্ধিলে দেখিলে পায়জামাটো প্ৰায় ৪ ইঞ্চিমান দীঘল হৈছে, সি ভাবিলে এইটোনো দৰ্জীক কি বুৰাই দিম ঘৰতে যেতিয়া চিলাই মেছিন আছে তেন্তে ঘৰতে চাৰি ইঞ্চিমান কাটি চিলাই লব পাৰিম। গতিকে সি ঘৈণীয়েকক কলে, হেৰা মই গা ধুবলৈ যাওঁ অফিচলৈ যাওতে পায়জামাটো পিন্ধি যাব লাগিব। সেই হেতুকে পায়জামাটো তুমি দীঘলখিনি ৪ ইঞ্চিমান কাটি ঠিক কৰি দিবাচোন। ঘৈণীয়েকে সেই সময়ত ৰান্ধনী ঘৰত ব্যস্ত থকাৰ কাৰণে অলপ পিছত দিম বুলি কলে, তেতিয়া মানুহজনে ভাবিলে যে ঘৈণীয়েকৰ হয়তো সময় নহবও পাৰে। গতিকে ডাঙৰ জীয়েকক কলে "মই মোৰ পায়জামাটো ৪ ইঞ্চিমান দীঘল হৈছে, কাটি চিলাই কৰি দিবাচোন। মই গা ধুবলৈ যাওঁ, অলপ পিছ[...] ছোৱালীজনী ৪ ইঞ্চিমান কাটি ভালকৈ চিলাই কৰি থৈ গা ধুবলৈ গ'ল। ঘৈণীয়েকে ৰন্ধা-বঢ়া কা[...] শেষ কৰি থৈ আহি লৰা-লৰিকৈ গিৰিয়েকে[...] কোৱা মতে ৪ ইঞ্চিমান কাটি পায়জামাটো চিলা[...] কৰি একেঠাইতে থৈ দিলে মানুহজনে গা ধু[...] আহি দেখিলে যে পায়জামাটো একেঠাইতে তা[...] কৰা আছে। সি ভাবিলে কোনেও বোধহয় তেওঁ[...] আদেশ পালন কৰা নাই। খঙতে তেওঁ পায়জামাটো লৈ গৈ ওচৰতে থকা আন এটা দৰ্জীক ? গৈ কলে, হেৰা ইয়াত ৪ ইঞ্চি কাটি চিলাই কৰি থৈ দিবা মই ভাত খাই আহি লৈ যাম। দৰ্জীয়ে সেইমতে কা[...] চিলাই কৰি থৈ দিলে। খাই বৈ উঠি পায়জামা[...] আনি যেতিয়া তেওঁ পিন্ধি দেখিলে যে ন[...] পায়জামাটো এটা আণ্ডাৰ পেণ্ট হে হৈ পৰিছে

●✲●



## ঃ কৌতুক ঃ

তিনিজন মানুহে ইংৰাজী শিক্ষাৰ মন কৰি এটা তিনি আলিত গোট খালে। সিহঁতে দিনটোত কি কি শিকিব পাৰে এই উদ্দেশ্যে তিনিওজনে তিনি ফালে গ'ল। সন্ধিয়া তিনিওজনে সেই তিনি আলিত আকৌ লগ হৈ কোনে কি শিকিলে আলোচনা কৰিবলৈ ধৰিলে।

প্ৰথমজনে শিকিলে— We are three.

দ্বিতীয়জনে শিকিলে— Just now.

আৰু তৃতীয়জনে শিকিলে — We are very happy.

দুৰ্ভাগ্যবশতঃ সিহতে আলোচনা কৰা ঠাই খিনিতে এটা হত্যাকাণ্ড সংঘটিত হ'ল। এই খবৰ পোৱা মাত্ৰকে পুলিচে গাড়ী লৈ তাত উপস্থিত হ'ল।

পুলিচৰ O/c জনে কলে — Who killed the man ?

প্ৰথমজনে কলে,— We wre three.

O/c জনে খঙতে কলে,— When you have killed the man ?

দ্বিতীয়জনে কলে,— Just now.

তেতিয়া O/c জনে কলে.— You are arrested.

সৰ্বশেষত তৃতীয়জনে কলে,— We are very happy.

●✲●

আঃ মান্নান আহমেদ
নৱজ্যোতি মহাবিদ্যালয় উচ্চতৰ মাধ্যমিক
প্ৰথম বাৰ্ষিক (কলা)

## ঃ কৌতুক ঃ

গাড়ীৰ পৰা ভদ্ৰলোক এজন নামিল। অলপ দূৰৰ পৰা ভিক্ষাৰী এজন আহি অভিযোগৰ সুৰত কলে "বাবু অন্ধক দহটা পইচা দিয়ক"। ভদ্ৰলোক জনে ভিক্ষাৰীৰ ফালে চাই কলে, "তুমিতো অন্ধ নহয় ; কিয়নো তোমাৰ এটা চকুহে কণা"। তেতিয়া ভিক্ষাৰী জনে কলে, "তেনেহলে পাঁচ পইচা দিয়ক"।

★★

ৰুস্তম আলী
স্নাতক মহলা ২য় বাঃ (কলা)

"ৰাজনৈতিক বিক্ষোভ আৰু দলীয় ৰাজনীতিত ছাত্ৰ আৰু শিক্ষাব্ৰতীয়ে অংশ গ্ৰহণ কৰাটো সম্পূৰ্ণৰূপে মই ভুল বুলি ভাবো"। কঠোৰ শিক্ষা ব্ৰত এনে উত্তেজনা মূলক কামে বাধা দিয়ে, আৰু ভবিষ্যত নাগৰিক স্বৰূপে কঠিন কামত ব্ৰতী হোৱাৰ ক্ষেত্ৰত ছাত্ৰ সকলক অনুপযুক্ত কৰে।

মহাত্মা গান্ধী

★✲★

## ঃ কৌতুক ঃ


আঃ মান্নান আহমেদ

নৱজোতি মহাবিদ্যালয় উচ্চতৰ মাধ্যমিক

প্ৰথম বাৰ্ষিক (কলা)


শ্ৰেণীত শিক্ষকে পাঠ বুজাই আছে। তেতিয়া শেষৰ বেঞ্চত বহা পল্টু নামৰ ল'ৰা জনৰ পঢ়াৰ ফালে মননাই। সি নিগনি এটাৰ ঘূৰা ফুৰা লৈ চাই 'এই সোমাইছে' 'ওলাল' আদি সৰু সৰুকৈ কৈ আছে। এনেতে শিক্ষকে তাক লক্ষ্য কৰি সুধিলে, পল্টু কাণত সোমাইছে নে নাই? নিগনিটোৰ কথালৈ লক্ষ্য কৰিয়েই সি উত্তৰ দিলে,— সোমাইছে ছাৰ মাত্ৰ নেজডাল বাকী।


আঃ মান্নান

নৱজ্যোতি মহাবিদ্যালয় উচ্চতৰ মাধ্যমিক

প্ৰথম বাৰ্ষিক (বিজ্ঞান শাখা)


এজন মানুহ আধা বয়সীয়াল, তেওঁ দাৰ্শনিক পণ্ডিত আছিল। দিনতো নানান কাৰণত মানুহ আহি তেওঁক জুলুম কৰি থাকেহি।

এদিন তেওঁ নিজৰ পঢ়া কোঠাত বহি পঢ়াত মগ্ন এনেতে তেওঁৰ বৰ পুতেকে আহি কলেহি, দেউতা — ভূমিকম্প আহিছে। ওলাই আহক।

দেউতাই কলে— 'যা, যা কালিলৈ আহিবলৈ কবি, আজি মোৰ সময় নাই।' পঢ়াই পঢ়াই দাৰ্শনিক জনে উত্তৰ দিলে।

— আইনষ্টাইন

"যি মানুহে নিজৰ আৰু লগতে অন্যান্য জীৱৰ জীৱনক অৰ্থহীন বুলি বিবেচনা কৰে সিয়ে কেৱল হত-ভাগা তেনেই নহয় বৰং তাৰ জীৱনৰে কোনো মূল্য নাই"।

— প্লেটো

"একমাত্ৰ সেই পৰম সত্বাই সত্য জগত, মিছা মায়া আৰু মৰিচিকা মাথোন। এই যে সুন্দৰ পৰিদৃশ্যমান জগত ইয়াৰ কোনো মূল্য নাই। সপোনৰ দৰে ই এদিন ধ্বংসৰ পথত মিহলি হৈ যাব— ৰৈ থাকিব কেৱল সেই পৰম ধ্যান বা পৰম সত্বা"।

"O belivers! under the peace, all of you." (2 : 208 At Quran)

"Allah Summons to the abode of peace" (10125 At Quran)

"জিভাই একমাত্ৰ অস্ত্ৰ যাক বেছিকৈ ব্যৱহাৰ কৰিলে চোক বাঢ়ি যায়"।

ওৱাছিংটন আৰভি

"পৰ্যাপ্ত পৰিমাণেৰ জ্ঞানে চিন্তা আৰু ভয়ৰ পৰা মুক্ত ৰাখে"।

লাওছে—

***



## : The New Education Policy :


A brief look by

**Mozammel Hussain.**

Vice – Principal.


Educational system of a country should cater to the needs of its people. It is the most vital instrument for Social change and the only road to development. No nation, therefore, can give back to it without going for a risk as it prepares the people to meet with the challenges of time. It is most welcome that the Government of India headed by its young and dynamic Prime Minister Mr. Rajiv Gandhi have set the attention of the nation to the need of re-thinking on the system of education that prevails in India. It is quite known to all that the system of education that came out of the education policy of 1968 has been a topic of criticism since over a number of years on many grounds, that it has failed to fulfil the growing aspirations of the people of India, that it has created more unemployment then solving it, that it fails to use scienec and technology in a proper way as a result of which the nation is lagging far behind in comparasion to the developments that are taking place in the developed countries. The developed countries have to-day worked miracles by applying scientific and technological know how in the day to-day life of the people of those countries particularly by using the systems of computer and automation in productive and other fields. Moreover, the world is passing on to the next country ie; the 21 st century after a short period of 14 years from to-day.

The present generation must be prepared to be fit for the coming century, and thus the need arises to reminded the existing system of education. And it is also felt that the most important need of the hour in new of the vastness and diversity India where people are having diverse languages culture, relegion, taste and a diverse way of life, is to maintain unity and integrity of the country. It thus be comes necessary to educate the people in wider perspective and in culcate feelings of patriotism and pride in India's heritage in them so that they feel proud to be Indian citizens and work for sustaining India's unity and integrity. Considering all these points the Government of India have come for word with a document being called, "challenge of Education, —a policy perspective". A national debate and discussion on this topic was unitiated by the central Government soon after the new Government with shri Rajiv Gandhi as the prime Minister was formed. The main points that have been raised for discussion by the 'Document' are as follows ;

1. Miserable state of primary School.
2. AL arming School drop-out rates ( which is 77%presently ),
3. Poor progress of Female literacy ( which is 27%presently ).
4. The failure of Education policy of 1968.
5. Slipping of performance standerds behind tergets.
6. Enormeus stron on of higher education.
7. Rotten Examination system.
8. Decline in financial allocation.
9. Falling standards of professiond institutions.
10. Politcisation of educational instituations. The Document' also initiates discussion on the relationships beforeen poverty and literacy : Society and the School education and the economic development, education and social cultural challenge and education and democracy based on popular participation.

The Document also gives some suggestion for improving the educational system. Some of them are given below—

1. Delinking jobs from the degren.
2. Universali sation of primary education.
3. Promotion of vocational education
4. Linking education to cultural setting.
5. Promotion of national Co hesion.
6. Re-organisation of curricula and text books to curls parochial and communial interpretation of India's composite culture.
7. Large-scale and effective use of communication technology.
8. Strengthening of teachers training instituations.
9. Establishment of a national open university
10. Promotion of a mass movement for literacy.
11. Acquaittance of students with country's rich heritage.

The following points should not be ignored while giving final shape to the new education policy.

The universalisation of the primary education should include making elaborate arrangement for free and compulsory education in the pre-pri-mary stage ie ; from the age of 3 to the age of 5.

Second as there is the need of uniform pettern of education all over the country so it is felt necessary that the curricula and the syllab should also be made uniform as for as practicable.

Third, the three language formula should be impleacuted through the new education policy and while passing on to the regional language the importance of the English and Hindi languages should be retained.

Fourth education, should be retained as a subject in the concurrent list so as to generate Co-operation before in the centre and the state.

Last, but not the least, educational facilities should be distributed equally so that ever the Schools situated is the remotest villages benefit.

***

## : Spring :

Abdul Hamid.

T. D. C. 1st yr. (Arts)

I hear a shout of joy,
An enchanting song of bird ;
I see a cow-herd boy,
His wild thoughtless mirth,
The bushes dance in April breeze,
To shake off the winter dirt,
The trees, their aged pause do miss,
Nature plays her darkest art.

Dress'd a green comes the spring
Among the forget-ful men ;
To make them play, dance and sing,
Burry the winter in festive din,
She makes the birds sing breeze blow,
Men, infrenzy, run to plough.

● ●



## : Socialism in its Simplest from :

A. Mannaf Ahmed.

H. S. C. II yr. (sc.)

To tell or write something about socialism, one must be conscious of the present economic phenomena of the society and at the same time of the history of the socialite thought. When majority of the people of society are not satisfied with the present social order, they try their best to reconstruct it. This attempt for the reconstruction of society usually results in attaining socialism, the most common slogan in the 20th century. Moreover socialism in its simplified form aims at the creation of a true classless, secular and democratic society.

Let us now examine the history of socialism. It was practised in the real sense of the term in the ancient primitive commuties. It has been confirmed by many an thropologists and also by Marx. At that age, it was in its rudimentary form owing to the uncomplicated structure of the said primitive communities. Then came the middle period of the civilised human society in which this simple and primitive socialism was replaced by the complicated patten of the feudalistic society which began with serfdom and ended in imperialism. The virtues of the simple and primitive socialism were also replaced by the previously unknown evils e. g. a society having different and in equal classes broadly divided into the higher rich was gradually replaced by capitalism yet owing to the vested interests the status an was maintained unashamedly.

Then through marx and Engels socialism came as a reaction to this

capitalism in the form of communism which aimed at the removal of the inequalities in a society and at making it a truly classless society. It was characterised with a violent theory of a total and through revolution to achive the end. In a socialistic state, the means of production is managed by the society as a whole. Hence socialism implies the opposite meaning of capitalism in which there is private owner ship of property and every small group of people exploit the race in almost all matters. Like Dr. Tugan Bar nowsky. We are compelled to admit that under socialism the exploitation of any member of the community is impossible. The decision of what will be produced and how much will be based upon the usefulness to the society in place of profit. A Central Planning Authority will guide the production of different branches.

While we think of socialism, it is natural for us to come to the term capitalism. capitalism mainly consists of two classes, the capitalists and the wage corners. Marx believed that the gradual increase of production and income in a few hands and the increase, of wage corners would lead of the downfall of capitalism. With the proper downfall of capitalism there will be a classes society.

Again in a socialistic state, the marginal costs will be equal to the price. The industries will control the factors of production and the marginal real production will be equal to the average rates of wages. Thus the maximum or proper satisfaction is achived. But capitalism cannot maximise satisfaction or out put and the periodic crisis is bound to occur in it. The market prices are not always the proper guides to production. The competitive price systems based upon the demands of consumers relating to the income level, only can satisfy the richer classes.

Under socialism by the trial and error method, a point of equalibriam will be reached when the quantity of demand will be equal to that of supply.

The decision of continuing socialism or capitalism or any "ism" in a particular country should be in the light of history, tradition and present situation.

●●

# : INDEPENDENCE DAY :

( 15th of August )

**Rustam Ali Ahmed**
P. U. 2nd yr, ( Arts ).

15th of August is a red letterday in the history of India. On this day India was partioned by the Britishers. The Indians had been fighting since 1857 to get freedom from the British Rule and after a struggle of 90 years ourcherished goal was achived by the freedom Fighters. This day is celebrated with great pomp and show in every nook and corner of the country. We celebrate this national festival to pay homage to the memory of those who sacrificed their lives for the sake of freedom for the country.

On this great historic day we take stock of our achivements and failures which we had to face in the past.


On this eventful occasion the Prime Minister of India hoits of the National flag on Red Fort of Dalhi followed by a National Anthem and delivers a speech where in he days stress for the need of unity among all the people of country irrespective of caste and creed, on this day we should take a pledge to solve the problems such as poverty, iltiteracy, storlage of food and unemployment.

If these problems are solved, them India can progress by leaps and bounds and it will be a self sufficient country.

This day is celebrated in School

enthusiastically by the students. They start preparation well in advance. The Schools are lestfully decorated with picture and photograph of National leaders such as Mahatma Gandhi, shri Jawaharlal Nehru etc. The Principals extend invitations to some high dignatories to deliver a speech to students and inagurate the flag hoisting ceremony.

Many Schools organise the cultural programmes. On the memorable day the Students are advised to devote their time to their studies and aquire knowledge about the petriots and freedom fighters and to follow the path of patriotism. They should not be narrow minded in thoughts and actions. The should firmely resolve to sevre the great causes that were chosen by Mahatma Gandhi.





## : Tears and laugher :

**A. Mannaf Ahmed**
H. S. C. II yr. (sc)

The colour,
Through which my life was coloured
Was vanished in the room.
The tune,
Through which my life was danced
Was stopped forever.
The lap of the tree,
Where I forget the tiredness
Was gone away;
The wind,
Which pleased me once,
Was quite hot.
The rivers,
From which I drank cold water
Was drid up.
The flower,
Which was my inspiration
Was faded up by the hand of time.
Then,
What remined in my life ?
Nothing but tears and laughter,
Life is nothing
It's a game of tears and laughter
Where I must live for thee, for all time.

***



## Need for challange to Effluvium and non-plus in Education.

To achieve Education in Inida has become a serious threat to the students and their guardians. The system of education our generations have been achieving under is of conventionally British colonial one. The English while ruling over India established the system for administrative purposes. Problems of unemployment, zeal for scientific uplift, and economic and social development moves got priority. As such no modifications and additions were attached to the system. After British rule the conventional system was being sticked to.

The than British system of education has very little to do with varieties. of issues to be tackled in scientifically technologically, socially and psychologically developing India. Developments of a country assumes



importance to expansion. Expansion creates problems which are to be tackled in perspectives. To do such things human resources of a country should have proper knowledge of know how. Then and then only a country can have proper development.

What we find in India for the last few decades is that the system of education is changed with some modifications and is allowed for sometime as to continue on experimental basis. The result we have been achieving is always the same the problems-generator.

We are used to say that most of the European and American countries have cent percent educated citizens. Don't they have unemployment problem, do they have population-problem ? Almost they do not have such problems. Let us look into America where cent percent people are educated but where unemployment problem is not a threat. Their system of education starts changing with questions of the hour. Science and Technology, Agriculture and Commerce play vital role in the shaping of American economy. Education, there is a productive weapon in all spheres. of human-need. Natural resources are always akin to human-resources. They are, it is therefore, almost controlling the world-commercial enterprise. So also is the case with U. K and France in Europe and Japan in Asia.

In India only 35% of its population are educated. Still unemployment-problem has stood as draggons Millions of educated youths remain jobless. Crores of students pass their days in constant apprehensions whether or not they will have job. This is entirely a state of non-plus and working among the students and their guardians as effluvium. This non-plus and effluviums are so overwhelmingly on role because of the lack of plan in our education system. The new system of education emenciated by our Prime Minister Sri Rajib Gandhi very recently on job-orientation illuminates hopes and aspirations in greater degree than frustartion.

Our students in colleges and universities are always non-chalant for their future. In class rooms it can be observed that because some degree are to be attained so they go into the class-rooms. They do not like to spend much for receiving better learning because they think that their expenses will be fruitless. This depressive state of mental outlook of our students needs to be changed. India is in developing stage. It has widened its sphere of activities. And coherently her problems are also expanded. Careful tackling of these expanded problems will be get brights future. Now, this is just like a part of a lecture of a politician who speaks to others to develop but does not speak how to develop. Though I am not an expert in this field still I would like to suggest our students to slightly modifies their line of actions and thought. My suggestions will be befitting more for the students of rural area than those of the towns and cities,

White colour-job is almost a dream for the poor and mediocre students. Let us be independent and create some white colour jobs for others. Let us have a paultry farm secondly let us bring pesticides an fertilizer, thirdly let us choose a plot of land and cultivate horticulture. Fourthly, let us have shops of play goods and goods of contingencey and these shops be installed neon the developed institutions, Fifthly, let us purchase buses and trucks on loan, Sixthly, let us open pharmacy of good standard in interior places with help of doctors intersted in social works seventhly, let us open workshops of agricultural articles, eightthly, let us make arrangements of short distance transportation for women folk of our interior villages where neither private nor public vehiclrs are available. Now in doing all such things small societies of unemployed youths must be formed both for capital and management. In order to do such thinge are highly necessary— in centive and initiative. Our unemployed youths must venture to come forward to give a new outlook to the students who have almost become non-committal.



Commence in almost all commodities is playing vital r.le in the development of a nation as industry is doing our educated youths should note it well that they need jobs— be it in private enterprise or in public interprise. Gone are those days of the officers and clerks who commanded unbeliverable prastige and honour. Now-a-days the motives of the officers and those in Govt. service are to serve the nation and not to command respect. After all, all of us are serving the nation in a way or other.

I think once the outlook regarding service of our students and unemployed youths get a change, the depressive state of minds will be revitalised. The students will come to the classes with a definite state of mental enthusiasm for better learning for serving the nation in a better way and contributing the country in a better way.

**A. S. Ahmed**

Principal Nabajyoti college.

★ Why do n't our girls students replace with the handi works like vanity bags and the a like the machine-made articles from the stationaries in our rural areas ?

*A. S. Ahmed.*

# বিভিন্ন সম্পাদকৰ প্ৰতিবেদন



# নৱজ্যোতি মহাবিদ্যালয় আলোচনী

## ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন,

### ১৯৮৪-৮৫ ইং

মোৰ প্ৰতিবেদনৰ নিচেই উপজি পুৰাতেই অসমৰ ইতিহাস কলংকিত কৰা তথা কথিত বিদেশী বহিষ্কৰণ আন্দোলনক বিৰোধিতা কৰি ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যালঘু জনসাধাৰণৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত তেজস্বী সাহসেৰে আত্মহুতি দিয়া শত সহস্ৰ বীৰ শ্বহীদ সকলৈ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। "হিংসাৰ বা-মাৰলীত প্ৰাণাহুতি দিয়া জ্ঞাত অজ্ঞাত শ্বহীদ সকলৰ পবিত্ৰ তথা নিমাখিত আত্মাই যাতে সৰগত চিৰ শান্তি লাভ কৰে তাৰ বাবে অশ্ৰ৹সজল প্ৰাৰ্থনা জনাই শ্ৰদ্ধাৰ পুষ্পাঞ্জলি আগবঢ়ালো।

মানৱ জাতি যুক্তি প্ৰয়াসী। ইতিহাসে এইটো স্বীকাৰ কৰে। ইতিহাসৰ লগত সামঞ্জস্য ৰাখিয়েই অসমত বাসকৰা ধৰ্মীয় তথা ভাষিক সংখ্যালঘু সম্প্ৰদায়ৰ মানুহ খিনিয়ে অন্যায় অত্যাচাৰ আৰু নিষ্পেষণৰ বিৰুদ্ধে জাগ্ৰত হৈ উঠে। এয়া নাগৰিকৰ স্বাধীনতা ৰক্ষা আৰু অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। এয়া নিশ্চয় মুক্তিৰ বাবে এক নতুন প্ৰয়াস। নিপিড়ীত, অবহেলিত, জাতিৰ নেতৃত্ব ললে 'সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়নে।' (আমছু) ১৯৮০ ইং চনত এটি গভীৰ সন্ধিক্ষণত জন্ম লোৱাৰ পিচৰে পৰা বৰ্ত্তমান সময়লৈকে অক্লান্ত ভাৱে ব্ৰহ্মপুত্ৰ উপত্যকাৰ সংখ্যালঘু জন সাধাৰণৰ বাবে সংগ্ৰাম কৰিয়েই আছে। অসমত তথাকথিত বিদেশী আন্দোলনৰ বিৰোধিতা কৰি প্ৰতি আন্দোলন গঢ়ি তোলা একমাত্ৰ সংগঠন হৈছে "আমছু" ১৯৮৩ৰ নিৰ্ব্বাচনত অসমৰ আকাশত হিংসাৰ এচপৰা কলা ডাৱৰে আবৰি পেলাইছিল। মনুষ্যৰূপী এজাক শগুন অসমৰ মাটিত বিচৰণ কৰিছিল। সিহঁতে নিৰীহ সংখ্যালঘু জনসাধাৰণৰ ওপৰত জপিয়াই পৰিছিল, নৰমঙহ ভক্ষণ কৰিছিল। কলংকপিলী হাৰিয়াৰ পানী তেজেৰে ৰাঙলি হৈছিল। বুঢ়া লুইতৰ ঢৌৰ লগত তেজৰ চেকুৰা প্ৰবাহিত হৈছিল। দানৱ হতৰ অত্যা-চাৰত মান সেনাকো চেৰ পেলাইছিল। নেলী, গহপুৰ, চিলা পথাৰৰ, অতৃপ্ত আত্মাৰ বিননিত অসমৰ আকাশে বতাহে চকুলো টুকি নীৰৱে সহ্য কৰিছিল। শত শত জনে তথাকথিত অহিংস আন্দোলনৰ 'পূজাৰ' বলী হৈছিল।

বেদনাৰ গভীৰ হুনুনিয়াত সেই দিনা অসম মাতৃৰ অৱস্থা তেনেই জয়াল। পুত্ৰ কন্যাক হেৰুৱাই হিয়া ভঙা ক্ৰন্দন„ অকালতে স্বামীক হেৰুৱা, গাভৰু বিধবাৰ করুণ বিনি, পিতৃ মাতৃ হেৰুৱা শিশুৰ বিগলিত আৰ্ত্তনাদ শুনি মহাবাহু ব্ৰহ্মপুত্ৰ ম্ৰিয়মান হৈ পৰিছিল। হিংসাৰ দাবানলত বলি হোৱা অতৃপ্ত আত্মাই আজিও সৰগৰ পৰা অন্যায়ৰ বিৰুদ্ধে প্ৰত্যাহ্বান বিচাৰিছে। এই ঐতিহাসিক শ্বহিদ সকলৰ আত্মালৈ অকৃতিম ভক্তি আলপুত সেৱা জনাই পৱিত্ৰ আত্মাৰ শান্তি কামনাৰে পুষ্পাঞ্জলি নিবেদি শ্বহিদ বেদী উন্মোচন কৰি শোক সভা অনুষ্ঠিত কৰিবলৈ প্ৰয়াস পোৱাটো মোৰ কাৰ্য্যকালৰ অটাইতকৈ উল্লেখযোগ্য কাৰ্য্য বলি মই দাবী কৰোঁ।

বহুতো সপোন বাস্তৱত ৰূপ দিয়াৰ কামনাৰে উজ্জল সঙ্কল্প লৈ মই নৱজ্যোতি মহাবিদ্যালয়ৰ সাধাৰণ সম্পাদকৰ দায়িত্ব ভাৰ বহন কৰো। ছাত্ৰ-ছাত্ৰী আৰু কলেজখনৰ উন্নতিৰ বাবে বহুতো কিবা-কিবি কৰিম বুলি ভাৱিছিলো যদিও বিভিন্ন ঘাট-প্ৰতিঘাতৰ বাবে আৰু কলেজ কতৃপক্ষৰ হেমাহিৰ বাবে সেইখিনি হৈ নুঠিল। মোৰ কাৰ্য্যকালৰ সফল ৰূপায়ণৰ বিচাৰ ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত অৰ্পণ কৰিলো। মোৰ আধৰুৱা কামখিনি ছাত্ৰ একতা সভাৰ পৰবৰ্ত্তী কাৰ্য্যকৰী কমিটি তথা সাধাৰণ সম্পাদকে পূৰণ কৰিব বুলি আশা ৰাখিলো।

এইখিনিতে যোৱা বছৰটোত মোৰ ওপৰত ন্যাস্ত হোৱা দায়িত্ব আৰু কৰ্ত্তব্যৰ থতিয়ান দাঙি ধৰিছো।

(ক) বাৰ্ষিক কলেজ মহোৎসৱ— কলেজ সপ্তাহ পালন।

এইবেলি এক সপ্তাহ জোৰা বাৰ্ষিক কলেজ মহোৎসৱ তথা কলেজ সপ্তাহ পালন কৰা হয়। যোৱা ৬/১/৮৫ ইং তাৰিখৰ পৰা ১২/১/৮৫ ইং তাৰিখলৈ বিভিন্ন কাৰ্যসূচীৰে কলেজ সপ্তাহ উঁলহ মালহেৰে পালন কৰা হয়। এইবাৰ অনুষ্ঠিত হোৱা কলেজ সপ্তাহ অইন বাৰতকৈ বিশেষ আকৰ্ষণীয় আৰু সকলো ফালৰ পৰা জাকত জিলিকাপূৰ্ণ হয়। প্ৰতিযোগিতা সমূহ আধুনিক ধৰ্ম্মী, আৰু মনোগ্ৰাহী হয়। কলেজ সপ্তাহৰ শেষ দিনাখন ( ১৩/১/৮৫ ইং ) বটা বিতৰণী সভা অনুষ্ঠিত হয়। এই সভাত সভাপতি হিচাবে আঃ ছাত্তাৰ আহমেদ এম, এ, ( অধ্যক্ষ নৱজ্যোতি মহাবিদ্যালয় ) তেখেতে যোগদান কৰি আমাক আনন্দিত কৰে। ইয়াৰ উপৰি মুখ্য অতিথি সকল আৰু নিৰ্দ্দিষ্ট বক্তাসকল উপস্থিত থাকি আমাক আনন্দিত কৰা বাবে কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। বটা বিতৰণী সভা শেষ হোৱাৰ পিছত সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

(খ) মহৰম আৰু ফাতেহাই দোৱাজ দাহম উৎসৱ পালন—

অইন অইন বছৰৰ দৰে এইবাৰো আমাৰ কলেজত পৱিত্ৰ মহৰম আৰু ফাতেহাই দোৱাজ দাহম উৎসৱ চিৰাচৰিত নিয়ম অনুযায়ী ধৰ্ম্মীয়— গাম্ভীৰ্য্যতাপূৰ্ণ ভাৱে পালন কৰা হয়। আৰু শেষত লঘু মিষ্টান্ন বিতৰণ কৰা হয়।

(গ) শোক সভা—

আমাৰ কলেজৰ বিশিষ্ট ছাত্ৰ তথা ছাত্ৰ জিৰণি কোঠাৰ প্ৰাক্তন সম্পাদক কাজী আলতাফ হুছেইনৰ অকাল মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে। তেওঁৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰি শোক সভা অনুষ্ঠিত কৰা হয়।

(ঘ) নবাগত আদৰণি সভা—

নতুনক সাদৰে গ্ৰহণ কৰাটো প্ৰকৃতিৰ চিৰন্তন নীতি।" প্ৰকৃতিৰ নীতিৰ লগত ৰজিতা খুৱাই অন্যান্য বাৰৰ দৰে এইবাৰো বাৰেবৰণীয়া নিয়মানুযায়ী নবাগত আদৰণি সভা অনুষ্ঠিত হয়। বিশেষকৈ প্ৰাক্‌ বিশ্ব বিদ্যালয়ৰ ১ম বাৰ্ষিক আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিকৰ ( ছাত্ৰ-ছাত্ৰী )— নৱাগত সকলক শুভেচ্ছাৰে আদৰি লবলৈ এই অনুষ্ঠানৰ আয়োজন কৰা হয়। এইবেলি নবাগত আদৰণি সভাত সভাপতি হিচাবে যোগদান কৰে আঃ ছাত্তাৰ আহম্মেদ এম, এ অধ্যক্ষ নৱজ্যোতি কলেজ। মুখ্য আলহী হিচাবে ডঃ শৈলজানন্দ ভৰালী শিক্ষাধিকাৰ, উচ্চতৰ শিক্ষা, (অসম) নিৰ্দ্দিষ্ট বক্তা হিচাবে— দেৱান আব্দুল হামিদ, বি-এ, বি-টি অধ্যক্ষ চাকলা উচ্চতৰ মাধ্যমিক বিদ্যালয়। এম, মোজাম্মেল হুছেইন এম, এ, এল, এল, বি উপাধ্যক্ষ, নৱজ্যোতি কলেজ। আলহাজ, বাহাৰ উদ্দিন আহাম্মেদ গুলিয়ালগুৰি। মোঃ মৱেজুদ্দিন আহাম্মেদ সভাপতি, উত্তৰ তিতাপানী গাওঁ পঞ্চায়ত আদিকৰি বিশিষ্ট ব্যক্তি সকলে যোগদান কৰি আমাক সুখী কৰে। সভাৰ শেষত লঘু মিঠাই বিতৰণ কৰা হয়, সন্ধিয়া সাংস্কৃতিক সমাবোহ অনুষ্ঠিত হয়।

(ঙ) বিদায় সম্বৰ্দ্ধনা সভা—

কোনো বছৰ নোহোৱা "বিদায় সভা" এইবাৰ নৱজ্যোতি মহাবিদ্যালয়ত প্ৰাক বিশ্ববিদ্যালয়ৰ ২য় বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰী সকলক আৰু স্নাতক ২য় বাৰ্ষিক ছাত্ৰ-ছাত্ৰী সকলক বিদায় জনোৱাৰ বাবে বিদায় সভাৰ আয়োজন কৰা হয়। এই সভাত আমাৰ কলেজৰ পূজনীয় অধ্যক্ষ আঃ ছাত্তাৰ আহম্মেদ চাহাবে সভাপতিত্ব কৰে।

(চ) অন্যান্য কিছুমান দায়িত্ব পালন—

এহেজাৰ এবুৰি সমস্যাৰে জৰ্জৰিত নৱজ্যোতি মহাবিদ্যালয়। এই মহান অনুষ্ঠানখন বৰপেটাৰ পশ্চিম অঞ্চলত উচ্চ শিক্ষাৰ বাবে একমাত্ৰ অনুষ্ঠান। কিন্তু ইয়াৰ অৰ্থনৈতিক অৱস্থা তেনেই চালুকীয়া। কলেজখনৰ বিভিন্ন সমস্যাবোৰৰ সমাধানাৰ্থে মোৰ কাৰ্যকালছোৱাত ছাত্ৰ একতা সভাৰ ভূমিকা অপ্ৰসনীয়। কলেজ কতৃপক্ষৰ ওচৰত বিভিন্ন সমস্যাসমূহ সমাধানৰ বাবে দাবী জনাই কিছুমান ক্ষেত্ৰত সুফল পোৱাটো প্ৰশংসনীয়। বিশেষকৈ মোৰ কাৰ্য্যকালছোৱাত পূৰণ হোৱা কিছুমান অভাৱৰ বিষয়ে আপোনালোকক অৱগত কৰিবলৈ ওলাইছো।

নৱজ্যোতি কলেজত প্ৰতি বছৰে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই আছে। ছাত্ৰ-ছাত্ৰী সকলৰ বাবে স্থায়ী জিৰণি কোঠাৰ প্ৰয়োজনীয়তা

কোনেও নুই কৰিব নোৱাৰে'' । ছাত্ৰী জিৰণি কোঠাটো নাম মাত্ৰ আছিল বুলি কব পাৰি। অধ্যক্ষ মহোদয়ক এই বিষয়ে জনোৱাত এখন আহল বহল ছাত্ৰ জিৰণি কোঠা আৰু ছাত্ৰী সকলৰ বাবে আগৰ কোঠাটোৰ সলনি অন্য এটি আহল বহল জিৰণি কোঠা নিৰ্মাণ কৰি দিয়ে । ইয়াৰ ওপৰি কলেজ বিল্ডিংত বাৰান্দা দিয়া চাইকেল ৰখাৰ বাবে এখন চাইকেল ছেদ, বিজ্ঞান শাখাৰ বাবে ভাল ঘৰ, ছাত্ৰ একতা সভাৰ বাবে সুকীয়া কাৰ্য্যালয় আৰু আচবাব পত্ৰ হিচাবে, আলমাৰি, টেবিল চিয়াৰ বেঞ্চ আদি আধুনিক ভাৱে নহলেও সাধাৰণ ভাৱে সমাধান পোৱা যায় । আমালোকৰ দাবী আৰু অধ্যক্ষ মহোদয়ৰ প্ৰবল ইচ্ছাত ইয়াৰ ওপৰিও কলেজ চৌহদত বিজুলী যোগানৰ ব্যৱস্থা কৰা হয় । উল্লেখ যোগ্য যে এয়া পোন প্ৰথমবাৰ এইখন মহাবিদ্যালয়ত শ্বহীদ বেদী নিৰ্মাণ আৰু কলেজ চৌহদৰ সন্মুখত এখন গেট নিৰ্ম্মাণ কৰা হয় । তাৰোপৰি দুখীয়া ছাত্ৰ ছাত্ৰীৰ বাবে কলেজ পুথিভঁড়ালৰ পৰা কিতাপ যোগান ধৰাৰ ব্যৱস্থা আগতকৈ বেছি কৰা হৈছে ।

(ছ) অভাৱ অভিযোগ—

আমাৰ কলেজত বহুতো অভাৱ অভিযোগ আছে । এই অভাৱ অভিযোগৰ বিষয়ে আমি বহুতো আলোচনা কৰিছো । ইয়াৰ ভিতৰত প্ৰধানকৈ উল্লেখ যোগ্য হল কলেজৰ বাবে এখন স্থায়ী খেল-পথাৰ স্থাপন, বিজ্ঞান শাখাৰ বিভিন্ন বিষয়ৰ অধ্যাপক নিযুক্তি প্ৰদান আৰু সা-সজুলি যোগান ধৰা, ছাত্ৰ-ছাত্ৰী সকলৰ বাবে কলেজ পৰিচালনা সমিতিৰ উদ্যোগত এখন স্থায়ী কেণ্টিনৰ ব্যৱস্থা, ছাত্ৰাবাসৰ পৰিবেশ আধুনিকী কৰা নিত্যান্তই প্ৰয়োজনীয়। কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ বিশেষকৈ নতুনকৈ খোলা বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভাৱ অভিযোগবোৰ আমাৰ অধ্যক্ষ দেৱে দূৰ কৰিব বুলি আমি আশা ৰাখিছো ।

(জ) আমাৰ ছাত্ৰ-ছাত্ৰী সকলৈলৈ দু আষাৰ—

এইখিনিতে মই আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৈলৈ মোৰ আন্তৰিক মৰম, ভালপোৱা আৰু শুভেচ্ছা যাচিছো । এই প্ৰসংগতে মই সমূহ ছাত্ৰ-ছাত্ৰী সকলক জনাওঁ যে, বৰ্ত্তমান সমাজত কিছুমান ন্যাস্ত, স্বাৰ্থ জড়িত ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত, স্বাৰ্থান্বেষী তথা সমাজ বিৰোধী চক্ৰই গা কৰি উঠিছে । ছাত্ৰ সম্প্ৰদায়ৰ মাজতো এই অশোভ শক্তিয়ে প্ৰভাৱ বিস্তাৰ কৰিছে । ফলত এদল ছাত্ৰই বিচ্ছিন্নতাবাদী আৰু ধ্বংসাত্মক মনোভাৱ লোৱা দেখা যায়। ৰাজনৈতিক দলৰ লগত জড়িত হৈ কিছুমান ছাত্ৰই ছাত্ৰ সম্প্ৰদায়ৰ একতা বিনিষ্ট কৰা পৰিলক্ষিত হৈছে । আমাৰ কলেজতো এচাম ছাত্ৰই জঘন্য ভাৱে দলীয় ৰাজনীতিৰ লগত জড়িত হৈ পৰিছে । এওঁলোকে কলেজৰ উন্নতিৰ পৰিবৰ্ত্তে সদায় সাম্প্ৰদায়িকতাৰ বীজ ছটিয়াই শৈক্ষিক পৰিবেশ নষ্ট কৰাৰ বাবে উঠি পৰি লাগিছে । এই চামে কলেজৰ সৰল সহজ, নিৰীহ ছাত্ৰ-ছাত্ৰী সকলক বিপথে পৰিচালিত কৰাৰ লগতে কলেজৰ শান্তি সম্প্ৰীতি তথা শৃঙ্খলা নষ্ট কৰাৰ বাবে অহৰহ চেষ্টা চলাই আছে । মই আশা ৰাখিছো ছাত্ৰ-ছাত্ৰী সকলে এনেকুৱা ন্যস্ত স্বাৰ্থ জড়িত শক্তিক প্ৰতিহত কৰি মহৎ উদ্দেশ্য আগত ৰাখি দেশ তথা জাতিৰ সৰ্বাঙ্গীন উন্নতি সাধনত নিয়োজিত হব ।

(ঝ) কৃতজ্ঞতা স্বীকাৰ—

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ গুৰু দায়িত্ব মোৰ ওপৰত অৰ্পণ কৰা বাবে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মই আন্তৰিক কৃতজ্ঞতা নিবেদন কৰিছো । মই ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাবে নিৰ্ব্বাচিত হোৱাৰ আগৰে পৰা মোৰ কাৰ্যাকালৰ শেষ ছোৱা সময়লৈকে মোলৈ সহায় সহানুভূতি তথা সৎ পৰামৰ্শ আগবঢ়োৱা নেতৃস্থানীয় ব্যক্তি তথা বন্ধু বান্ধৱ সকলক মই কৃতজ্ঞতাৰে সোঁৱৰিছো । মোৰ প্ৰত্যেক কামতে সৎ দিহা পৰামৰ্শ আৰু উপদেশ দি সহায় কৰা বাবে শ্ৰদ্ধাস্পদ অধ্যক্ষ আঃ ছাত্তাৰ চাহাবলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো । মই প্ৰত্যেক খোজতে প্ৰেৰণা আৰু কৰ্তব্য পালনত সচেতনতা, উদ্যম আৰু মনোবল পাইছিলো উপাধ্যক্ষ ''এম মোজাম্মেল চাহাবৰ পৰা । তেখেতৰ সৎ পৰামৰ্শ আৰু উপদেশে মোক প্ৰত্যেক কামতে মনোবল দিছিল। সেয়েহে মোৰ চিৰ পূজনীয় উপাধ্যক্ষ এম, মোজাম্মেল চাহাবক অশেষ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে চিৰ দিনলৈ সুঁৱৰি থাকিম । লগতে মোৰ কাৰ্য্য পৰিচালনাত বিভিন্ন সময়ত সহায় কৰা বাবে অধ্যাপক ওমৰ আলী আহাম্মেদ আৰু সমূহ অধ্যাপক অধ্যাপিকা, সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো । আমাৰ সকলো সভা সমিতি আৰু সকলো ধৰণৰ কাম কাজত সহায় সহযোগ কৰা, মাঃ ৰুস্তম আলী আহাম্মেদ, তাজউদ্দিন আহাম্মেদ, মো: শোৱায়েব খান, আব্দুছ ছকিম, আয়নাল হক, মিনহাজুৰ জুনুন, মতিয়াৰ ৰহমান, মিছ মমতাজ বেগম, মিছ আছিয়া খাতুন, মিছ মাহমুদা খাতুন, হণুফা খাতুন, মিছ হালিমা আহমেদ, আকলিমা বেগম, মিছ দেলেৱা বেগম এওঁলোকক মই কৃতজ্ঞতা জনাইছো । আমাৰ কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰী লগতে ছাত্ৰ একতা সভাৰ কাৰ্য্যকৰী সদস্য সকলক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

(ঞ) ভুল ত্ৰুটি স্বীকাৰ—

মোৰ কাৰ্য্যকালৰ ভিতৰত শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত অজানিত আৰু অবাঞ্চিত ভাৱে কৰা ভুল ত্ৰুটিৰ বাবে নতঃ শিৰে ক্ষমা বিচাৰিছো ।

সদৌ শেষত নৱজ্যোতি কলেজৰ ভৱিষ্যত মঙ্গল আৰু দশোদিশ উন্নতি কামনা কৰাৰ লগতে নৱজ্যোতি কলেজ ছাত্ৰ একতা সভাৰ উজ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো ।

জয়তু নৱজ্যোতি কলেজ ।
জয়তু নৱজ্যোতি কলেজ ছাত্ৰ
একতা সভা ।

মোঃ মাহমুদুৰ ৰহমান খান
সাধাৰণ সম্পাদক
নৱজ্যোতি কলেজ ছাত্ৰ একতা সভা।
১৯৮৪-৮৫ ইং

# সম্পাদকীয় প্ৰতিবেদন—
## ঃ তৰ্ক বিভাগ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে শিক্ষাৰ কৰ্ণধাৰ এই নৱজ্যোতি মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ, উপাধ্যক্ষ আৰু অধ্যাপক অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিলোঁ। লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে ছাত্ৰ একতা সভাৰ তৰ্ক বিভাগীয় সম্পাদক হিচাবে বিপুল ভোটেৰে মোক বিজয়ী কৰিছিল, সেই সকল প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ হিয়াভৰা মৰম আৰু আন্তৰিক অভিনন্দন আগ বঢ়ালোঁ।

নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে মোক ১৯৮৩-৮৫ ইং চনৰ বাবে এখন মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ সম্পাদক হিচাবে নিৰ্বাচন কৰাৰ কিছুদিন পিছতেই বিভাগীয় কামৰ দায়ীত্ব হাতত লওঁ। এই গুৰুদায়িত্ব হাতত লোৱাৰ পিচতেই মোৰ মনত এটা নতুন আশাৰ প্ৰদীপ জ্বলি উঠে। সেয়া হ'ল এইখন মহাবিদ্যালয়ত তৰ্ক প্ৰতিযোগিতা, আকস্মিক প্ৰতিযোগিতা আৰু কুইচ প্ৰতিযোগিতা আদিৰ জৰিয়তে এইখন কলেজৰ ছাত্ৰ-ছাত্ৰী সকলক উৎকৰ্ষ সাধন কৰা। আশানুৰূপ ভাৱে মই সফল হব নোৱাৰিলোঁ সেইটো খাটাং, অৱশ্যে সময় আৰু সুবিধাৰ কথাও ইয়াত নিবিড় ভাৱে জড়িত। কেতিয়াবা সময় পাইছো, কিন্তু আৱশ্যকীয় সময়ৰ নাটনি। ইয়াৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিযোগিতাত আওকাণ মনোভাৱৰ বাবে কেতিয়াবা বহুত অসুবিধাৰ সন্মুখীন হব লগা হৈছিল।

বছৰৰ বিভিন্ন সময়ত কলেজত আকস্মিক বক্তৃতা, তৰ্কপ্ৰতিযোগিতা, কুইচ প্ৰতিযোগিতা আদিৰ আয়োজন কৰো আৰু কিছুপৰিমাণে সহাৰি পাওঁ।

প্ৰতি বছৰৰ দৰেও মোৰ কাৰ্যকালছোৱাত উদযাপিত হয় "মহাবিদ্যালয় সপ্তাহ"। পুনৰ নতুন কিবা এটা সংযোজন কৰাৰ ভাৱ আহিল প্ৰতিযোগিতাৰ শিতানত ; পাতিলোঁ এখন আকস্মিক তৰ্ক প্ৰতিযোগিতা। তুলনামূলক ভাৱে এইখন প্ৰতিযোগিতাত প্ৰতিযোগী যথেষ্ট আশাপ্ৰদ আছিল, ছাত্ৰ-ছাত্ৰী সকলৰ উপস্থিত বুদ্ধিৰ সম্যকজ্ঞান, আৰু আকস্মিক উপস্থাপনৰ পাৰদৰ্শিতা জুখিবৰ বাবে এনে ধৰণৰ প্ৰতিযোগিতা এক উত্তম মাধ্যম।



ইয়াত বিজয়ী প্ৰথম পুৰস্কাৰ লাভ কৰে আবুবক্কাৰ ছিদ্দিক আৰু দ্বিতীয় পুৰস্কাৰ লাভ কৰে তায়জুদ্দিন আহম্মেদে। তেখেতসকললৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

অভাৱৰে জৰ্জৰিত এইখন নৱজ্যোতি মহাবিদ্যালয়। তথাপি ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশ তথা ব্যক্তিত্ব প্ৰকাশৰ যি নূন্যতম চাহিদা বিভিন্ন প্ৰকাৰৰ আলোচনীৰ যোগান ধৰা তৰ্ক আৰু আলোচনাচক্ৰৰ বাবে এটি সেমিনাৰৰ অভাৱ পূৰণ কৰা, কিন্তু কৰ্তৃপক্ষ নীৰৱ অসহায় দৰ্শক। মই ভাবো, এই বিলাক অভাৱ পূৰণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ ভূমিকাও কাম্য।

মোৰ কাৰ্যকালছোৱাত নিয়াৰিকৈ চলাই নিয়াত মোৰ বিভাগীয় তত্বাৱধায়ক, অধ্যাপক সেখ ওমৰ আলি মহোদয়ক মোৰ আন্তৰিক শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিভিন্ন সময়ত মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয় সকলৰ সহানুভূতিয়েও মোক অনুপ্ৰাণিত কৰিছিল। ইয়াৰ ওপৰিও বিভিন্ন কামত বিভিন্ন সময়ত সৎ উপদেশ দিয়া অধ্যাপক দেৱান আব্দুল গফুৰ, লম্বীত কোঁৱৰ, আব্দুছ ছালাম, খন্দকাৰ আঃ গফুৰ, ওমৰ আলি আহম্মেদ মহোদয় সকললৈ মই চিৰ কৃতজ্ঞতা সহিত শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

বিভিন্ন সহায়-সহযোগ কৰা বন্ধুবৰ তাইজুদ্দিন, ৰুস্তম, মাহমুদুৰ ৰহমান, কুৰবান আলি, ওমৰ আলি, আঃ লতিফ, সাহেৰ আলি, ফজলুৰ ৰহমান খান, মাজেদুৰ ৰহমান; বান্ধৱী মিচ মঞ্জুৱাৰা, মিচ্ মমতাজুৰ খানম, মাহমুদা খানম, আচিয়া, ৰিতা, ৰাবিয়া, দেলৱাৰা হুনুফা, আকুলিমা, ফৰিদা, গোলাপজান, মঞ্জুমনোৱাৰা খানম কহিনুৰ আদি কৰি সকলোলৈ মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালত অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী, ভাই ভনী সকলৰ ওচৰত কৰি অহা অবাঞ্চিত ভুলৰ বাবে ক্ষমা বিচাৰি, নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু দীৰ্ঘায়ু কামনা কৰি মোৰ এই ভাষাহীন ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু নৱজ্যোতি মহাবিদ্যালয়।
জয়তু নৱজ্যোতি মহাবিদ্যালয়ৰ
ছাত্ৰ-একতা সভা।

প্ৰীতি আৰু শুভেচ্ছাৰে
**খন্দকাৰ নুৰুজ্জামান মুক্তাদী**
সম্পাদক / তৰ্ক বিভাগ।

## ৭৮৬

## ঃ ব্যায়াম সম্পাদক ঃ

সম্পাদকীয় প্ৰতিবেদনৰ আৰম্ভণিতে এই পবিত্ৰ নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতি আৰু অধ্যক্ষ আৰু অধ্যাপিকা সকলৰ প্ৰতি মোৰ অপৰিসীম ভাল পোৱা আৰু শ্ৰদ্ধা নিবেদন কৰিছো।

যি এটি কোলাহল পূৰ্ণপৰিবেশৰ মাজত মই ব্যায়াম বিভাগৰ দায়িত্ব বহন কৰিছিলো আৰু ইয়াৰ মৰ্য্যদা কিমানদূৰ অক্ষুণ্ণ ৰাখিব পাৰিছো, সেই খিনি মূল্যায়ন কৰাৰ দায়িত্ব ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধবী সকলৰ।

কলেজ সপ্তাহৰ উপলক্ষে এইবছৰো প্ৰতি বছৰৰ নিচিনা নানা ধৰণৰ খেলা-ধূলা অনুষ্ঠিত কৰা হয়। কি পৰিস্থিতিৰ মাজেৰে আমি খেলা-ধূলাবোৰ পৰিচালনা কৰিছিলো নিশ্চয় সেই বিষয়ে আপোনালোকৰ অবিদিত নহয়। কিন্তু অতি পৰিতাপৰ কথা যে উপযুক্ত প্ৰতিযোগী নথকাৰ বাবে কিছু সংখ্যক খেল বাদ দিব লগা হৈছিল। বিশেষকৈ ছোৱালীৰ ক্ষেত্ৰত। কাৰণ আমাৰ কলেজৰ ছোৱালীবোৰ সাধাৰণতে লাজকুৰীয়া। আমাৰ নৱজ্যোতি মহাবিদ্যালয়ৰ খেল-খেমালিৰ মানদণ্ড সিমান উন্নত ধৰণৰ নহয়। নিশ্চয় আপোনালোকে জানে যে ক্ৰীড়া হৈছে শিক্ষা জগতৰ এটা অংশ। সেই কাৰণে আমাৰ মহাবিদ্যালয়ত অহা ভাই-ভনী সকলৈ (বিশেষকৈ ছোৱালী সকলৈ) অনুৰোধ যে তেওঁলোকে এই বিষয়ত যেন বিশেষ তৎপৰতা অৱলম্বন কৰিব পাৰে তাৰ বাবে আশা ৰাখিলো।

বৰ দুখেৰে জনাবলগীয়া হৈছো যে নৱজ্যোতি মহাবিদ্যালয়খন স্থাপন হোৱাৰ পৰাই এই বিভাগৰ কোনো সা-সৰঞ্জাম হোৱা নাছিল। কিন্তু আমাৰ দিনত যদিও হোৱা নাই তথাপিও Bar Bell, Dumb Bell, Bullworker আৰু আন আন আদি অনা হৈছে। গতিকে আশা কৰো ভৱিষ্যত হবলগীয়া সম্পাদকবোৰে ইয়াৰ ওপৰত চোকা দৃষ্টি ৰাখি ইয়াতকৈ বহুত উন্নতিলৈ আগ বাঢ়িব পাৰে তাৰ বাবে আশা ৰাখিলো।

এইবোৰৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিলো ঠিক কিন্তু এই বিষয়ে মোৰ সিমান অভিজ্ঞতা নাছিল। গতিকে এই সময়ছোৱাত দোষ-এটি হোৱাটো অৱশ্যম্ভাৱী আৰু তাৰ বাবে মই নিশ্চয় ক্ষমাৰ যোগ্য।

এই বিভাগৰ বিভিন্ন খেল পৰিচালনা কৰাত এই বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীভগীৰথ নাথৰ সহায়ত খেল পৰিচালনা কৰাত কোনো ধৰণৰ পৰিশ্ৰম আৰু অসুবিধা হোৱা নাছিল। বিশেষকৈ গোলাম মহম্মদ মোক্তাদিৰ চাহাবে সকলো সময়তে তেখেতে মোক নিতান্ত আৱশ্যকীয় উপদেশ দিছে; কেৱল মাত্ৰ উপদেশেই নহয় প্ৰতিটো বিষয়তে নিজে উৎসাহেৰে দৈতে তাক সুস্থ ভাৱে পৰিচালনা কৰি সম্পন্ন কৰিছিল তেখেতৰ এই প্ৰেৰণা উদ্দীপক আৰু উপদেশৰ বাবে মই তেখেতৰ ওচৰত সদায় কৃতজ্ঞ হৈ ৰম। ইয়াৰ বাহিৰেও বিভিন্ন খেল পৰিচালনাৰ ক্ষেত্ৰত সহায় আগবঢ়োৱা বাবে শ্ৰীলম্বিত কোঁৱৰ, আব্দুছ ছালাম, দেৱান আঃ গফুৰ, নৰুল আলম, ওমৰ শেখ, নুৰুল ইচলাম, ব্ৰজু কিশোৰ শ্যামল, খন্দঃ গফুৰ, ছুলেমান মণ্ডল আদিক শলাগ লোৱাৰ লগতে তেখেত সকলক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। সকলো ক্ষেত্ৰত মোক সহযোগিতা কৰাৰ বাবে বন্ধু-জহিৰুল ইচলাম, মফিদুল ইচলাম, আনোৱাৰল ইচলাম, ইব্ৰাহিম আলী, নাজিম আলী, ৰুস্তম আলী, তাজ উদ্দিনক পাহৰিব নোৱাৰিম। তেওঁলোক সকলোকে মোৰ কৃতজ্ঞতা আৰু মৰম জনাইছো।

আগন্তুক ক্ৰীড়া সমাবোহ ছাত্ৰ-ছাত্ৰী সকলক প্ৰানময় উপস্থিত আৰু অধিকাৰৰ প্ৰতিদ্বন্দিতা পূৰ্ণ হৈ উঠিব এই আশা ব্যক্ত কৰি প্ৰতিবেদনৰ সামৰণিত নৱজ্যোতি কলেজৰ উন্নতি কামনা কৰি পুনৰ অধক্ষ, সকলো অধ্যাপক, অধ্যাপিকা প্ৰতিযোগী আৰু বন্ধু-বান্ধৱী সকলক মোৰ শ্ৰদ্ধা আৰু মৰম জনাই বিদায় মাগিছো।

ওমৰ আলী আহমেদ



## ঃ সম্পাদকীয় প্ৰতিবেদন ঃ
## লঘু খেল বিভাগ

প্ৰতিবেদনৰ পাতনিতে আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু অধ্যাপক অধ্যাপিকা সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। লগতে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱীলৈ মোৰ হিয়া ভৰা কৃতজ্ঞতা, শুভেচ্ছা আৰু ধন্যবাদ আগ বঢ়াইছো।

১৯৮৫ চনৰ বাবে লঘু খেল বিভাগৰ সম্পাদক হিচাবে মোৰ ওপৰত যি গুৰুদায়ীত্ব অৰ্পণ কৰিছিল সেই দায়ীত্ব মই কিমান সফলতাৰে পালন কৰিছোঁ তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰতে এৰিলোঁ।

আন আন বছৰৰ দৰে এই বছৰো নানা ধৰণৰ সমস্যাৰ মাজেদি 'মহাবিদ্যালয় সপ্তাহ'

পালন হৈ যায়। কিন্তু পৰিতাপৰ বিষয় যে এই বছৰো কিছুমান খেল অনুষ্ঠিত কৰিব পৰা নগল। ইয়াৰ কাৰণ হল আজি-কালিৰ বজাৰত সামান্য পাঁচ-ছয় শ টকাৰে খেলৰ যি সামগ্ৰী পোৱা যায়, তাৰে এখন মহাবিদ্যালয়ৰ খেল পৰিচালনা কৰাটো যে কিমান জটিল, সেইটো হয়তো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীয়ে উপলব্ধি কৰিব পাৰে।

সম্পাদক হিচাবে এটা কথা উনুকিয়াব খোজিছোঁ যে আমাৰ মহাবিদ্যালয়ৰ খেলা-ধূলাৰ মানদণ্ড সিমান উন্নত ধৰণৰ নহয়। বিশেষকৈ ছোৱালীৰ ক্ষেত্ৰত। আনফালে কিছুমান খেলত প্ৰতিযোগিতাৰো অভাৱ। যিহেতু খেল-ধেমালি শিক্ষাৰ এটা অপৰিহাৰ্য্য অঙ্গ, গতিকে মই খেলুৱৈ সকললৈ অনুৰোধ জনাওঁ যে তেওঁলোকে যাতে এই বিষয়ত বিশেষ ভাৱে মনোযোগ দিয়ে।

এই প্ৰতিবেদনৰ জৰিয়তে মই আমাৰ মহাবিদ্যালয়ৰ লঘু খেল বিভাগত পোৱা অসুবিধা সমূহৰ বিষয়ে মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে, কেৰম, বেড্‌মিণ্টন, ৰিং আদি সামগ্ৰী প্ৰয়োজনুপাতে নাই তথা টেবুল টেনিছ খেলৰ ব্যৱস্থা মুঠেই নাই। গতিকে মই মহাবিদ্যালয় কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যে আগলৈ যাতে উক্ত সামগ্ৰীবোৰ যোগান ধৰি খেলুৱৈ সকলক উৎসাহিত কৰে।

মোৰ কাৰ্য্য-কালৰ ভিতৰত মোক বিভিন্ন কামত সহায় কৰা বাবে ছাত্ৰ বন্ধু ছুলাইমান আলী আহমেদ, আব্দুছ ছামাদ, ইক্‌বাল ফৰিদ, নূৰমহম্মদ মণ্ডল, খাইৰুল আলম, সাগৰ আলী, আব্দুৰ ৰফিক, আব্দুচ ছবুৰ আব্দুল মাজেদ, হামিদুৰ ৰহমান, ছাত্ৰী বান্ধৱী, মিচ্‌ ছালেহা খাতুন, মিচ্‌ ৰৌশনাৰা আৰু মিচ্‌ মিতাক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ।

সদৌ শেষত মোৰ অজানিতে কৰা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি তথা নৱজ্যোতি মহাবিদ্যালয়ৰ সৰ্ব্ব প্ৰকাৰে উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি কৰিলোঁ।

ধন্যবাদেৰে—

আবুল কাছেম

সম্পাদক, লঘুখেল বিভাগ।

১৯৮৫ ইং



# ঃ সম্পাদকীয় প্ৰতিবেদন ঃ

## গুৰু খেল বিভাগ

প্ৰতিবেদনৰ আৰম্ভনিতে অসম আন্দোলনত 'শ্বহীদ' আত্মাৰ পৱিত্ৰ স্থান পাবলৈ আল্লাহৰ উচৰত প্ৰাৰ্থনা কৰিছোঁ।

জয় জয়তে দীপ্তিমান নৱজ্যোতি মহাবিদ্যালয়ৰ প্ৰতি অশেষ ধন্যবাদ আৰু শ্ৰদ্ধা অৰ্পন কৰিলোঁ। পৰম পূজনীয় অধ্যাপক/অধ্যাপিকা সকলৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধাঞ্জলি, লগতে নৱজ্যোতি মহাবিদ্যালয়ত অধ্যায়ন কৰা বন্ধু-বান্ধৱী সকললৈ যাচিলোঁ মোৰ জুৰ পৰা হিয়াৰ মৰম আৰু শুভেচ্ছা।

১৯৮৫ চনৰ বাবে মোক 'গুৰু খেল' বিভাগৰ সম্পাদকৰ যি গুৰু দায়িত্ব অৰ্পন কৰিছিল সেই দায়িত্ব সুচাৰুৰূপে চলাই নিয়াত কিমান দূৰ কৃতকাৰ্য্য হব পাৰিছো তাৰ বিচাৰৰ ভাৰ আপোনালোকৰ উপৰতেই এৰিলো।

এই বছৰ মহাবিদ্যালয়ৰ সপ্তাহত অনুষ্ঠিত হোৱা ভলিবল খেল প্ৰতিযোগিতাত দ্বিতীয় বাৰ্ষিক প্ৰাক বিশ্ববিদ্যালয় (বিজ্ঞান) শাখা আৰু দ্বিতীয় বাৰ্ষিক প্ৰাক বিশ্ববিদ্যালয় (কলা) শাখাই যুটীয়া ভাৱে 'চেম্পিয়ন শ্বিপ' লাভ কৰে। প্ৰতিবেদনৰ জৰিয়তে মই আমাৰ মহাবিদ্যালয়ৰ গুৰু খেল বিভাগত পোৱা অসুবিধা সমূহৰ বিষয়ে কলেজ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব খোজো যে, ফুটবল খেলিবলৈ নিৰ্দ্দিষ্ট সুকীয়া খেল পথাৰ নাই যাৰ অভাৱত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ বন্ধু সকলে ফুটবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আজিলৈকে কোনো দিন কোনো জয়লাভ কৰিব পৰা নাই। সেয়েহে মই এই প্ৰতিবেদনৰ জৰিয়তে কলেজ কৰ্তৃপক্ষক টানি অনুৰোধ জনাও যাতে অতি সোনকালে মহাবিদ্যালয়ৰ ওচৰত ফুটবল খেল পথাৰ দি ভৱিষ্যৎত ছাত্ৰ বন্ধু সকলক প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ দি সু খেলুৱৈ হৈ গঢ়ি উঠাত অনুপ্ৰানিত কৰে তাৰ কাৰণে আবেদন কৰিলো। মনৰ জোখাৰে খেলুৱৈ সকলক পাইছিলো যদিও দুখৰ বিষয় আমাৰ মহাবিদ্যালয়ত এখন সুকীয়া খেল পথাৰ নথকা বাবে অনুশীলন কৰিব নোৱাৰা হেতুকে মোৰ আশাৰ সফল ৰূপায়ন কৰিব নোৱাৰিলো। তাৰ কাৰণে মই বৰ দুঃখিত। ক্ৰিকেট খেলৰ সা-সঁজুলিও আমাৰ মহাবিদ্যালয়ত প্ৰয়োজন মতে নাই বুলি কব পাৰি। বিশেষকৈ ক্ৰিকেট খেলৰ যিখিনি আৱশ্যকীয় সা-সঁজুলীৰ প্ৰয়োজন সেইখিনি আমাৰ মহাবিদ্যালয়ত নাই। সেই

কাৰণে খেলুৱৈ সকলক বেছি উৎসাহিত দেখা নাযায়। সেয়ে মই কলেজ কর্তৃপক্ষক অনুৰোধ জনাওঁ যাতে ক্রিকেট খেলৰ অত্যাৱশ্যকীয় সা-সঁজুলিবোৰ যোগান দি, ছাত্র বন্ধুক ভাল খেলুৱৈ ৰূপে ৰূপায়ন কৰে, তাৰ বাবে কর্তৃপক্ষক আবেদন কৰিলো।

এইখন প্রতিবেদনৰ জৰিয়তে নৱজ্যোতি মহাবিদ্যালয়ৰ ছাত্র-ছাত্রী, বন্ধু-বান্ধৱী সকলক ধন্যবাদ জনাইছোঁ যে ছয়দিনীয়া মহাবিদ্যালয় সপ্তাহত বিভিন্ন খেল ধেমালিত বন্ধু-বান্ধৱীয়ে সক্রিয় ভাৱে অংশ গ্রহণ কৰি আমাক উৎসাহিত কৰিছে।

মোৰ কাৰ্য্যকালৰ ভিতৰত সৎ পৰামর্শ আৰু সহায় সহযোগ আগবঢ়োৱা বাবে ভাৰপ্রাপ্ত অধ্যাপক আব্দুছ ছালাম, গোলাম মহম্মদ মোক্তাদিৰ লৈ এই প্রতিবেদনৰ জৰিয়তে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মোৰ কাৰ্য্য কালত বিভিন্ন কামত সহায় কৰা বন্ধুবৰ, শোৱাৱেব খান, হামিদ আলী, তাইজুদ্দিন, ৰুস্তম আলী, আৰশেদ, ছবুৰ, জহৰুল ইচলাম, তাহেৰ খান, হুমায়ুন কবিৰ, গিয়াচুদ্দিন, মাজেদ আলী, আঞ্জুৱাৰা, দেলোৱাৰাক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে নৱজ্যোতি মহাবিদ্যালয়ৰ পৰম শ্রদ্ধাভাজন অধ্যক্ষ আব্দুছ ছাত্তাৰ আহমেদলৈ ভক্তি ভৰা সেৱা আগবঢ়ালো। অৱশেষত মোৰ অজানিতে কৰা দোষ ত্রুটিৰ বাবে ক্ষমা বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্বল কামনা কৰি মোৰ এই ভাষাহীন প্রতিবেদনৰ সামৰণি মাৰিলো।

নৱজ্যোতি মহাবিদ্যালয় ছাত্র একতা সভা।

জিন্দাবাদ—

মোঃ আয়নাল হক

সম্পাদক, গুৰু খেল বিভাগ।

# ঃ ছাত্রী জিৰণী কোঠাৰ বছৰেকীয়া প্রতিবেদন ঃ

মহান সৃষ্টি কর্ত্তাৰ ওপৰত নির্ভৰ কৰি মোৰ ক্ষুদ্র বছৰেকীয়া প্রতিবেদন লিখিবলৈ মৰমৰ কলমডাল হাতত তুলি ধৰিলোঁ।

প্রতিবেদনৰ পাতনিতে নৱজ্যোতি মহাবিদ্যালয়ৰ পৰম পূজনীয় অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা সকলৈলে মোৰ হিয়াভৰা ভক্তি আৰু শ্রদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।

লগতে যিবোৰ ছাত্র-ছাত্রী বন্ধু-বান্ধৱীৰ অক্লান্ত সহায় সহযোগৰ দ্বাৰা মই নিজকে নৱজ্যোতি মহাবিদ্যালয়ৰ এজনী সম্পাদিকা হিচাবে পৰিচয় দিব পাৰিছোঁ সেই সকল বন্ধু-বান্ধৱীলৈ মোৰ অফুৰন্ত স্নেহ আৰু শুভেচ্ছা আগ বঢ়ালোঁ।

ছাত্রী জিৰণী কোঠাৰ সম্পাদিকা হিচাপে নির্ব্বাচিত হোৱাৰ পিছত কলেজখনৰ পৰিবেশ অলপ উন্নত ধৰণৰ কৰিম বুলি মনত এটা অদম্য আশা পোষণ কৰিছিলোঁ, কিন্তু তৃথীয়া অঞ্চলত কলেজখন অৱস্থিত হোৱাত আৰু নানা ধৰণৰ অভাৱ অভিযোগৰ কাৰণে মোৰ সোণালী কল্পনা সমূহ বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলোঁ। তথাপি মোৰ কার্য্য কালছোৱাত যি অলপ আচৰপ কাম সমাধা কৰিলোঁ সেইখিনি আপোনালোকৰ বিচাৰ্য্য বিষয়। মোৰ কাৰ্য্য কালত এটা স্থায়ী ছাত্রী জিৰণী কোঠা আৰু লগতে এটাকৈ শোচাগাৰ, প্রসাৰগাৰ স্থাপন কৰা হৈছে। ছাত্রী সকলৰ বৌদ্ধিক বিকাশর্থে বিভিন্ন ধৰণৰ বাতৰি কাকতৰ যোগান ধৰিছিলোঁ। ইয়াৰোপৰি জিৰণী কোঠাৰ বাবে অত্যাৱশ্যকীয় সমগ্রী সমূহৰ যোগান দিয়া হৈছে।

যিকেই নহওক বিভিন্ন ধৰণৰ সমস্যাবোৰ সম্পূর্ণৰূপে পূৰণ কৰিব পৰা নাই, পৃথিবী থকালৈকে সমস্যাৰ সমাধান হব আন সমস্যাই মূৰ দাঙি উঠিব সেয়ে সকলো সমস্যা মোৰ দ্বাৰা সমাধান কৰা অসম্ভৱ তথাপি আংশিক ভাৱে অলপ পূৰণ কৰিছোঁ। আশা ৰাখিছোঁ পৰবৰ্ত্তী সম্পাদিকাৰ জৰিয়তে এখন আলমাৰী, নামাজৰ বাবে নির্দ্দিষ্ট কোঠালী আদি দিবলৈ কলেজ কর্তৃপক্ষৰ ওচৰত মোৰ অনুৰোধ থাকিল।

পিছপৰা অঞ্চলত কলেজখন স্থাপিত হোৱাৰ বাবে ছাত্রী বিলাকে খেল-ধেমালি, সঙ্গীতবিদ্যা আদিত অন্যান্য ঠাইৰ দৰে আগবাঢ়িব পৰা নাই। কলেজৰ বাৰ্ষিক অধিবেশনত অতি কম সংখ্যক ছোৱালীয়ে অংশ গ্রহণ কৰা দেখা যায়। আধুনিক যুগত নাৰী সকলে শিক্ষা দীক্ষা চাকৰি-বাকৰিত পুৰুষৰ সমানে খোজ মিলাব পাৰিলেহে সমাজ উন্নতিৰ পথত অগ্রহৰ হব পাৰিব। ছাত্রী বান্ধৱী সকললৈ মোৰ আহ্বান থাকিল যাতে তেওঁলোকে সকলো ক্ষেত্রতে কৃতিত্ব দেখুৱাই উজ্বল চানেকী ৰাখিব পাৰে।

মোৰ সকলো কার্য্যতে সৎপৰামর্শ দি উৎসাহিত কৰা ভাৰপ্রাপ্তা বিষয়া মাননীয়া পাৰুল দাসক কৃতাঞ্জলী জ্ঞাপন কৰিলোঁ। মোৰ সকলো প্রকাৰ কামত সহায় সহযোগ আগবঢ়োৱা বন্ধু মাহমুদুৰ ৰহমান খান, আবু বকৰ ছিদ্দিক, আয়নাল, হামিদ, মকিমউদ্দিন, বাতিন, শোৱাৱেব খান আৰু বান্ধৱী – মিচ, মাহমুদা খানম, দিলোৱাৰা, কহিনুৰ, আদিলৈ মোৰ আন্তৰিক মৰম আৰু শুভেচ্ছা থাকিল।

সদৌ শেষত প্রতিবেদনত অজানিতে হৈ যোৱা ভুল-ক্রুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি নৱজ্যোতি মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্বল কামনা কৰি মোৰ ক্ষুদ্র প্রতিবেদনৰ আৰ কাপোৰ টানিলোঁ।

ধন্যবাদেৰে—

মিচ্‌ আছিয়া খাতুন

টি, ডি, ছি, প্রঃ বঃ

নৱজ্যোতি মহাবিদ্যালয়।

# ঃঃ নৱজ্যোতি মহাবিদ্যালয়ৰ বছৰেকীয়া খেল-ধেমালিৰ ফলাফল ১৯৮৪-৮৫ ঃঃ

—ল'ৰাৰ বাবে—

কেৰম একক,

১ম :— নুৰুল আমীন, স্নাতক ২য় বাৰ্ষিক (কলা)

২য় :— ছোৱাহান আলী, প্ৰাক বি: ২য় বাঃ (বিজ্ঞান)

কেৰম দ্বৈত,

১ম :— আনোৱাৰ হুছাইন একাদশ শ্ৰেণী (কলা) ছামেজ উদ্দিন আহামেদ, একাদশ শ্ৰেণী (কলা)

২য় :— আবুল কাসেম একাদশ শ্ৰেণী (কলা) আব্দুছ ছবুৰ একাদশ শ্ৰেণী (কলা)

বেডমিন্টন একক,

১ম :— ছুলাই মান আহমেদ টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় :— আব্দুছ ছামাদ টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

বেডমেন্টন দ্বৈত,

১ম :— ছুলাইমান আহমেদ টি, ডি, ছি, প্ৰথম বাঃ (কলা) আব্দুছ ছামাড টি, ডি, ছি, প্ৰথম বাঃ (কলা)

২য় : আব্দুছ ছবুৰ একাদশ শ্ৰেণী (কলা) আব্দুল জলীল একাদশ শ্ৰেণী (কলা)

ডাবা খেল,

১ম :— ছুলাইমান আহমেদ টি, ডি ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় :— ওমৰ আলী একাদশ শ্ৰেণী (কলা)

—ছোৱালীৰ বাবে—

কেৰম একক,

১ম : মিচ হুস্নুফা খাতুন, একাদশ শ্ৰেণী (কলা)

২য় :— মিচ্ মাহমুদা খানম, টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

কেৰম দ্বৈত,

১ম :— মিচ মাহমুদ খানম, টি, ডি, ছি, প্ৰথম মিচ্ আছিয়া খাতুন, টি, ডি, ছি প্ৰথম বাৰ্ষিক (কলা)

২য় : মিচ্ হাওৱা খাতুন একাদশ শ্ৰেণী (কলা)

বেডমিন্টন একক,

১ম :— মিচ্ মাহমুদা খানম, টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)



২য় : মিচ্ আছিয়া খাতুন, টি, ডি, ছি প্ৰথম বাৰ্ষিক (কলা)

বেডমিন্টন দ্বৈত,

১ম ;— মিচ্ দেলুৱাৰা খানম একাদশ শ্ৰেণী (কলা)

মিচ্ ছাহেৰা খাতুন, স্নাতক ২য় বাৰ্ষিক (কলা)

২য় :— মিচ্ মাহমুদা খানম, টি, ডি, ছি প্ৰথম বাৰ্ষিক (কলা)

মিচ্ আছিয়া খাতুন টি, ডি, ছি প্ৰথম বাৰ্ষিক (কলা)

ডাবা খেল,

১ম :— মাহমুদা খানম টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় :— ছালেহা খাতুন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা

ডিছকাচ্ দলিওৱা,

১ম ঃ— মিচ্ মাহমুদা খানম টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় : মিচ্ হামিদা খাতুন প্ৰাক বি: ২য় বাৰ্ষিক (কলা)

৩য় :— মিচ্ আছিয়া খাতুন টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

ওজন দলিওৱা,

১ম :— মিচ্ মাহমুদা খানম, টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় :— মিচ্ ছালেহা খাতুন, প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় :— মিচ্ আঞ্জুআৰা বেগম প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

জেবলিন দলিওৱা,

১ম :— মিচ্ ছালেহা খাতুন প্ৰাক বি ২য় বাৰ্ষিক (কলা)

২য় :— মিচ্ মাহমুদা খানম, টি ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

ভলী বল প্ৰতিযোগীতা,

১ম :— প্ৰাক বি: ২য় বাৰ্ষিক (কলা)

২য় :— প্ৰাক বিঃ ২য় বাৰ্ষিক (বিজ্ঞান)

আকস্মিক বক্তৃতা,

১ম :— আবু বক্কাৰ ছিদ্দিক স্নাতক ২য় বাৰ্ষিক (কলা)

২য় :— তাইউদ্দিদ আহমেদ স্নাতক ২য় বাৰ্ষিক (ৰাজনীতিত সন্মান)

৩য় :— আব্দুল খালক প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

তৰ্ক প্ৰতিযোগিতা,

১ম :— আবু বক্কাৰ ছিদ্দিক স্নাতক ২য় বাৰ্ষিক (কলা)

২য় :— তাজউদ্দিন আহমেদ স্নাতক ২য় বাৰ্ষিক (ৰাজনীতিত সন্মান)

৩য় :— আব্দুল খালেক প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

বিষয় ঃ— আঞ্চলিক ৰাজনৈতিক দলে দেশৰ ঐক্য, সংহতি বিনষ্ট কৰিব। (সদনৰ মতে)

অসমীয়া কবিতা আবৃত্তি,

১ম ঃ— তাজউদ্দিন আহম্মেদ স্নাতক ২য় বাৰ্ষিক (ৰাজনীতিত সন্মান)

২য় : - আব্দুল খালেক প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় : - আবু বক্কাৰ ছিদ্দিক স্নাতক ২য় বাৰ্ষিক (কলা)

ইংৰাজী কবিতা আবৃত্তি,

১ম :— আবু বক্কাৰ ছিদ্দিক স্নাতক ২য় বাৰ্ষিক (কলা)

২য় :— তাজউদ্দিন আহমেদ স্নাতক ২য় বাৰ্ষিক (ৰাজনীতিত সন্মান)

৩য় :— কাজী আলতাপ হুচাইন স্নাতক ২য় বাৰ্ষিক (কলা)

৪ৰ্থ :— মিচ্ দেলুৱাৰা খানম একাদশ শ্ৰেণী (কলা)

আকস্মিক কবিতা আবৃত্তি,

("মহাবিদ্যালয় সপ্তাহ")

১ম :- নাই

২য় :— আব্দুল হামিদ প্ৰাক বিঃ ২য় বাৰ্ষিক (বিজ্ঞান)

৩য় : - তাজউদ্দিন আহমেদ স্নাতক ২য় বাৰ্ষিক (কলা) (ৰাজনীতিত সন্মান)

এই বছৰৰ,

শ্ৰেষ্ঠ সাহিত্যিক :— তাজউদ্দিন আহমেদ স্নাতক ২য় বাৰ্ষিক (ৰাজনীতিত সন্মান)

শ্ৰেষ্ঠ ভলী বল খেলুৱৈ :— ছানোৱাৰ হুচেইন প্ৰাক বিঃ ২য় বাৰ্ষিক (বিজ্ঞান)

শ্ৰেষ্ঠ নাট্যকাৰ :— আবুবক্কাৰ ছিদ্দিক স্নাতক ২য় বাৰ্ষিক (কলা)

শ্ৰেষ্ঠ গায়ক :— আব্দুছ আজিজ প্ৰাক বিঃ ২য় বাৰ্ষিক (বিজ্ঞান)

(সংগীত আৰু সাংস্কৃতিক সম্পাদিকাৰ পৰা সংগীত প্ৰতিযোগীতাৰ ফলাফল নোলোৱাৰ কাৰণ প্ৰকাশ কৰিব নোৱাৰিলো)

দৌৰ প্ৰতিযোগীতা (১০০ মিঃ)

১ম : মিচ্ হুনুফা খাতুন একাদশ শ্ৰেণী (কলা)

২য় : মিচ্ মেহেৰুণ নেছা একাদশ শ্ৰেণী (কলা)

৩য় :— মিচ্ ছালেহা খাতুন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

দৌৰ প্ৰতিযোগীতা (২০০ মিঃ)

১ম :— মিচ্ হুনুফা খাতুন একাদশ শ্ৰেণী (কলা)

২য় : মিচ্ সোণা ভানু একাদশ শ্ৰেণী (কলা)

৩য় :— মিচ্ দেলুৱা খানম একাদশ শ্ৰেণী (কলা)

—ল'ৰাৰ বাবে—

দৌৰ প্ৰতিযোগীতা (১০০ মিঃ)

১ম : - নুৰুল ইচলাম প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

২য় : জয়নাল আব্দীন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় : - ছফিউৰ ৰহমান প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

দৌৰ প্ৰতিযোগীতা (২০০ মিঃ)

১ম :— আয়ুব আলী খান একাদশ শ্ৰেণী কলা)

২য় : — জয়নাল আব্দীন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় :— জকিম উদ্দিন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)



দৌৰ প্ৰতিযোগীতা ৪০০ মিঃ

১ম - জয়নাল আব্দীন প্ৰাঃ বিঃ ২য় বাৰ্ষিক (কলা)

২য় :— আব্দুল জলীল একাদশ শ্ৰেণী (কলা)

৩য় :— আয়ুব আলী খান একাদশ শ্ৰেণী (কলা)

দৌৰ প্ৰতিযোগীতা ৮০০ মিঃ

১ম :— মাহমুদুৰ ৰহমান খান টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় : মইনুল হক একাদশ শ্ৰেণী (কলা)

৩য় :— ইব্ৰাহিম আলী একাদশ শ্ৰেণী (কলা)

দীঘল জাম্প

১ম :— আব্দুল জলীল একাদশ শ্ৰেণী (কলা)

২য় :— জয়নাল আব্দীন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় :— আয়ুব আলী খান একাদশ শ্ৰেণী (কলা)

ওখ জাম্প

১ম — আব্দুল জালীল একাদশ শ্ৰেণী (কলা)

২য় : জোলহান আলী খান প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় :— মাহমুদুৰ ৰহমান খান টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

ডিছকাচ্ দলিওৱা

১ম :— জুলহাস আলী প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

২য় :— নুৰুল আমীন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

৩য় :— আয়ুব আলী খান প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

ওজন দলিওৱা

১ম :— মাহমুদুৰ ৰহমান খান টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

২য় :— সীকান্দাৰ আলী একাদশ শ্ৰেণী (কলা)

৩য় :— আয়নাল হক টি, ডি, ছি, প্ৰথম বাৰ্ষিক (কলা)

জেপলিন দলিওৱা

১ম : গিয়াচ উদ্দিন প্ৰাক বিঃ ২য় বাৰ্ষিক (কলা)

২য় :- ফজলুৰ ৰহমান স্নাতক ২য় বাৰ্ষিক (কলা)

৩য় :— সীকান্দাৰ আলী একাদশ শ্ৰেণী (কলা)

ছাইকেল দৌৰ প্ৰতিযোগীতা

১ম : খঃ জাকিৰ হুচাইন একাদশ শ্ৰেণী (কলা)

২য় :— সপন কুমাৰ ঘোষ একাদশ শ্ৰেণী (কলা)

৩য় :— সাহজাহান আলী প্ৰাক বিঃ ১ম বাৰ্ষিক (কলা)

সাতোঁৰা প্ৰতিযোগীতা

১ম :— ছফিউৰ ৰহমান একাদশ শ্ৰেণী (বিজ্ঞান)

২য় :— চান মহম্মদ প্ৰাক বিঃ ২য় বাৰ্ষিক (বিজ্ঞান)

৩য় :— জসীম উদ্দিন প্ৰাক বি ১ম বাৰ্ষিক
( বিজ্ঞান )

৪ৰ্থ :— আব্দুল ওৱাহাৱ একাদশ শ্ৰেণী (কলা)

মাৰাথান দৌৰ

১ম :— মাহমুদুৰ ৰহমান খান টি, ডি, ছি, প্ৰথম বাৰ্ষিক ( কলা )

যোগ আসনত জয়লাভ কৰা প্ৰতিযোগী সকল ক্ৰমে—

১ম :— গিয়াচ উদ্দিন পি, ইউ, ২য় বাৰ্ষিক ( কলা )

২য় :— আ: জলিল এইচ, এছ, প্ৰথম বাৰ্ষিক ( কলা )

৩য় :— আ: কাশেম এইচ, এছ, প্ৰথম বাৰ্ষিক ( কলা )

ভাৰ উত্তোলনত জয়লাভ কৰা প্ৰতিঃ

১ম :— আঃ কাশেম এইচ, এছ, প্ৰথম বাৰ্ষিক ( কলা )

২য় :— আলি আজগড় পি, ইউ, ২য় বাৰ্ষিক ( কলা )

৩য় :— গিয়াচ উদ্দিন পি, ইউ, ২য় বাৰ্ষিক ( কলা )

পাঞ্জাত জয়লাভ কৰা প্ৰতিযোগী

১ম :— রুস্তম আলী আহমেদ বি, এ, ২য় বাৰ্ষিক ( কলা )

২য় : বাদশাহ মিঞা পি, ইউ, ২য় বাৰ্ষিক ( বিজ্ঞান )

—সমাপ্ত—

NABAJYOTI COLLEGE LIBRARY, Estd.-1971 Dist.- Kamrup (Assam) P.O. KALGACHIA

## ॥ ৰাষ্ট্ৰীয় সঙ্গীত ॥

জন-গণ-মন অধিনায়ক জয়হে
ভাৰত ভাগ্য-বিধাতা।
পঞ্জাব সিন্ধু গুজৰাট মাৰাঠা
দ্ৰাবিড় উৎকল বঙ্গ
বিন্ধ্য হিমাচল যমুনা গঙ্গা
উচ্ছল জলধি তৰঙ্গ।
তব শুভ নামে জাগে,
তব শুভ আশীষ মাগে,
গাহে তব জয় গাথা।
জন-গণ মঙ্গল দায়ক জয়হে
ভাৰত ভাগ্য-বিধাতা
জয়হে, জয়হে, জয়হে,
জয় জয় জয় হে।

বিশ্বকবি — ৰবীন্দ্ৰনাথ ঠাকুৰ

— সমাপ্ত —

নবজ্যোতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ হকে আলোচনী সম্পাদিকা মিচ্ মাহমুদা খানমৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত। বৰপেটা ঘুনুচা প্ৰেছত মুদ্ৰিত।